বিষয়

# লোক সাহিত্য/ভাষা /সংস্কৃতি

# মায়ঙৰ লোক-সাহিত্য ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

ড° মীনাক্ষী তামুলী
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
মায়ং আঞ্চলিক মহাবিদ্যালয়

লোক-সাহিত্য (Folk literature) জনজীৱনৰ দাপোণ স্বৰূপ। কোনো এটা জাতিৰ জ্ঞান-বিশ্বাস, স্বভাৱ-চৰিত্ৰ, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, আনন্দ-উৎসৱ, লোকবিশ্বাস, ধৰ্মনীতি আদি প্ৰাণৱন্ত হৈ উঠে জাতিটোৰ লোক-সাহিত্যৰ মাজেদি।

লোকসাহিত্য হৈছে মানুহৰ মুখে মুখে প্ৰচলিত গীত, পদ, ফকৰা-যোজনা, সাঁথৰ, সাধুকথা ইত্যাদি। যুগ যুগ ধৰি মানুহৰ মৌখিক পৰম্পৰাত এই উপাদানসমূহ উজ্জীৱিত হৈ আহিছে।

ভাৰত ভূখণ্ডৰ পূব প্ৰান্তত অৱস্থিত অসম ৰাজ্যৰ অন্তৰ্গত জিলাসমূহৰ ভিতৰত মৰিগাঁও অন্যতম। ইয়াৰ পশ্চিম প্ৰান্তত অৱস্থিত মায়ং অঞ্চল মন্ত্ৰ সাহিত্যৰ ক্ষেত্ৰত একক বৈশিষ্ট্যৰে সমুজ্জ্বল হৈ আছে। মন্ত্ৰৰ বাবে প্ৰাচীন কামৰূপ বা অসম বিখ্যাত যদিও ক'লা যাদু (Black Magic)ৰ বাবে মায়ং অঞ্চল বৰ্তমানো বিখ্যাত। মন্ত্ৰ আৰু বনৌষধিসমূহৰ অধ্যয়নে মায়ং অঞ্চলত জীৱিকা বা বৃত্তি হিচাপে গ্ৰহণ কৰা লোকসমাজৰ জীৱন্ত চিত্ৰ এখন পোহৰলৈ অনাত সহায়ক হ'ব।

মৰিগাওঁ জিলাৰ পশ্চিম প্ৰান্তত অৱস্থিত মায়ং অতি প্ৰাচীন কালৰপৰাই তন্ত্ৰ-মন্ত্ৰৰ বাবে বিখ্যাত। মৰিগাওঁ জিলাৰ মৌজাসমূহৰ ভিতৰত মায়ং মৌজা অন্যতম। ইয়াৰ মাটিকালি ৮০.২৮ বৰ্গ কিলোমিটাৰ। এই মৌজাৰ অন্তৰ্গত মায়ং গাওঁ পঞ্চায়তৰ ভিতৰত ১৭ খন গাঁও আছে। মায়ং বুলিলে প্ৰকৃততে ১৭ খন গাৱৰে এই অঞ্চলটোকে বুজায়। এই অঞ্চলৰ পৰাই জনপ্ৰব্ৰজন হৈ মায়ঙৰ লোকসংস্কৃতিয়ে ওচৰ-চুবুৰীয়া অঞ্চলকো পল্লৱিত কৰিছে। উজনি আৰু নামনি অসমৰ মধ্যস্থলত এই অঞ্চলটো অৱস্থিত।

কোনো এটা জাতিৰ ব্যক্তিগত বা সামূহিক ভাৱচিন্তা, আবেগ অনুভূতিৰ বিকাশ আৰু প্ৰকাশ হয় সেই জাতিৰ সাহিত্যৰ জৰিয়তে। ভাষাই লিখিত ৰূপ পোৱাৰ আগেয়ে যিবোৰ গীত-মাত, প্ৰবচন-পটন্তৰ, সাধুকথা, ফকৰা-যোজনা, মন্ত্ৰ মানুহৰ মাজত মুখে মুখে প্ৰচলিত হৈ আছিল সেইবোৰেই মৌখিক সাহিত্য। পৃথিৱীৰ প্ৰত্যেক দেশৰে সকলো জাতিৰে মাজত মৌখিক সাহিত্যৰ পৰম্পৰা প্ৰচলিত আছে। নিৰক্ষৰ জনসমাজত গীত-মাত, সাধুকথা, যোজনা-পটন্তৰ, মন্ত্ৰসমূহ মৌখিকভাৱেই ৰচিত হৈ পুৰুষাণুক্ৰমে সংৰক্ষিত হৈ আহিছে। এনেদৰে অতি প্ৰাচীন কালতে উদ্ভৱ হৈ পুৰুষাণুক্ৰমে মুখ বাগৰি নতুন সংযোজন বা বিয়োগ হৈ অহা গীত-মাত-কাহিনীবোৰেই মৌখিক সাহিত্য। যুগ পৰিবেশনৰ প্ৰভাৱত পৰি ভাষাই আধুনিক গঢ় লয় তথাপি নিজস্ব ৰূপ নেহেৰুৱায়।

কোনো এটা জাতিৰ সাহিত্যৰ মূলভেটি মৌখিক সাহিত্য। সকলো জাতিৰ আশা-আকাংক্ষা, জাতিটোৰ পূৰ্ব পুৰুষৰ পৰিচয়, অৰ্থনীতি, সামাজিক অৱস্থা, ৰাজনীতি, ধৰ্মীয় জীৱনৰ প্ৰতিচ্ছবি ফুটি উঠে মৌখিক সাহিত্যৰ জৰিয়তে। একোটা জাতিৰ সামূহিক বা ব্যক্তিগত চিন্তাধাৰা আৰু সঞ্চিত অভিজ্ঞতা স্মৃতিৰ জৰিয়তে সম্প্ৰসাৰিত হৈ আহিছে লোকসমাজত। লিখিত সাহিত্যৰ ভেটিও মৌখিক সাহিত্য। এই ভেটি যিমানেই মজবুত হ'ব, সুদৃঢ় সাহিত্যৰ দৌল বান্ধিবলৈ সিমানেই সহজ অৰ্থাৎ সমৃদ্ধিশালী হ'ব।

মৌখিক সাহিত্যৰ পৰম্পৰা প্ৰচলিত হৈ আহিছে ঘাইকৈ চহা বা গ্ৰাম্য সমাজখনত। 'মৌখিক সাহিত্যৰ (গীত-পদ, লোককথা, প্ৰবাদ-প্ৰবচন, সাঁথৰ, দিষ্টান) মূল শিপাডাল বিস্তীৰ্ণ

শ্ৰমজীৱী জনসাধাৰণৰ জীৱনৰ সৈতেহে সম্পৃক্ত।' শ্ৰমজীৱী জনসাধাৰণৰ শ্ৰমৰ যন্ত্ৰণা লাঘৱ কৰিবলৈ অথবা আনন্দ বিনোদনৰ উদ্দেশ্যে অথবা কৃষিৰ উৰ্বৰা শক্তি বৃদ্ধি কৰাৰ উদ্দেশ্যে এই সাহিত্য মৌখিকভাৱে ৰচনা কৰি আহিছে।

মৌখিক সাহিত্যক বিভিন্নজনে বিভিন্ন পদেৰে সূচিত কৰিছে। উইলিয়াম আৰ. বেচকমে মৌখিক সাহিত্যক 'বাচিক কলা বা Verbal Art' বুলিছে। বাচিক কলা বা Verbal Art এ মৌখিক পৰম্পৰাক সূচায়। আৰ. এম ডৰচনে মৌখিক সাহিত্য বুজাবলৈ Expressve Literature শব্দটো ব্যৱহাৰ কৰিছিল। উইলিয়াম আৰ বেচকমৰ মতে "The concept of verbal art avoids all these difficulties, and has the further advantage of emphasizing the essential features which distinguished the folk-tale myth, proverb and related forms." Varbal art অৰ্থাৎ মৌখিক কলা পৰিভাষাই সকলোধৰণৰ সমস্যা সমাধান কৰে। মৌখিক পৰম্পৰাত জীয়াই থাকে বাবে এই সাহিত্য মৌখিক সাহিত্য।

অসমৰ মৌখিক সাহিত্য বুলিলে অসমৰ ভৌগোলিক পৰিসীমাৰ মাজত বাস কৰা লোকসকলৰ মুখে মুখে প্ৰচলিত তথা যুগৰ প্ৰভাৱে পৰিবৰ্তন আৰু পৰিবৰ্দ্ধন কৰা গীত-মাত, লোক কাহিনী, সাঁথৰ-প্ৰবচন, মন্ত্ৰ আদিকে বুজায়। মৌখিক সাহিত্যক কেইবাটাও বিভাগত ভাগ কৰিব পাৰি। প্ৰফুল্ল দত্ত গোস্বামীয়ে তলত দিয়াধৰণৰে ভাগ কৰিছে—

ক) সাধুকথা বা কাহিনী, খ) গীত, গ) দৃষ্টান, ঘ) যোজনা, ঙ) প্ৰবাদ, চ) মন্ত্ৰ

মহেশ্বৰ নেওগে ভাগ কৰিছে—

ক) গীতি সাহিত্য, খ) সাধু কথা, গ) মন্ত্ৰ, ঘ) প্ৰবচন, ফকৰা-যোজনা আৰু সাঁথৰ ঙ) ডাকৰ বচন

সত্যেন্দ্ৰনাথ শৰ্মাই ঘাইকৈ তিনিটা ভাগত ভাগ কৰিছে—

১) লোকগীত, ২) ফকৰা-যোজনা আৰু প্ৰবচন, ৩) সাধুকথা।

'লোক সংস্কৃতি' গ্ৰন্থত 'নবীন চন্দ্ৰ শৰ্মাই লোক-সাহিত্যক তলত দিয়া ধৰণে ভাগ কৰিছে—

১। জাতিগত শ্ৰেণী বিভাজন (Ethnic genre)

২। তাত্বিক শ্ৰেণী বিভাজন (Analytical Categories)

৩। বিষয় বস্তু অনুসৰি শ্ৰেণী বিভাজন (Thematic classification),

৪। অনুষংগ অনুসৰি শ্ৰেণী বিভাজন (Contexual classification),

৫। প্ৰকাৰ্যাত্মক শ্ৰেণী বিভাজন (Functional classification),

৬। আঞ্চলিক শ্ৰেণী-বিভাজন (Regional classification) ইত্যাদি।

লোক সাহিত্যৰ উল্লিখিত শ্ৰেণীবিভাজন অনুসৰি গীত, পদ, প্ৰবচন, সাধু আদিৰ আলোচনা কৰাৰ পূৰ্বে 'পাঠ' (Text), 'জমিন' (Texture), আৰু 'প্ৰসংগ' (Context)ৰ বিষয়ে আলোচনা কৰা প্ৰয়োজন। এলান ডাণ্ডেজে পাঠ (Text)ৰ সংজ্ঞা দিবলৈ গৈ কৈছে 'The text of an item of Folklore is essentcially a version or a single telling of a tale, a recreation of a proverb, a singing of a folk song.' অৰ্থাৎ এটা সাধুকথা এবাৰ কোৱাই তাৰ 'পাঠ' (Text) নতুবা এটা প্ৰবচন বা এটা গীত এবাৰ মাত্ৰ আবৃত্তিয়েই সেই প্ৰবচন বা গীতটোৰ 'পাঠ'। জমিন (Texture) হ'ল ভাষাতাত্বিক বৈশিষ্ট্য সাধাৰণতে গীত-পদৰ 'জমিন'ৰ পৰিসৰে শব্দ, ছন্দ, শৈলী অলংকাৰ আদি সামৰে।

গতিকে দেখা যায় যে গীত-পদ, সাধু, সাথৰ-প্ৰবচন, মন্ত্ৰ আদিৰ আলোচনাত 'পাঠ', 'জমিন' আৰু 'প্ৰসংগ' এই তিনিওতা স্তৰৰ ভিতৰত প্ৰসংগৰ (Context)ৰ গুৰুত্ব সৰ্বাধিক। সেইবাবেই মায়ঙৰ লোক-সাহিত্যবাজিৰ আলোচনাতো পাঠ আৰু জমিনতকৈও প্ৰসংগৰ প্ৰতিহে দৃষ্টি ৰাখি আলোচনা আগবঢ়োৱা হৈছে।

লোকগীত চহাপ্ৰাণৰ মুখনিসৃত স্বতঃস্ফূৰ্ত আৱেগ-অনুভূতি, কল্পনা-প্ৰৱণতা; আনন্দ-বিনোদন, আশা-আকাঙ্খাৰ মূৰ্ত্তিমান প্ৰকাশ। লোকগীতৰ জৰিয়তে এখন সমাজৰ সূক্ষ্ম আৰু অনুভূতিপ্ৰৱণ মনৰ উমান পাব পাৰি। 'লোকগীতসমূহত ব্যক্তিগত আৰু সামূহিক ভাব-অনুভূতি প্ৰকাশৰ উপৰিও গাঁৱলীয়া মানুহে জন্মৰ পৰা মৃত্যুলৈকে পালন কৰা বিভিন্ন ধৰ্ম-কাৰ্য, আচাৰ-অনুষ্ঠান আদিৰ বৰ্ণনা আছে।

মায়ং অঞ্চলৰ মৌখিক গীত বা লোকগীত সমূহক এনেধৰণৰে ভাগ কৰিব পাৰি—

ধৰ্মীয় গীত-পদ,

উৎসৱ অনুষ্ঠানৰ লগত জড়িত গীত-পদ,

কৰ্ম বা শ্ৰম গীত

প্ৰেম-প্ৰণয়মূলক গীত-পদ

শিশুৰ সৈতে জড়িত গীত-পদ

হাস্য-ব্যঙ্গ বা ধেমেলীয়া গীত

তত্ত্বপূর্ণ গীত

মন্ত্ৰৰ গীত

মালিতা বা কাহিনী গীত

**ধৰ্মীয় গীত-পদ ঃ** অসমৰ লোক সাহিত্যত ধৰ্মীয় লোকগীত সমূহে এটি বিশেষ স্থান দখল কৰি আছে। 'ধৰ্মীয় প্ৰসংগ অৰ্থাৎ পূজা-পাতল-উপাসনা আদিৰ অনুষংগত গোৱা গীতবোৰেই ধৰ্মীয় গীত।' ভক্তিৰ প্ৰগাঢ়তা, আধ্যাত্মিক, নৈতিক, সামাজিক শিক্ষা দিয়াৰ প্ৰয়াস এই গীতসমূহত লক্ষ্য কৰা যায়।

মায়ং অঞ্চলৰ ধৰ্মীয় গীত-পদসমূহ এনেধৰণৰ (১) আইনাম, (২) অপেশ্বৰী নাম, (৩) সুবচনী নাম, (৪) বামুন গোঁসানী নাম, (৫) শিৱ-পাৰ্বতীৰ নাম, (৬) শ্ৰীকৃষ্ণ-ৰাধিকাৰ গীত ইত্যাদি।

**আইনাম ঃ** অসমীয়া লোক সাহিত্যত আইনাম এবিধ পৱিত্ৰ ৰক্তজবা ফুল। আইনাম সমূহৰ মাজেদি গ্ৰাম্যাঞ্চলৰ নাৰীৰ প্ৰতিভাৰ স্ফুৰণ ঘটা দেখা যায়। 'জাতীয় সাহিত্য জাতীয় জীৱনৰ দিনলিপি। আইনাম ধৰ্মবিশ্বাস আৰু লোক বিশ্বাসৰ মণি-কাঞ্চন সংযোগত সৃষ্টি হৈছে।' এহাতে গ্ৰাম্য অঞ্চলৰ লোক বিশ্বাস, আনহাতে তান্ত্ৰিক আদি ধৰ্মীয় শ্ৰেণীৰ বিশ্বাস ইয়াৰ ফলত 'আইনাম'ৰ সৃষ্টি। প্ৰাচীন কালত বসন্ত মহামাৰী সদৃশ আছিল। সেয়ে বসন্ত ৰোগৰ অন্তৰালত এসময়ত দৈৱিক শক্তিক সন্তুষ্ট কৰিবলৈ অথবা নোহোৱা কৰিবলৈ মানুহে উপায় উদ্ভাৱন কৰিব বিচাৰিছিল। তাৰ ফলতেই 'দেৱী ৰূপে কল্পনা কৰি পূজা অৰ্চনা কৰি গীত-মাত গাই 'আইক' সন্তুষ্ট কৰিবলৈ ল'লে। এনেদৰেই আইনামৰ সৃষ্টি হয়। আইক শীতলা বুলিও কোৱা হয়। শীতলা নাম সমূহ মায়ঙত প্ৰচলিত আছে। বসন্ত ৰোগ হ'লে বৰ্ত্তমানো অঞ্চলটোৰ মানুহে 'আই'ক বিশ্বাস কৰে আৰু পৰিষ্কাৰকৈ ধূপ-ধূনা বন্তি জ্বলাই শুভ্ৰ কাপোৰ পিন্ধাই ৰখা হয়। ইয়াৰ পিছত তিনি বা পাঁচ দিনৰ দিনা মাহ-প্ৰসাদ দি পিঠাগুৰি আদি আই সকলক নৈবেদ্য আগবঢ়াই অৰ্থাৎ চুবুৰীয়াৰ বয়সিয়াল মহিলাসকলক। তেওঁলোকে আহি আইনাম গায়। প্ৰথমে 'নাৰায়ণ'ক আমন্ত্ৰণ কৰা হয়। তাৰ পিছতহে আইনাম বা শীতলা নাম গোৱা হয়।

**ঘোষা ঃ** *হৰি ৰাম হৰি গুৰু সন্তোষৰ অৰ্থে*

**পদ ঃ** *গোবিন গোবিন কি দিবো যাদৱ ৰায়*

*ব্ৰহ্মাণ্ডৰ ভিতৰে য'ত বস্তু আছে*

*সমস্ত তোমাতে পায় গোবিন*

*কিমতে আসন দিবে। নাৰায়ণ*

*গৰুড়ে যাৰ বাহন*

*কিবা অলংকাৰ ৰচিম মই প্ৰভু*

*দেখিতে যাহা শোভন।*

**অপেশ্বৰী সবাহৰ নাম ঃ** নাৰী সমাজত প্ৰচলিত আন এটি উল্লেখযোগ্য নাম বা সবাহ হৈছে 'অপেশ্বৰী সবাহ'। এই পূজা শীতলা পূজাৰ লগত সাদৃশ্য দেখা যায়। 'অপেচৰী, অপেচৰা বা অপেশ্বৰী পদটো সংস্কৃত 'অপ্সৰা' পদৰ পৰা বিকাশ হৈছে। অপ্সৰী পদৰ উল্লেখ বৈদিক সাহিত্যত পোৱা যায়।" 'গল্ড ষ্টুকাৰৰ' (Gold stucker) দৃষ্টিত সূৰ্যৰ কিৰণৰ দ্বাৰা সৃষ্ট মেঘৰ ৰূপ পোৱা জলীয় বাষ্পই অপ্সৰা অৰ্থাৎ 'persoifications of the vapours which are attracted by the sun or form into mist or cloud'. গতিকে দেখা যায় অপ্সৰা বা অপেচৰী এগৰাকী দেৱী বুলি লোকসমাজত প্ৰচলিত আছে আৰু এই দেৱীৰ পূজা অৰ্চনা কৰি সন্তুষ্ট কৰিবলৈ চেষ্টা কৰা হয়। এই অপ্সৰাৰ মূলতে সূৰ্যৰ কিৰণ বুলি অনাখৰী আয়তী সকলে উপলব্ধি কৰে।

মায়ং অঞ্চলতো শিশুৰ কল্যাণৰ অৰ্থে অপেশ্বৰী সবাহ পতা দেখা যায়। ল'ৰা-ছোৱালী যে খাবলৈ ইচ্ছা নকৰিলে, বেমাৰ-আজাৰ হ'লে, শুকাই-খিণাই গ'লে আইৰ লেঠা লগা বুলি অপেশ্বৰী সবাহ পতা হয়। এই সবাহৰ গীত এনে ঃ

*'ওপৰৰ দেৱতাই বৰ মেল পাতিছে*

*সূৰ্যই ধৰিছে ঢাকিয়ে*

*একোকে নজনা অজনা মনুষ্যই*

*ৰৰকৈ লগাইছে ঘটিএ'*

এই অনুষ্ঠানৰ সতে 'কুমাৰী পূজা'ৰ সম্পৰ্ক আছে যেন অনুমান হয়। কুমাৰী পূজাৰ উৎপত্তি সম্পৰ্কে যোগিনীতন্ত্ৰত আছে—

*'পুজিতাস্তৈঃ কুমাৰী সা কুসুমৈৰ্নন্দোনোদ্ভৱৈঃ।*

*সৰ্ব্বলোকৈঃ পুজিতা চ কুমাৰী সা গৃহে গৃহে।।'*

অৰ্থাৎ দেৱতাসকলে মিলি নন্দন কাননত উৎপন্ন হোৱা নানাবিধ সুগন্ধ ফুলৰ দ্বাৰা সেই দ্বিজ কুমাৰীক পূজা কৰিলে। তাৰ পিছৰ পৰা সকলো মানুহে নিজ নিজ ঘৰত কুমাৰী পূজা কৰিবলৈ আৰম্ভ কৰিলে। সেইদৰে স্থানান্তৰত কোৱা হৈছে যে

এজনী মাত্র কুমাৰী পূজা কৰিলে সকলো দেৱতাকে পূজা কৰা হয়। বস্তুত কুমাৰীক পূজা কৰিলে ত্ৰৈলোক্যত থকা সকলো দেৱতাৰ পূজা কৰাৰ ফল পায়।

**সুবচনী গীত** ভক্তিমূলক লোকগীত সমূহৰ ভিতৰত 'সুবচনী গীত' বা নাম উল্লেখযোগ্য। পৰিয়ালৰ সুখ-সমৃদ্ধি বা শিশুৰ বেমাৰ-আজাৰ আদি নাশ কৰাৰ উদ্দেশ্যে এই গীত বা নাম গোৱা হয়। মায়ং অঞ্চলত প্ৰচলিত সুবচনী নাম আইসবাহ, থানত পতা সবাহ আদিত গোৱা হয়। এই নাম আই সবাহৰ বিভিন্ন আইনামৰ সতে একেলগে গোৱা হয় বাবে পাৰ্থক্য বিচাৰ কৰা টান ঃ

*'আসনতে দিয়ে থৈছো*
*চম্পা নাগেশ্বৰ*
*মলে মলাই গোন্ধাই আছয়*
*আসন ওপৰে*

**বামুণ-গোঁসানী নাম ঃ** ৰজামায়ং অঞ্চলত এই নাম আহত গছৰ তলৰ থানত গোৱা হয়। আহত গছত বামুন গোঁসানী আছে গতিকে বন্দনা কৰিব লাগে। প্ৰতিবছৰে এবাৰকৈ এই পূজা কৰিব লাগে। প্ৰথমে হাড়ুগবড়িৰ থানত এই নাম কৰে তাৰ পিছত ৰাজমায়ঙৰ আঁহতৰ তলৰ থানত এই নাম গোৱা হয়। বৰষুণৰ অভাৱ হ'লে ঘাইকৈ অতি প্ৰাচীন কালৰ পৰা এই নাম অনুষ্ঠিত কৰি আহিছে এই অঞ্চলৰ ৰাইজে মিলি। গীতটি এনেধৰণৰ ঃ

*'থলত আছে বামুনগোঁসাই ঘৰত আছে হৰি*
*পৰি পৰি সেৱা কৰো চৰণতে ধৰি।'*

ইয়াৰ পিছতে কৃষ্ণৰ জন্মৰ পিছৰ 'পচতি' নামৰ আৰ্হিত পিছৰ অংশ গোৱা হয়। কৃষ্ণই পুৰা উঠি ঘুমতিৰ জালত তন খাব নাপায় ক্ৰন্দন জুৰিলে ক্ৰন্দন কৰি ৰোষ কৰি কৃষ্ণ আঁতৰি যায় আৰু যশোদাই বিলাপ কৰি কৃষ্ণক বিচাৰি ফুৰে ঃ

*'আইক বুলিলো বাইকো বুলিলো*
*শুনা গোপী লোকে।*
*কৃষ্ণ গৈছে ৰোষ কৰি ৰাম*
*আনি দিয়া মোকে।।'*

*সেইদৰে শিৱ-পাৰ্বতীৰ গীত, শ্ৰীকৃষ্ণ ৰাধিকাৰ গীত উল্লেখযোগ্য।*

**উৎসৱ-অনুষ্ঠানৰ লগত জড়িত গীত ঃ** পৃথিৱীৰ প্ৰত্যেক জাতিৰ মাজতে উৎসৱ অনুষ্ঠানৰ সৈতে জড়িত গীত মাত দেখিবলৈ পোৱা যায়। 'উৎসৱ অনুষ্ঠান সমূহ সামাজিক আচৰণৰ বাহিৰে আন একো নহয়। সাধাৰণতে বিশ্বাস-ধৰ্মীয় কৃত্য আৰু পুৰাণ কথাৰ আধাৰত পৰম্পৰাগত উৎসৱ-অনুষ্ঠানৰ উদ্ভৱ আৰু বিকাশ সম্ভৱ হৈছে।'

মায়ং অঞ্চলত কিছুমান উৎসৱ অসমৰ আন ঠাইৰ সৈতে একে যদিও কিছুমানত ভিন্নতা পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে দুৰ্গা পূজা অসমৰ প্ৰায় অঞ্চলতে পালন কৰা হয় কিন্তু মায়ং অঞ্চলত লক্ষ্মীপূজাহে আড়ম্বৰকৈ অনুষ্ঠিত কৰা হয়। মায়ং অঞ্চলৰ উৎসৱ অনুষ্ঠানৰ লগত জড়িত গীতসমূহ এনেধৰণৰ—

**বিহুগীত ঃ** ঋতুকালীন উৎসৱৰ সৈতে জড়িত লোকগীত আৰু কৃষিজীৱি লোকসমাজৰ সামূহিক উৎসৱৰ ভিতৰত বিহু অন্যতম। কৃষিৰ আৰম্ভণিতে কৃষিজীৱিয়ে শস্যৰ পথাৰখন উৰ্বৰা কৰিবলৈ ৰং-ৰহইচত নিজকে বুৰাই দি বল বৃদ্ধিৰ অৰ্থে নামগীত গাই নিজে নাচি আনকো সমানে অংশ গ্ৰহণ কৰোৱায়।

*আৰৈধান লেখীয়া বান্ধিবা কেতিয়া*
*ডলাতকৈ ছালনী ঘন।*
*চকুৰে চাইছা মুখেৰে নামাতা*
*কালৈ কৰিছা মন।।'*

**দেউলৰ গীত ঃ** ঋতুকালীন উৎসৱ সমূহৰ ভিতৰত অন্যতম দেউল উৎসৱ। কাতিবিহুৰ স'তে সংগতি ৰাখি এই অনুষ্ঠান পতা হয়। 'বৰ্ত্তমানৰ দৰং জিলা আৰু পূব কামৰূপৰ অৰ্থাৎ পাতি দৰং অঞ্চলত জনপ্ৰিয় ঋতুকালীন উৎসৱ দেউলৰ উদ্দেশ্য, অৰ্থ, আচৰণ আৰু আচৰণ আৰু সংযুতিৰ ফালৰ পৰা ভঠেলি সুৱেৰি বা সুৰি আৰু বাঁশ পূজাৰ লগত সাদৃশ্য দেখা যায়।' মায়ং আঞ্চলত এই উৎসৱ পালন কৰা হয়। কাতি মাহত মাটিৰে চিন বা ভেটি সাজি দেউলৰ ফুলগছ আৰু তুলসী গছ ৰোৱা হয়। গৰখীয়া বা সৰু ল'ৰাৰ হতুৱাই এই কাম কৰোৱা হয়। মাটিৰ টিপটো ফুল আদিৰে সুন্দৰকৈ সজাই তোলা হয়। গৃহস্থী ঘৰৰ সাধাৰণতে চোতালত এই দেউল বনায়। তামোল-পাণ, চাকি-বন্তি জ্বলাই তাৰ চাৰিওফালে ঘূৰি ঘূৰি দেউলৰ গীত গায়। সম্ভৱ সংস্কৃত 'দেৱাদল' শব্দৰ পৰা 'দেউল'ৰ বিকাশ হৈছে। দেউলৰ ভিঠি বা টিপটোৰ গাত থাকে সাতোটা খলপ। কোনো কোনোৰ মতে এই সপ্ত খলপ সপ্ত স্বৰ্গৰ প্ৰতীক।' পূজাৰ আগ মুহূৰ্ত্তত দেউল ভিঠি আৰু দেউলখলা তুলসী গুৰি মাটি, পানী আদিৰে মচি দিয়া হয়। তাৰ চাৰিওফালে ঘূৰি ঘূৰি দেউলৰ গীত গোৱা হয়। 'দেউল কৃত্যৰ উদ্ভৱ আৰু বিকাশত ধৰ্মদেৱতা আৰু তেওঁৰ উপাসনা পদ্ধতিৰ দূৰণিবতীয়া প্ৰভাৱ পৰিব পাৰে।'

অসমৰ বিভিন্ন ঠাইত পতা দেউল উৎসৱৰ লগত মায়ং অঞ্চলৰ উৎসৱৰ মিল আছে। বিশেষকৈ দৰঙৰ দেউল উৎসৱৰ প্ৰভাৱ মায়ং অঞ্চলৰ দেউলত পৰা যেন অনুমান হয়। দেউলৰ গীতটো এনেধৰণৰ ঃ

*'দেউলত গইছিলুং দেউলচাই আহিলুং*
*দেউলৰ তেপেতেপে কৰে হেনো গোবিন্দাই ৰাম।*
*তুলসীৰ গোৰে গোৰে মৃগ পহু চৰে*
*তাকে দেখি ৰামচন্দ্ৰই শৰধনু ধৰে।*
*অৰে ৰাতি ততে তামোল এখন দিছে তুহৰ ডুলি।*
*তামোল এখন নিদিলা ঢুকায় বুলি।।*
*শেৱালী নেৱালী জয় জয় ৰাম*
*জয় চিৰি শংকৰ আমাক দিলা ভঙা ঘৰ এ*
*ৰৰযুগে তিতাই মাৰিলে এ গোবিন্দাই ৰাম।।*

**পচতি নাম ঃ** 'ঋতুকালীন উৎসৱ সমূহৰ ভিতৰত 'পচতি' অন্যতম। 'পচতি' শব্দটো সংস্কৃত 'পঞ্চ' শব্দৰ পৰা আহিছে। শ্ৰীকৃষ্ণৰ জন্মৰ পাঁচদিনৰ দিনা এই উৎসৱ পালন কৰা হয়। ৰজামায়ং অঞ্চলত জন্মাষ্টমীৰ এঘাৰ দিনৰ দিনা সাধাৰণতে এই উৎসৱ পালন কৰা দেখা যায়। এই অনুষ্ঠানত প্ৰথমে থাপনা পতা হয়। ধূপ-ধুনা-ফুল ইত্যাদিৰে সজাই থাপনা পাতে। লগতে গীত-মাত পৰিবেশন কৰা হয়।

*'লিপি পুজি থাপনা*
*পাতিলেহে ৰাম।*
*আমাৰ বাপুই গোঁসাই পূজে হৰি এ'*

ইয়াৰ পিছত গোঁসাই পূজা কৰি। ধেনুকাড় মৰা হয়। গোঁসায়ে মন্ত্ৰ মাতি ধেনুকাড় মাৰে। বিশেষ মন্ত্ৰ মাৰি সৰু সৰু ধেনুকাড় লৈ চাৰিওফালে পূব, পশ্চিম, উত্তৰ, দক্ষিণলৈ কাড় মাৰে।

*'পূৰ্বে দি ধেনু পশ্চিমে ৰেণু*
*তাতে আহি বলভদ্ৰই চৰাইছিলা ধেনুহে।'*

**পঞ্জিকা আশ্ৰয়ী উৎসৱ অনুষ্ঠান ঃ** পঞ্জিকা আশ্ৰয়ী উৎসৱ অনুষ্ঠানসমূহৰ বিভিন্ন তিথি বাৰ আদিৰ সৈতে জড়িত। পূজা-পাতল আদিয়েই পঞ্জিকা আশ্ৰয়ী উৎসৱ অনুষ্ঠান। মায়ং অঞ্চলৰ এনে গীতমাতসমূহৰ ভিতৰত— লক্ষ্মী পূজাৰ গীত, কালী পূজাৰ গীত, সৰস্বতী পূজাৰ গীত ইত্যাদিয়ে প্ৰধান।

**লক্ষ্মীপূজাৰ গীত ঃ** কৃষিপ্ৰধান অঞ্চলবোৰত লক্ষ্মীপূজা কৰাটো এটা সৰ্বজনসিদ্ধ কথা। কৃষি চপোৱা মানেই লক্ষ্মীক গৃহলৈ আমন্ত্ৰণ জনোৱা। মায়ং অঞ্চলটোত মুখ্য পূজা হিচাপে লক্ষ্মী পূজা পতা হয়। দুৰ্গাপূজা বঙালীপ্ৰধান অঞ্চলসমূহত হয় যদিও মায়ং অঞ্চলত লক্ষ্মী পূজাই প্ৰধান পূজা। গৃহৰ সুখ সমৃদ্ধি বা সমূহীয়া ৰাইজৰ মংগলৰ অৰ্থে লক্ষ্মী পূজা কৰা হয়। বিভিন্ন জাতি-সম্প্ৰদায় নিৰ্বিশেষে এই পূজাত অংশগ্ৰণ কৰে। দেবী আইক এগৰাকী নাৰীৰ ৰূপত পূজা কৰা হয়। আইনাম, দুৰ্গাদেৱীৰ নাম আদিৰ সুৰত এই নামসমূহ গোৱা হয় ঃ

*'লক্ষ্মী আই আহা ৰাজসনে　　কি দিয়া পূজিম আই*
*তোমাৰ চৰণে।*
*লক্ষ্মী আই আহে মাতৃ বাটত আছে বৈ*
*নিজ ৰূপে কৰো　　এহিমতে গৈ।*
*লক্ষ্মী আই আহে মাতৃ আসনতে বহি।*
*আমি সৰে পূজাকৰোঁ চৰণতে ধৰি।।'*

**বৈষ্ণৱী কীৰ্ত্তন ঃ** চৈতন্যধৰ্মী বৈষ্ণৱ পন্থৰ ভকতসকলৰ মাজত প্ৰচলিত ধৰ্মীয় লোকগীত কিছুমান মায়ং অঞ্চলত প্ৰচলিত আছে। গীতসমূহৰ মাজত গুৰুবন্দনা, গধুলি আয়তী, বন্দনা, দেশ-কালৰ পৰিচয়, ভোগ-আয়তী ইত্যাদি বিষয়ক বিভিন্ন কথা পোৱা যায়। গীত সমূহ বাংলা ভাষাত প্ৰাপ্ত। গধূলিসময়ত গোৱা 'গধূলি আয়তী' কীৰ্ত্তন এনেধৰণৰ—

*'গধূলি সময়ে আহে বনমালী*
*ধেনু বস্ত্ৰ সঙ্গে লৈ আইৰে।।*
*আহৈ আহৈ ৰে ধেনু বস্ত্ৰ সঙ্গে লৈ আইৰে।।*

**বিয়াৰ নাম ঃ** বিয়া নামসমূহ অসমীয়া লোক সাহিত্যৰ অমূল্য সম্পদ। নাৰী সমাজৰ এইবিধ লোকগীতৰ জৰিয়তে নাৰী মনৰ সহজাত, কোমলতা, কৰুণতা, বিৰহ আদি অনুভূতিসমূহ সুন্দৰকৈ প্ৰকাশ পাইছে। বিবাহ আৰু বৈবাহিক জীৱন সম্বন্ধে বিভিন্ন দিশ এই গীতসমূহৰ মাজত প্ৰকাশিত হৈছে —

*'গেটত লিখে স্বাগতম*
*শহৰৰ পদূলিত*
*দিয়া বন্দে মাতৰম।*
*শুনা সৰি যাব জয়মতী ঐ*
*মইনাক লৈয়ে যাব*
*জয়মতী ঐ।'*

**তোলনী বিয়া ঃ** কন্যা সন্তানে গাভৰু কালত ভৰি দিয়াৰ

মুহূৰ্তৰ বিবাহক তোলনী বিয়া বুলি কোৱা হয়। এই বিয়াৰ পৰিসৰ বিস্তৃত নহয়। আগতে শিশুকালতে বিবাহ হৈ পিছত তোলনী বিয়া পতা নিয়ম আছিল। লাহে লাহে শিক্ষাৰ প্ৰসাৰ নাৰী সকলো পুৰুষৰ সমানে খোজ মিলাব পৰা হোবাৰ পিছত এই বাল্যবিবাহ নোহোৱা হৈ পৰিল। কিন্তু অনুষ্টুপীয়াকৈ হ'লেও তোলনী বিয়া পতাৰ ৰীতি প্ৰচলন হ'ল। তোলনী বিয়াতো একেখিনি গীতেই গোৱা হয় যদিও কিছু ক্ষেত্ৰত ইয়াৰ পাৰ্থক্য পৰিলক্ষিত হয়। এই গীতবোৰ এনেধৰণৰ—

*'আজিহে বাহৰে দুলড়ি*
*আজিহে চাউল আছে ভৰি*
*আজিহে ঘাটপানী খালে*
*মোৰ আইতী।'*
*'হৰি মোৰ অকাজী কুমাৰে*
*হৰি মোৰ চাকি গঢ়ি দিলে*
*হৰিমোৰ পদুম পুখুৰীৰে মাটি।'*
*'বাৰীত গজিল মাখিয়তী*
*সিও মধ্যে তিতা।*
*এন্ধাৰ ঘৰত বহি আছে*
*লঘোণীয়া সীতা।'*

**উপনয়ন বা লগুণ দিয়নি নাম ঃ** মৰিগাঁও অঞ্চলৰ ব্ৰাহ্মণ আৰু নাথ-যোগী সম্প্ৰদায়ৰ মাজত উপনয়ন বা লগুণ দিয়ানি উৎসৱ দেখা যায়। এই অনুষ্ঠানক 'উত্তৰি বিয়া' বুলিও কোৱা হয়। অনুষ্ঠানটোত আয়তী সকলে মিলি বৰ বিয়াৰ দৰে নাম গায়। এই বিয়ানাম সমূহ বৰবিয়াৰ নামৰ সতে প্ৰায়বোৰ ক্ষেত্ৰতে মিল আছে। ব্ৰাহ্মণ সকলৰ উপনয়ন অনুষ্ঠানৰ লগত নাথ-যোগী সম্প্ৰদায়ৰ লগুণ দিয়নি অনুষ্ঠানৰ প্ৰায় ক্ষেত্ৰতে মিল আছে।

*'গৰু জাকৰ পৰা মাতিলে আই*
*মোৰে শৰীৰত উত্তৰি নাই*
*মোতকৈ ওপৰি দদাইদেউ আছে*
*মোকহে উত্তৰি দিবহি পাছে।।'*

**কাৰ্য বিষয়ক গীত বা শ্ৰমৰ সৈতে জড়িত গীত ঃ** 'শ্ৰমৰ সফলতাৰ কাৰণে ৰচিত মন্ত্ৰই এদিন গীতলৈ ৰূপান্তৰিত হৈছিল।' শ্ৰম বা কাৰ্যবিষয়ক গীতসমূহৰ মূলতে আছে শ্ৰমৰ সময়ত ব্যৱহাৰ কৰা ধ্বনি। এই ধ্বনি লয়যুক্ত ধ্বনিয়ে শ্ৰমলৈ একপ্ৰকাৰ শক্তি আনি দিয়ে আৰু আনে কাম কৰাৰ প্ৰেৰণা। মায়ং অঞ্চলত প্ৰাপ্ত লোকগীতসমূহৰ মাজতো শ্ৰম বা কৰ্ম বিষয়ক গীত কিছুমান পোৱা গৈছে। সেইবোৰ এনেধৰণৰ—

**হালবোৱা গীত ঃ** মায়ং কৃষি প্ৰধান অঞ্চল। বৰ্তমান এই অঞ্চলটোত দুটাকৈ প্ৰধান খেতি বড়ো আৰু শালি ধান কৰা হয়। প্ৰধান জীবিকা কৃষি হোৱা হেতুকে খেতিৰ বিভিন্ন সঁজুলি আদিকে লৈ বিভিন্ন গীত ৰচিত হৈছে। এই গীতসমূহে এফালে কৃষি কাৰ্যৰ প্ৰেৰণা আনফালে শ্ৰমৰ কঠিনতা হ্ৰাস কৰে। কৃষি কাৰ্যৰ লগত জড়িত এনে গীতসমূহে সামূহিক কাৰ্যৰ গতি খৰতকীয়া কৰিব পাৰে। মায়ং অঞ্চলত এনে এটি গীতক নাঙেলী গীত বা গোহালী নাম বুলি অভিহিত কৰা হয়। গীতটি এনেধৰণৰ ঃ

*'হৰি এ নাৰায়ণ নাৰায়ণ*
*নাঙলে বোলে মোৰ ঘাৰতে কুঁজ এ হৰি এ নাৰায়ণ*
*পৃথিৱী সহিতে লাগিমে যুঁজ*
*ফালে বোলে মই চিতল*
*গোটামাটিখিনি পেলাম কাটি এ হৰি এ নাৰায়ণ*
*বেঙায়ে বোলে মেৰ কেৰকেৰায়*
*মানুহকে গৰুকে বাখি পেলাম*

**মাছমৰা গীত ঃ**

*'ৰজামায়ং কাজলী অ' মোৰ সোণাই ঐ*
*ভনী তই আকৰি অ' মোৰ সোণাই ঐ*
*হাদুকৰে খৰীয়া মাছ*
*কাছশিলা পাহাৰত অ' মোৰ সোণাই ঐ*
*সুহৰি মাৰিলং অ' মোৰ সোণাই ঐ*
*পৰিতৰাত ককাল ভাঙি নাচ।'*

**বৰশীবোৱা গীত ঃ**

*'কানাই বৰশী বায় পুঙা নাযায় তল।*
*একো মাছে নিগিলোতে গিলে ৰাঘবৰ*
*কানাই বৰশী বায় পুঙা মাৰৈ টিপ*
*ৰাধাই সোধে কানাই ককাই কি বাহৰ চিপ*
*কানাই বৰশী বায় পচা কাঠত উঠি*
*একো মাছে নিগিলে গিলে কানি পুঠি*
*কানাই বৰশী বায় যমুনাৰে মাছ*
*ৰাধাই শোধে কানাই ককাই কিমান পালি মাছ।'*

**শিশুৰ সৈতে জড়িত গীত-মাত ঃ** শিশুক টোপনি

নিয়াবলৈ, কান্দিথকা শিশুক জিত কৰাবলৈ, বিভিন্ন সাধুকথাৰ গীতৰে মন মুহিবলৈ আৰু খেল-ধেমালিৰ সৈতে জড়িত বিভিন্ন গীতমাত পোৱা যায়। এনে গীত মাত কিছুমান হৈছে— (১) শিশুক টোপনি নিওৱা গীত, (২) নিচুকনি গীত, (৩) খেলা-ধূলাৰ সৈতে জড়িত গীত, (৪) সাধুকথাৰ সৈতে জড়িত গীত। মায়ং অঞ্চলত প্ৰাপ্ত এনে কিছুমান গীত হৈছে—

*'ককলং ককিলা পকা জলকীয়া*
*মাৰে নৰকী বাপেৰ নৰকী*
*আঘোণত নিদিলা বিয়া।'*

দেহবিচাৰৰ গীত ঃ

*'এনে সুন্দৰ দেহা উয়ে তোলে মাটি*
*পাৰে পাৰে খহি পৰে শৰীৰৰে গাঁঠি*
*জীৱটো নাযাওতেই টানি বাহিৰ কৰে*
*ঘৰ চুৰা যাব বুলি তুলসী তলতে থ'লে।*
*পানীৰে ভুমুকাজল পানীতে শুকালে*
*হাড়ে ঠুনুকা দেহা তেওঁ কৰে কাম*
*জানিও নাজান নাই তত্বজ্ঞান*
*মায়ামোহে পৰি বৈলা হৰাইলা চেতন*
*এনে সুন্দৰ দেহা ...।'*

**কাহিনীগীত বা মালিতা ঃ** বেলাড বা মালিতা হৈছে বৰ্ণনাত্মক গীত। বেলাড মুখ্যতঃ কাহিনী। এই কাহিনী পদ্যত ৰচিত বেলাড (ballad)ৰ প্ৰধান বৈশিষ্ট্য হৈছে ঃ

(ক) বেলাড বৰ্ণনামূলক অৰ্থাৎ কাহিনী প্ৰধান। (খ) বেলাড সুৰ লগাই গোৱা হয়। (গ) কথাবস্তু, শৈলী আৰু নাম বা আখ্যানৰ ফালৰ পৰা ই লোকসমাজৰ লগত জড়িত। (ঘ) বেলাডত একক ঘটনাৰ বৰ্ণনা থাকে। (ঙ) বেলাড নৈৰ্ব্যক্তিক অৰ্থাৎ বস্তুনিষ্ঠ, ঘটনাৰ গতি, কাহিনী, কথোপকথন আদিৰ সহায়ত ই ক্ষিপ্ৰ গতিত উপসংহাৰৰ ফালে গতি কৰে।

লোকজীৱনৰ পটভূমিত বেলাডবোৰ ৰচিত হোৱা বাবে এইবিধ কালত লোকজীৱনত প্ৰচলিত পুৰাণ-কথা, জনশ্ৰুতিমূলক কথা, স্থানীয় ইতিহাস, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদিৰ প্ৰতিফলন হোৱা স্বাভাৱিক। মানৱ জীৱনৰ বিভিন্ন বিষয়ক লৈ এই বেলাড সমূহ সৃষ্টি হোৱাৰ উপৰিও জীৱ জন্তু, নিৰ্জীৱ বস্তু ইত্যাদিৰো উৎপত্তি বেলাডসমূহত দেখা যায়।

**অঞ্চলটোত প্ৰাপ্ত মালিতাসমূহ হ'ল—**

**পুৰাণগত মালিতা (Mytical ballad) ঃ** পুৰাণগত মালিতাক অতিকথা জাতীয় মালিতা বুলিব পাৰি। এইবিধ মালিতাৰ কথাবস্তু বা কাহিনী মিথধৰ্মী। সাধাৰণতে মিথধৰ্মী কাহিনীত দূৰ অতীতৰ ঘটনা এটি বৰ্ণিত হয়। ইয়াৰ চৰিত্ৰবোৰ মানুহ নহয়, অতিমানবহে। ধৰ্মীয় অনুষংগৰ সতে জৰিত এই মালিতা জগত সৃষ্টিৰ বৰ্ণনা, ধৰ্মীয় কৃত্য আৰু ইয়াৰ লগত জড়িত সমলবাজিৰ উৎপত্তিৰ বিষয়ে এইবিধ মালিতাত পোৱা যায়। শীতেলী আইৰ জন্ম কথা ইত্যাদি এইধৰণৰ মালিতা।

**নৈদানিক মালিতা (Etiological ballad) ঃ** এই মালিতাত জগৎসৃষ্টি, বিভিন্ন বস্তুৰ উৎপত্তি, প্ৰাকৃতিক ব্যাপাৰৰ ব্যাখ্যা, পৰ্বত-পাহাৰ আদিৰ জন্ম, গছ-বৃক্ষ, লতা-লতিকা আদিৰ উৎপত্তিৰ বৰ্ণনা পোৱা যায়। ওজাপালিয়ে গোৱা ঢেঁকীৰ জন্ম, পিঠা-গুৰিৰ জন্ম, তালৰ জন্ম, ঢোলৰ জন্ম, তামোল পাণৰ জন্ম, কুমাৰৰ জন্ম আদি বিষয়ক মালিতা বোৰেই নৈদানিক মালিতা।

মায়ং অঞ্চলত সৰিয়হ খেতিৰ উৎপত্তি বিষয়ক এটি মালিতা প্ৰচলিত আছে। 'তেলপেৰা গীত' হিচাবে পৰিচিত এটি গীতৰ মাজত সৰিয়হ খেতি কৰাৰ পৰা চাকি জ্বলোৱা লৈকে বৰ্ণনা আছে।

তেলপেৰা মালিতা ঃ

*'সোণৰ নাঙলখনি ৰূপৰে ফাল,*
*জনকৰজাই জুৰিলে হাল।*
*বালে মৈয়ালে চহ হ'ল মাটি,*
*তাতে চতিয়ালে সৰিয়হ গুটি,*
*সৰিয়হ পেলালে হাতেৰে মুঠি,*
*সৰিয়হ গজিলে পৃথিৱী ঢাকি।*
*এপাহি সৰিয়হ দুপাহি হ'ল,*
*চাওতে সৰিয়হ তুলিবৰ হ'ল।*
*তুলিলে সৰিয়হ হাতৰে লাফে*
*সৰিয়হ শুকালে সূৰ্যৰ তাপে*
*সৰিয়হ মাৰিলে গৰুৰ খোজে,*
*সৰিয়হ চালিলে চালনীৰ চাতে।*
*সৰিয়হ খুন্দিলে ঢেঁকীৰ চাপে*
*পেৰিলে সৰিয়হ পেৰণিৰ পাকে*
*তেল এটুপি কিহলৈ লাগে,*
*আমাৰে আইদেউৰ বিয়ালৈ লাগে।'*

মালিতাটোৰ মাজেৰে সৰিয়হৰ উৎপত্তিৰ বৰ্ণনা দিয়া হৈছে।

**ঐতিহাসিক মালিতা (Historical ballad) ঃ** ঐতিহাসিক মালিতাৰ কাহিনী বা কথাবস্তু কোনো ঐতিহাসিক ঘটনাৰ ওপৰত আধাৰিত। ঐতিহাসিক মালিতাত নায়ক বা নায়িকাৰ বীৰত্বপূৰ্ণ চাৰিত্ৰিক বিশেষত্বৰাজিয়ে স্থান লাভ কৰে। 'বৰফুকনৰ গীত', 'মণিৰাম দেৱানৰ গীত', 'জয়মতী কুঁৱৰীৰ গীত', 'আজান ফকিৰৰ গীত', 'বাখৰ বৰাৰ গীত' আদি উল্লেখযোগ্য মালিতা।

**মায়ঙৰ লোককথা, প্ৰবচন, লোকভাষা ইত্যাদি**

**গদ্যধৰ্মী লোক-কথা ঃ** মৌখিক পৰম্পৰাত প্ৰচলিত কথা বা কাহিনী গদ্যৰূপত বিকাশ লাভ কৰিলে গদ্যধৰ্মী লোক-কথা বোলা হয়। গদ্য-পদ্য উভয়তে কাহিনী বা কথা ৰচিত হয়। পৃথিৱীৰ প্ৰতিখন দেশতে প্ৰতিটো জাতিৰ মাজতে গদ্যধৰ্মী লোককথা আছে। মানৱ সমাজত কাহিনী শুনাৰ প্ৰৱণতাই গদ্যধৰ্মী লোকসাহিত্যৰ সৃষ্টিৰ মূল। পুৰুষ স্ত্ৰী, শিশু নিৰ্বিশেষে বীৰত্বব্যঞ্জক কাহিনী, শিক্ষামূলক কাহিনী, নৈতিকতাৰ জয় আৰু অসাধুৰ পৰাজয় শুনাৰ প্ৰৱণতাই গদ্যধৰ্মী লোককথাৰ জন্ম দিয়ে। বীৰত্বপূৰ্ণ কাহিনী বৰ্ণোৱা আৰু শুনা-মানৱ মনৰ আদিম হাবিয়াস। ইয়াৰ ফলস্বৰূপেই জনশ্ৰুতি, সাধুকথা, পুৰাণ কথা আদিৰ সৃষ্টি কৰে। 'পৃথিৱীৰ বিভিন্ন সমাজত প্ৰচলিত পৰম্পৰাগত সাধুকথা বা লোককথাৰ পৰা সহজে অনুমান কৰিব পাৰি যে অন্ততঃ তিনিহাজাৰ, চাৰিহাজাৰ বছৰৰ পূৰ্বৰ পৰা লোককথাৰ কথন শৈলীৰ উৎকৰ্ষ সাধিত হৈ আহিছে।' সকলো কথিত লোকসাহিত্যৰ দৰে সাধুকথায়ো মানৱ সভ্যতাৰ গৌৰৱময় দিশ এটা প্ৰত্যক্ষ কৰিছে।

**জনশ্ৰুতি বা কিংবদন্তীমূলক কথা বা কাহিনী ঃ** মায়ং অঞ্চল যাদু-মন্ত্ৰৰে ভৰা। অঞ্চলটোত বিভিন্ন প্ৰকাৰৰ থলুৱা বৈশিষ্ট্যপূৰ্ণ অলেখ জনশ্ৰুতি সিঁচৰিত হৈ আছে। অঞ্চলটোৰ কিছুমান জনশ্ৰুতি অসমীয়া সমাজৰ পৰম্পৰাগতভাৱে চলি অহা। উদাহৰণস্বৰূপে, তেজীমলাৰ সাধু, তুলা আৰু তেজাৰ সাধু ইত্যাদি। লোক বিশ্বাসৰ ওপৰত ভিত্তি কৰিও কিছুমান জনশ্ৰুতি প্ৰচলিত আছে।

এই জনশ্ৰুতিসমূহক কেইটামান ভাগত ভাগ কৰিব পাৰি—

১। ঠাইৰ নামৰ লগত জড়িত জনশ্ৰুতি
২। ব্যক্তি বিষয়ক জনশ্ৰুতি
৩। প্ৰকৃতিৰ বিভিন্ন উপাদানক লৈ প্ৰচলিত জনশ্ৰুতি
৪। মন্ত্ৰকেন্দ্ৰিক জনশ্ৰুতি
৫। দেৱ-দেৱী, অপদেৱতা কেন্দ্ৰিক জনশ্ৰুতি
৬। তিৰা সকলৰ উৎপত্তিকলৈ প্ৰচলিত জনশ্ৰুতি

**ঠাইৰ নামৰ লগত জড়িত জনশ্ৰুতি ঃ** ঠাইৰ নামৰ লগত জড়িত অলেখ জনশ্ৰুতি মায়ং অঞ্চলত প্ৰচলিত আছে। মায়ং নামটোৰ উৎপত্তিৰ লগত কেইবাটাও জনশ্ৰুতি পোৱা যায়।

(ক) মায়ঙৰ প্ৰথম ৰজাজন আহিছিল উত্তৰ কাছাৰৰ মাইবঙৰ পৰা। মাইবঙৰ পৰা অহাৰ বাবে মায়ং হয়।

(খ) ৰজা মায়ামত্তই ৰাজ্যৰ পৰা বিতাড়িত হৈ আহি বুঢ়ামায়ঙৰ বাংঠাই ভেটিত বসতি কৰি ক্ষমতা বিস্তাৰ কৰে। এই মায়ামত্তৰ পৰাই মায়ং হয়।

(গ) মায়ঙৰ পাহাৰৰ ওপৰত কামাখ্যা দেৱীয়ে মায়া বা লীলা কৰিবলৈ আহে। এই পাহাৰত কামাখ্যা দেৱীৰ লগতে তেত্ৰিশ কোটি দেৱতাই লীলা কৰে।

এনেদৰে মায়া কৰাৰ বাবে মায়ং হয়।

(ঘ) দক্ষৰ যজ্ঞত প্ৰাণ ত্যাগ কৰা সতীক লৈ যেতিয়া শিৱ ঘূৰি ফুৰিছিল তেতিয়া বিষ্ণুৰ সুদৰ্শন চক্ৰই সতীক ৫১টা খণ্ডত কাটি পেলাইছিল। সতীৰ দেহৰ এটা খণ্ড সেই অঞ্চলটোত পৰিছিল। শাক্ত ধৰ্মীৰ 'মা' হৈছে সতী। গতিকে ঠাই ডোখৰ মায়ং নামেৰে পৰিচিত হ'ল। মাৰ অংগ বাবে মায়ং।

**বুঢ়ামায়ং আৰু ৰজামায়ং ঃ** মইবঙৰ পৰা অহা ৰজাই পোনপ্ৰথমে মায়ঙৰ পাহাৰত বাস কৰিছিল। কিন্তু ৰাজ্য চলোৱাত অসুবিধা বাবে ভৈয়ামলৈ গৈ বসতি কৰে। ৰজাই প্ৰথমে বাস কৰা বাবে বুঢ়ামায়ং আৰু ভৈয়াম অঞ্চল ৰজামায়ং হিচাপে প্ৰসিদ্ধি লাভ কৰে।

**প্ৰবাদ-প্ৰবচন, যোজনা-পটন্তৰ ঃ** মানুহে প্ৰাত্যহিক জীৱনৰ ব্যৱহাৰিক ক্ষেত্ৰত বিভিন্ন অভিজ্ঞতাৰ সন্মুখীন হয়। এই অভিজ্ঞতাসমূহ মুখে মুখে প্ৰচলিত হোৱাৰ ফলস্বৰূপে এটা পুৰুষৰ পৰা আন এটা পুৰুষলৈ প্ৰবাদ-প্ৰবচন, ফকৰা-যোজনা, পটন্তৰৰ ৰূপত বাগৰি আহে বাবে কোৱা হয়— দহৰ জ্ঞান একৰ বাণী। (A proverb is one man's wit and wisdom of many) মাত্ৰ দুফাঁকি বা চাৰি ফাঁকি পদৰ মাজত আবদ্ধ এই প্ৰবচন-যোজনা পটন্তৰসমূহে বিশাল জ্ঞান বুকুত লৈ ফুৰে; অৰ্থাৎ, একোটা সাধাৰণ প্ৰবচনে বিশাল অৰ্থ বহন কৰা দেখা যায়। প্ৰবচনসমূহ মানৱ জীৱনৰ বিভিন্ন অভিজ্ঞতাৰ সমষ্টি। "Proverbs are folk wisdom distiled from the experience of many even through clad in their

ultimate verbiage by individual known or unknown phrase turners"। অৰ্থাৎ, প্ৰবচনসমূহ একপ্ৰকাৰ লোকজ্ঞান, যিবিলাক অভিজ্ঞতাৰ পৰা এটোপ্ এটোপ্‌কৈ নিগৰি পৰি কিছুমান ব্যক্তিৰ জনা-নজনা বাক্য বাহুল্য আৰু খণ্ডবাক্যৰ পৰা জন্ম হয়।

প্ৰবচন, ফকৰা, যোজনা, পটন্তৰ আটাইবোৰৰে সুকীয়া সুকীয়া লক্ষণ বিদ্যমান। কোনো কথাফাঁকিৰ আন্তৰালত কোনোবা যুগত ঘটি যোৱা কাহিনীৰ কংকাল পৰি আছে। এনে কাহিনী কোনো ঠাইতে প্ৰত্যক্ষ কোনো ঠাইত প্ৰচ্ছন্ন। এইবোৰ হৈছে প্ৰবচন।

*"যাবৎ চন্দ্ৰাবলী তাবৎ কঠিয়া*
*বিধাতাৰ লিখন নাযায় খণ্ডিয়া।"*

কিছুমান কথাৰ মূল কথাটো বুজাবলৈ লগত ছন্দস্পন্দ প্ৰয়োগ কৰি একোফাঁকি কথা এনেয়ে যোৰা দিয়া হয়, এনেবিধ কথাই হ'ল যোজনা। পটন্তৰত সাধাৰণতে দুফাকি কথা থাকে আৰু দুয়োফাকি কথাৰ বিষয়-বস্তুৰ স্বভাৱৰ মিল থাকে আৰু সিটোৰ লগত ৰিজাবলৈ ব্যৱহাৰ কৰা হয় —

*"নাবাঢ়ি কোমোৰা চালতে বুঢ়া*
*মাকে বোলে জালি কোমোৰা।"*

ফকৰাসমূহ সাধাৰণতে ধৰ্মীয় তত্ত্বৰ ভড়াল; ধৰ্মৰ গূঢ়াৰ্থ, জ্ঞানবাণী, উপদেশ, পালনীয় দিহা ইত্যাদি ফকৰাৰ যোগেদি কোৱা হয়।

**লোকভাষা ঃ** মানুহৰ মুখে মুখে প্ৰচলিত কথিত ভাষাই লোকভাষা। 'যি ভাষা কোনো ধৰণৰ অনুষ্ঠানিক পদ্ধতিৰে শিকা নাযায়, যি ভাষা পৰিমাৰ্জিত আৰু ৰীতিবদ্ধ নহয়, সেই ভাষাই লোকভাষা।' 'লোকভাষা কোনো এটা আঞ্চলিক উপভাষাৰ অন্তৰ্গত নিৰক্ষৰ সম্প্ৰদায়ৰ মাজত প্ৰচলিত। ভাষাৰ মাধ্যমৰ এখন সমাজৰ বিবিধ সামাজিক সাংগঠনিক ৰূপৰ প্ৰতিফলন ঘটে। সামাজিক পৰিবেশ অনুযায়ী মানুহৰ ব্যক্তিগত কথা-বতৰাই ভাষা-সংগঠনৰ মাধ্যমত নিৰ্দ্ধাৰিত ৰূপ লয়।' লোকভাষা তুলনামূলকভাৱে সাধু বা কৰ্ষিত ভাষাতকৈ পুৰণি। সাধু বা কৰ্ষিত ভাষা আৰু লোক ভাষাৰ পাৰ্থক্য এনেধৰণৰ— "We are not concerned with cultivated speech, that is, the speech patterns of the highly educated, but rather with folk speech, the speech patterns that develop independently of formal schooling and are characteristic of, but by no means entirely limited to, the older and relativly uneducated group within any regional dialect area."

সাধাৰণতে যাতায়ত আৰু যোগাযোগৰ উন্নত ব্যৱস্থা নথকা আৰু শিক্ষা আৰু আধুনিকতাই স্পৰ্শ নকৰা প্ৰবীণ পুৰুষ বা অনাখৰী মহিলাৰ ভাষিক বৈশিষ্ট্যৰ বিশ্লেষণ আৰু বৰ্ণনাতেই সাধাৰণভাৱে লোক-ভাষা অধ্যয়নৰ সীমা পৰিসীমিত।

'লোকসাহিত্যৰ দৰে লোকভাষাও মুখ-পৰম্পৰা প্ৰচলিত। ভাষা কওঁতাজনৰ দখলত থকা শব্দৰাজিৰ পৰিসীমাৰ মাজত এনে কিছুমান শব্দ থাকে যিবোৰ লিখাৰ প্ৰসংগত মুঠেই ব্যৱহাৰ নহয়; অথবা আনুষ্ঠানিক পৰিস্থিতিত প্ৰায়েই প্ৰয়োগ নহয়। এই শব্দৰাজিৰ মাজত অনেক নিষিদ্ধ শব্দও আছে।' কথিত বা লোকভাষাত ধ্বনি, শব্দ ৰূপ, গঠনৰীতি আদিৰ ক্ষেত্ৰত বিভিন্নতা পৰিলক্ষিত হয় কিন্তু লিখিত ভাষাত বিভিন্নতা পৰিলক্ষিত হয় কিন্তু লিখিত ভাষাত এক বিস্তৃত অঞ্চলজুৰি এক সমৰূপতা লাভ কৰে। 'লোকভাষা লোক সমাজৰ বাচিক আচৰণৰ প্ৰত্যক্ষ বাহক। গতিকে লোকসাহিত্যই লোকভাষাৰ জৰিয়তে বাঙ্ময় ৰূপ লাভ কৰে।' লোকভাষা সাধাৰণতে লিখিত বা অভিজাত সাহিত্যৰ মূল ভেটি সেইদৰে লোকভাষাই সকলো ভাষাৰ বুনিয়াদ। "It should be obvious by now that Folk speech is the foundation on which all language is based."

গতিকে দেখা যায় আধুনিকতাই স্পৰ্শ নকৰা অনাখৰী প্ৰবীণ পুৰুষ ঘাইকৈ মহিলাৰ মৌখিক পৰম্পৰাত যি ভাষা প্ৰচলিত হৈ আহিছে বা কোনো এটা অঞ্চলত প্ৰচলিত হৈ অহা ভাষাই লোকভাষা। লোকভাষা অঞ্চল বা ব্যক্তি ভেদেও ভিন ভিন হয়। শিশু, পুৰুষ, মহিলা সকলোৰে মুখত বেলেগ হ'ব পাৰে। 'শিশুৱে আনৰ লগত খেলা-ধূলা কৰাৰ আগতে মাকৰ কোচত থাকি যি ভাষাৰ সহায়ত নিজৰ মনৰ সুখ-দুখ; ৰাগ-অভিমান, স্নেহ আদি ভাবানুভূতিবোৰক মুক্তভাৱে প্ৰকাশ কৰে আৰু যিটো ভাষাক নিজৰ বুলি ভাৱে তাকে শিশু ভাষা বোলা হয়। শিশুৱে বহু ক্ষেত্ৰত অশুদ্ধ বাক্য প্ৰয়োগ কৰে। প্ৰত্যেক শিশুৰ ভাষা আহৰণৰ প্ৰক্ৰিয়া সুকীয়া।' ঘৰৰ বাহিৰত বিভিন্ন লোকৰ সংস্পৰ্শত পুৰুষৰ ভাষা ভিন্ন হয় আৰু ঘৰত নাৰীৰ ভাষাই প্ৰাধান্য লাভ কৰে। সেইবাবেই নাৰী সমাজতেই প্ৰকৃত লোকভাষাৰ বৈশিষ্ট্য ৰক্ষিত হয় বুলি কোৱা হয়।

মায়ঙীয়া উপভাষা সম্পৰ্কে ক'ব পাৰি যে নগাঁও (পূৰ্বৰ) আৰু কামৰূপ জিলাৰ প্ৰান্তীয় স্থানত অৱস্থিত বাবে অঞ্চলটোৰ ভাষাত দুয়োটা ভাষাৰে প্ৰভাৱ পৰাটো দেখিবলৈ পোৱা যায়।

তাৰোপৰি জনজাতীয়ভাষাৰ প্ৰভাব পৰাটোও পৰিলক্ষিত হয় বহু শব্দত। বঙালী সম্প্ৰদায়ৰ লোকৰ সৈতেও মিলা-প্ৰীতি অধিক হোৱাৰ ফলত ভাষাটোৱে ভিন্ন ৰূপ পৰিগ্ৰহণ কৰিছে। মায়ং অঞ্চলত দেখা যায় পুৰুষৰ ভাষাতকৈ নাৰীৰ ভাষাত অধিক স্পষ্ট ৰূপত মায়ঙীয় উপভাষাৰ প্ৰচলন আছে। নাৰীৰ মুখত লোকভাষা অধিক স্পষ্ট যদিও দেখা যায় অঞ্চলটোৰ শিক্ষিত পুৰুষৰ মুখতো মায়ঙীয়া শব্দৰ প্ৰচুৰ প্ৰয়োগ।

**মন্ত্ৰ ঃ** মন্ত্ৰ লোকজীৱনৰ অঘোষিত জীৱন সংগ্ৰামৰ বাহন। লোকজীৱনৰ সৱল বিশ্বাস  যে মন্ত্ৰৰ জৰিয়তেই প্ৰাকৃতিক দুৰ্যোগ, বেমাৰ-আজাৰ, বন্য জন্তুৰ আক্ৰমণ, জীৱ-জন্তুৰ অসুখ আৰু সকলো ধৰণৰ অশুভ শক্তিক নাশ কৰিব পাৰি। মন্ত্ৰত বান্ময় হৈ আছে কোনো এটা জাতিৰ আবেগ, অনুভূতি, কল্পনা আৰু অভিজ্ঞতা। মন্ত্ৰৰ উৎপত্তি একে দিনাই হৈছিল বুলি ক'ব নোৱাৰি। অতি প্ৰাচীন কালৰ পৰাই মন্ত্ৰৰ প্ৰচলন হৈ আজি পৰ্যন্ত কম বেছি পৰিমাণে ব্যৱহৃত হৈ আহিছে।

মন্ত্ৰ শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ হৈছে এনে ধৰণৰ— মন্ত্ৰ ধাতুৰ পৰা ই উদ্ভৱ হৈছে। মন্ত্ৰ + ঘঞ কৰ্ম অৰ্থাৎ ক (কোৱা) (To Speak) কথা পতা, আলাপ উপদেশ প্ৰদান, উপদেশ গ্ৰহণ চিন্তা কৰা, গোপনীয়ভাৱে কৰা কথোপকথন ইত্যাদি।

'মন্ত্ৰ'ৰ আভিধানিক অৰ্থ হৈছে (১) দেৱতাক উপাসনা কৰা বান বা বাক্য, (২) সাংকেতিক অৰ্থযুক্ত কোনো দেৱ-দেৱীৰ নাম বা গুণ বুজোৱা বিশেষ শব্দ বা আখৰ, (৩) ৰোগ, ভূত-প্ৰেত আদিৰ পৰা ৰক্ষা পৰিবলৈ আৰু মানুহ অপদেৱতা আদিক বশ কৰিবলৈ ব্যৱহাৰ কৰা বাক্য, (৪) কোনো কাৰ্য কৰিবলৈ কৰা দৃঢ় সংকল্প, (৫) উপদেশ, মন্ত্ৰণা, (৬) নীতি। কোনো বেমাৰ-আজাৰ আদিৰ উৎপত্তিৰ মূলতে দেৱ-দেৱী বা অন্য দেৱতাৰ অসন্তুষ্টি বুলি পুৰণি কালৰ পৰাই লোক বিশ্বাস চলি আহিছে। গতিকে বিভিন্ন ৰোগ নিৰাময়ৰ বাবে দেৱ-দেৱীৰ স্তুতি কৰি মন্ত্ৰ উচ্চাৰণ আৰু ভেষজ ঔষধৰ ব্যৱহাৰ কৰিলে আৰোগ্য হয় বুলিয়েই লোকজীৱনৰ বিশ্বাস। গেইট চাহাবৰ মতে বংগদেশ, উৰিষ্যা, পঞ্জাব আদি প্ৰদেশত মন্ত্ৰৰ প্ৰচলন আছিল যদিও সৰহভাগ মন্ত্ৰ কামৰূপতে সৃষ্টি হৈছিল। বিৰিঞ্চি কুমাৰ বৰুৱাই মন্ত্ৰবোৰ ঘাইকৈ অথৰ্ববেদ, বৌদ্ধ আৰু হিন্দু তন্ত্ৰ শাস্ত্ৰ আৰু জনজাতীয় লোকসকলৰ বিশ্বাসৰ সংমিশ্ৰণত সৃষ্টি হোৱা বুলি উল্লেখ কৰিছে।

*অনন্ত গোঁসাই সুতিয়া আছন্ত।*
*চাৰিবেদ বাজ ভৈল নিস্বাস কাঢ়ন্তে।।*
*হুংকাৰ শবদে অথৰ্ববেদ ভৈলা।*

× × ×

**মাটিত ভৰি দি নমা ঃ**

*মাধৱ মাধৱ মাধৱ মাধৱ মাধৱ*
*মন্ত্ৰ ও প্ৰিয়দত্তায়ে ভৰেনমঃ।*

এই মন্ত্ৰটি মাতি নমস্কাৰ কৰি পুৰুষে সোঁভৰি দি আৰু নাৰীয়ে বাওঁভৰি দি মাটিত ভৰি দি নামিব লাগে।

**২. বাঢ়নীৰ মন্ত্ৰ ঃ**

*কোষা তৃণাং পৰিধানম*
*ঐং হ্ৰীং শ্ৰীং বাসুদেৱায়ে নমঃ।*

**৩. প্ৰস্ৰাব কৰা মন্ত্ৰ ঃ**

*সোণৰ লিংগ (ইন্দ্ৰীৱা)*
*ৰূপৰ ধাৰ সৰ্ব্বদোষ মাৰ্জনা কৰিব*
*ধৰিত্ৰী মাও।*

এই মন্ত্ৰ জপ কৰি সূৰ্যৰ ফালে পিঠি দি পুৰুষে লিংগ প্ৰকৃতি (নাৰী)য়ে ইন্দ্ৰীৱা বুলি তিনিটা হাত চাপৰি মাৰি প্ৰস্ৰাব কৰিব লাগে।

**৪. শৌচ কৰা মন্ত্ৰ ঃ** এডাল কুটী মাটিত পাৰি এডাল ভৰিৰ ওচৰত ৰাখি মাৰ্জন কৰিব লাগে। মন্ত্ৰটি হৈছে—

*ব্ৰহ্মবধী মহাপাপী স্থলে আছা তুমি*
*ৰাম নামে দূৰ কৰি কুটী পাৰি শৌচ*
*কৰো আমি আঁতৰ হোৱা তুমি।।*

**৫. পানী তোলা মন্ত্ৰ ঃ**

*ব্ৰহ্মবধী মহাপাপী জলে আছা তুমি*
*ৰাম নামে দূৰ কৰি পানী তোলো আমি।*

**৬. গা-ধোৱা মন্ত্ৰ ঃ**

*গংগা গয়া গোদাবৰী*
*চক্ষে চাণ্ড মাথে সৰস্বতী কুণ্ড*
*নিজ গুৰুৰ পদজলে দেহজীৱ*
*সকলো শুদ্ধ।*

মন্ত্ৰটি গাই পানী তিনিচলু মূৰৰ ওপৰত চতিয়াই গা ধুব লাগে।

**৭. কাপোৰ পিন্ধা মন্ত্ৰ ঃ**

*ব্ৰহ্মা বিষ্ণু মহেশ্বৰ চৰাচৰ জগতৰ ঈশ্বৰ*

*ধূনি পানি কানিৰ পঞ্চ আত্মা পূৰণ*
*কৰা গোপীৰ জীউ। অন্তৰ আত্মাই*
*শিৰায়ে মহেশ্বৰ...।*

**উঠৰমকাম মন্ত্ৰ ঃ** শোওতে, যাওঁতে বাটে-ঘাটে দিনে ৰাতিয়ে সকলোতে এই মন্ত্ৰটি মাতিব লাগে। ক'ৰবাত ভয় পালে অলপ প্ৰস্ৰাৱ ধৰি চক্ষু, কাণ, নাক আৰু মুখত ঘঁহি দিলে মনৰ সকলো ভয় আঁতৰ হয়। মন্ত্ৰটি হৈছে—

*চুৰাটে চুৰামণি মহামুনি স্থিতি*
*পথৰ মধ্যে মহাবিষ্ণু কাৰে বসতি।*
*চক্ষুতে কালাচাদ বৈসে সদা কৰে ধ্যান,*
*নাসিকাতে নিত্যানন্দ মধুকৰে পান।।*
*কৰ্ণতে চৈতন্য গোঁসাই কৰে সাৱধান*
*আলজিহ্বাই সৰস্বতী বিনয় কৰে গান*
*মুখে বলভদ্ৰ বত্ৰিশ যোগাসন*
*জিহ্বাই নাৰদমুনি কৃষ্ণ গুণ গান।।*

**মন্ত্ৰৰ শক্তি ঃ**

পণ্ডিতসকলে প্ৰমাণ কৰি দেখুৱাইছে যে প্ৰাগ-ঐতিহাসিক যুগতেই মানুহৰ আৰোগ্য সাধনৰ বাবে এফালে বিভিন্ন প্ৰাকৃতিক ঔষধৰ ব্যৱহাৰ আৰু আনফালে বিভিন্ন অলৌকিক বিশ্বাস পূজা-পাতল আদিৰ বিধান এই দুয়োটা পদ্ধতিয়েই গঢ় লৈ উঠিছিল, আধুনিক ভাৰতবৰ্ষত যাৰ প্ৰভাৱ আজিও বিদ্যমান। মধ্য যুগৰ বিভিন্ন ভাৰতীয় সাহিত্যত মন্ত্ৰ আৰু অলৌকিক বিশ্বাসৰ পৰিচয় পোৱা যায়।

বৈদিক স্তৰতো দেখা যায় মন্ত্ৰ আৰু বনৌষধিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। বিশেষকৈ অথৰ্ববেদত উল্লেখ থকা বিভিন্ন ৰোগ আৰু ঔষধিয়ে ইয়াৰ যুক্তিযুক্ততা দাঙি ধৰে। 'অথৰ্ব বেদত ঔষধি অৰ্থাৎ ঔষধৰ উপযোগী বৃক্ষসমূহৰ গুণ, ধৰ্ম, বিভিন্ন ৰোগত এই ঔষধি বৃক্ষসমূহৰ প্ৰয়োগ, ৰোগমুক্তিৰ অন্যান্য সাধন আৰু ৰোগীৰ পৰিচৰ্যা সম্বন্ধে বিস্তৰ বৰ্ণনা সন্নিৱিষ্ট হৈছে।' ঋকবেদৰ যুগত ভেষজবিদ্যা জনা বাবে চিকিৎসক সকলক ভিষগ্ বোলা হৈছিল। অথৰ্ববেদৰ যুগতেই এই ভিষগ্ সকলে বিভিন্ন ৰোগত ৰোগীক ঔষধ প্ৰদান কৰে আৰু মৌখিক সান্ত্বনা দান কৰে। 'অথৰ্ববেদীয় ভিষগ্জনে ৰোগীক আশ্বস্ত কৰি কয় যে পৃথিৱীত যিবিলাক ঔষধি গুণযুক্ত গছ-লতিকা আছে সেই সকলো গছৰ শক্তি আহৰণ কৰি তেওঁ ৰোগীক বচাবলৈ যত্ন কৰে। বনৰীয়া গছ-লতাৰ পৰা ঔষধ প্ৰস্তুত কৰি তেওঁলোকে ৰোগ-নিৰাময় কৰিছিল আৰু ৰোগীক ৰোগমুক্ত কৰি দীৰ্ঘ জীৱন দান কৰিবলৈ গছলতাক প্ৰাৰ্থনা কৰিছিল। চিকিৎসকজনৰ কৰ্ত্তব্য আছিল ৰোগীনিৰাময়ৰ লগতে ৰোগীক অভয় দান কৰা। গছ-লতাৰ পৰা আহৃত দ্ৰব্যক মন্ত্ৰপূত কৰি ভিষগ্সকলে ৰোগীৰ ৰোগ নিৰাময়ৰ অৰ্থে ব্যৱহাৰ কৰিছিল। বৰণ গছৰ পৰা প্ৰস্তুত কৰা তাবিজক বিশ্বভেষজ অৰ্থাৎ সকলোৰোগৰ প্ৰতিষেধক বুলি কোৱা হৈছে। বিভিন্ন মন্ত্ৰ তাবিজ আদি প্ৰয়োগৰ দ্বাৰা ৰোগীজনৰ আস্থা অটুট ৰাখিবলৈ অথৰ্ববেদীয় চিকিৎসকে কৈছিল "এয়া মই তোমাক ক্ষত্ৰিয় ৰোগৰ পৰা মুক্ত কৰিছো। এয়া তোমাক দীৰ্ঘায়ু কৰিবলৈ সমৰ্থ হৈছো।" আয়ুৰ্বেদ শাস্ত্ৰৰ প্ৰধান গ্ৰন্থকৰ্ত্তা আচাৰ্য চড়ক আছিল কায় চিকিৎসক। চড়কে শাৰীৰিক আৰু মানসিক চিকিৎসাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁ কৈছিল যে— 'ৰাসায়নিক ঔষধ সেৱন কৰিলে মানুহ যিদৰে নিৰোগী হয় আৰু বলশক্তি পায় তেনেদৰে আচাৰ আচৰণ মানি চলিলেও অৰ্থাৎ সৎবাক্য, সদাচাৰ পালন কৰিলে মানুহৰ মানসিক উৎকৰ্ষ সাধিত হয়, মানুহে নিৰোগী আৰু দীৰ্ঘজীৱন লাভ কৰিব পাৰে। এই তথ্যসমূহৰ পৰা দেখা যায় যে অতি প্ৰাচীন কালতেই উদ্ভৱ হোৱা এই চিকিৎসা পদ্ধতি বৈদিক আৰু উত্তৰ বৈদিক যুগত অধিক গাঢ় হৈ পৰিল। লোক জীৱনক মানসিক শক্তিৰ যোগান ধৰিবলৈ সৃষ্টি হ'ল অলেখ মন্ত্ৰৰ। মন্ত্ৰৰ চিকিৎসাৰ জৰিয়তে লোক-জীৱনক আস্থা আৰু বিশ্বাস অটুট ৰাখি ৰোগ নিৰাময়ৰ পথ প্ৰশস্ত কৰাৰ মানসিকতা গঢ় লৈ উঠিল। বিভিন্ন তাবিজ, মাদলী, কবচ আদি মন্ত্ৰপূতঃ কৰি প্ৰয়োগ কৰা হ'ল। বিভিন্ন ৰোগৰ মূলতে কোনো দেৱতাক কল্পনা কৰি সেই দেৱতাক পূজা অৰ্চনা কৰি সন্তুষ্ট কৰাৰ প্ৰৱণতা গঢ় লৈ উঠিল। অৰ্থাৎ এই সময়চোৱাতেই চিকিৎসা পদ্ধতিৰে কিছুপৰিমাণে বিজ্ঞানসন্মত আৰু কিছু পৰিমাণে অবৈজ্ঞানিক বা অলৌকিক কাৰ্যকলাপৰ মাজেদি লোকজীৱনৰ উৎকৰ্ষ সাধনৰ বাটত অগ্ৰসৰ হ'ল। ♦♦

# মায়ঙত প্ৰচলিত বিয়ানাম সমূহত এভূমুকি

বিপুল ডেকা
কাৰ্যালয় সহায়ক
মায়ং আঞ্চলিক মহাবিদ্যালয়

অসমীয়া জাতি সৃষ্টিৰ পাতনিৰ পৰাই কিছুমান মাংগলিক অনুষ্ঠান লোক-সংস্কৃতিৰ কোষ হিচাপে প্ৰচলিত হৈ আহিছে। এই প্ৰচলিত হৈ অহা লোক-সংস্কৃতিবোৰৰ ভিতৰত অসমীয়া সমাজৰ এক অনবদ্য সংস্কৃতি হৈছে। অসমীয়া-সমাজ জীৱনত সুখ-দুখ, ৰং-ৰহইচৰ প্ৰাণ পাই উঠা এটি সামাজিক উৎসৱ হ'ল বিবাহ। আমাৰ সমাজ জীৱনত বিবাহ এটি গুৰুত্বপূৰ্ণ অধ্যায়। বিবাহৰ যোগেদি সৃষ্টিৰ পাতনি মেলাৰ লগতে পুৰুষ-মহিলাৰ এটি সুন্দৰ যুগ্ম জীৱন আৰম্ভ হয়। দুটি যুৱীয়া জীৱনৰ আৰম্ভণিয়ে কিবা কৰাৰ উদুলি-মুদুলি পৰিবেশে মধুৰ আনন্দময় কৰি তোলে। অসমীয়া সমাজ জীৱনত মাংগলিক অনুষ্ঠান হিচাপে বিবাহৰ নীতি-নিয়ম সমূহৰ মাহাত্ম্য বহু। এখন বিয়া ঘৰৰ ৰভাতলিত বিয়া নামৰ জৰিয়তে আনন্দৰ বন্যা দেখা যায় যদিও ঘৰৰ ফুল-কুমলীয়া জীয়ৰীজনী এখন ঘৰলৈ উলিয়াই দিয়াৰ কিছু বিচ্ছেদৰ বেদনাত কাৰুণ্য আবেগ/ অনুভূতিৰ প্ৰকাশ পায়।

সেয়ে তেনে এটি মুহূৰ্তত বিয়া নামৰ যোগেদি মনৰ পৰা দুখ-বেদনাৰে নিগৰি আহে—

"ঔ গছৰ কোমল কুঁহি ভাটৌ পৰি খায়
মা-দেউতাৰ চকুৰ মণি লোকে লৈয়া যায়।"

দুখন ঘৰৰ মাজত পাণ-তামোলৰ বঁটা পেলাই যেতিয়া সামাজিকভাৱে এখন বিয়া আয়োজন কৰা হয় তেতিয়া আগৰে পৰা বিয়াৰ আগদিনা চলি অহা এটি নিয়ম আছে তেলৰ ভাৰ বা জোৰণ দিয়া। দৰৰ ঘৰৰ পৰা কইনা ঘৰলৈ তেল সেন্দুৰ, সুৱৰ্ণ অলংকাৰ, পাট-মুগা সাজ-পাৰ আদি ঘৰৰ পৰিয়ালৰ কেইজনমান আৰু সমাজৰ পৰা কেইগৰাকীমান নীতি-নিয়মৰে পান তামোলৰ শৰাই আদিৰ কৰি নানা ধৰণৰ সামগ্ৰী লৈ আহে। সেই জোৰণ দিয়াৰ পৰাই বিয়াৰ মাংগলিক অনুষ্ঠানবোৰ আৰম্ভ হয়।

জোৰণ আহি কইনাৰ ঘৰৰ পদূলিমুখ পোৱাৰ লগে লগে আয়তীসকলে আৰু কইনাৰ ঘৰৰ পৰিয়ালে ধূপ-ধুনা জ্বলাই উৰুলি ধ্বনিৰে আদৰি অনাৰ সময়ত আয়তীসকলে এনে ধৰণে নাম গায় —

ধূপ-ধূণা জ্বলোৱা
ঢুলীয়া ঢোল বজোৱা
জোৰণ আহি ৰৈ আছে
আদৰো গৈ ওলোৱা।

পদূলি মুখতে কইনা ঘৰৰ আৰু দৰা ঘৰৰ মাজত ঘট দুটি সলনি কৰা হয়। শেষত সকলোকে আদৰি আনি ৰভাৰ তলত বাঢ়িবলৈ দিয়া হয়।

দুয়োখন সমাজৰ মাজত প্ৰচলিত ৰীতি-নীতিবোৰ আলোচনা কৰি পাণ-তামোলৰ শৰাই সলনি কৰি কইনাৰ দেউতাকৰ অনুমতি বিচাৰি ন কইনাক তেল সেন্দুৰ, অলংকাৰ আদি পিন্ধোৱা হয়। তেতিয়া নামতি আৰু আয়তীসকলে তলৰ নাম ফাঁকি গায় —

"মাৰাৰ অলংকাৰ থোৱা কাতি কৰি
দেউতাৰাৰ অলংকাৰ থোৱা হে
ৰামে দি পঠাইছে বিচিত্ৰ অলংকাৰ
হাতে যোৰে কৰি লোৱা হে।"

সন্ধ্যা দৰা বা কইনা যোৰাই পুৰোহিতৰ দ্বাৰা মাংগলিক পূজা আয়োজন কৰি দৰা-কইনাৰ মূৰত চাউল আৰু তেল দিয়া হয়। দৰাৰ মাকে দৰাক আৰু কইনাৰ মাকে কইনাক প্ৰথমে মূৰত, তেল আদি দিয়ে তাৰ একেই নিয়ম পাচত পঞ্চআয়তীয়ে

কৰে। তেতিয়া নামতী সকলে তলৰ নাম ফাঁকি গায় —

"আগে দিয়া পাছে দিয়া

পঞ্চ আয়তীয়ে কি ৰাম ৰাম

পঞ্চ আয়তীয়ে

দূৰ্বাঘাটৰ পানী আনি [২]

আইদেউৰ মূৰত দিয়ে কি ৰাম ৰাম

(ৰামৰ মূৰত দিয়ে কি ৰাম ৰাম)

আইদেউৰ মূৰত দিয়ে.......

ও.....ও....ও.... ও.. ও.... ও... "

বিয়াৰ আগ দিনাৰ অন্যতম এটি আচাৰ হৈছে অধিবাস। দৰা কইনাৰ মংগলৰ বাবে সন্ধ্যা শিৱপূজা, গণেশ পূজা, পঞ্চ দেৱৰ পূজা, আদিত্যদি, নৱগ্ৰহ দেৱতাৰ পূজা, ইন্দ্ৰাদি পূজাৰ অন্তত দৰাৰ দ্বাৰা কইনাৰ উদ্দেশ্যে দিয়া দ্ৰব্যসমূহে কইনাক অধিবাস কৰাৱ লাগে। তেনেকৈ দৰালৈ দি পঠিওৱা দ্ৰব্যসমূহ কইনাই স্পৰ্শ কৰি পঠাব লাগে। সেই দ্ৰব্যৰে দৰাই অধিবাস কৰে। অধিবাসৰ সময়ত আয়তীসকলে এনেধৰণে নাম ফাকি গায় —

"কাইলৈ আইদেওৰ বিবাহৰ দিন আজি অধিবাস

নাহিল দেখোন বেদনিধি কৰিলে নিৰাশ।

নোৱাৰ কৰাব বিয়া ৰজা শিশপাল

কাইলৈ মোক হৰি নিব অৱশ্যে গোপাল।"

বিবাহৰ দিনা ব্ৰহ্মপুৱাতে কোনো চৰাই-চিৰিকতিয়ে মাত নিদিওতে ঘৰৰ দুৱাৰ মুখত দৰা বা কইনাক সিংহ পীৰাত বহুৱাই পাঁচগৰাকী আয়তীৰ দ্বাৰা দৈয়ন দিয়া হয়।

এৰা সূঁতাৰে দুখিলা পাণঠাৰিত বান্ধি দৈৰ বাটিত জুবুৰিয়াই পৰ্দাৰ দুই কাষে হাত মেলি কইনাৰ ভৰিৰ পৰা মূৰলৈকে তিনিবাৰ দৈ সানি দিয়া হয়। অৰ্থাৎ শেষবাৰলৈ নখ-চুলি চাফা কৰি কইনাজনীক শেষবাৰলৈ শান্তি পানী ঢালি দিয়া হয়। তেতিয়া আয়তীসকলে নাম গায় এনেধৰণে —

দৈয়ন দিয়া দৈয়ন দিনা আপোনাৰে আই

ভাল কৰি দৈয়ন দিয়া হৃদয় জুৰাই।

বিয়াৰ দিনা আয়তীসকলে পুৱাতে আহি ফুলৰ মালা পিঠাগুৰি, আখৈ আদি প্ৰস্তুত কৰি দৰা বা কইনাক গা ধুৱাবলৈ পানী তুলিবলৈ যায়। পানী সাধাৰণতে নৈ বিল, আদিৰ পৰাই তোলা হয়। নৈ-বিল সহজে নাপালে কোনোবা নাদ পুখুৰীৰ পানীকে গংগা যমুনাৰ পবিত্ৰ পানী বুলি মান্যতা দি প্ৰথমে দৰা- কইনাৰ মূৰত ঢালি দিয়া হয়। জোৰণ দি যোৱা দিনাৰে পৰা গধূলি আয়তীসকলক আমন্ত্ৰণ জনাই পানী তুলি দৰা, কইনা নোওৱা হয়।

সন্ধ্যাও আয়তীসকলে গায়ন, বায়ন, ঢুলীয়া নামতীসকলৰ নাম আৰু উৰুলি ধ্বনিৰে দৈবকীক লগত লৈ দূৰৈৰ যমুনাৰ পৰা পানী তুলি আনে।

সাধাৰণতে বিয়া নামবোৰত দৈৱিক শক্তি আৰু ৰাম-সীতা, হৰ-গৌৰী, কৃষ্ণ-ৰাধা-ৰুক্মিণী আদিকে সম্বোদন কৰা হয়। তেনে সময়ত আয়তীসকলে এনে ধৰণে নাম পৰিবেশণ কৰে।

১। উৰুলি উ..... উ..... উ..... উ.... উ..... উ..... [৩]

ৰাম কৃষ্ণ পানী তুলিবলৈ

ৰাম কৃষ্ণ ওলাইছে দৈৱকী

হৰি মোৰ ঐ কাষতে কলচি লৈ

২। ৰাম কৃষ্ণ ৰিণিকি ৰিণিকি

ৰাম কৃষ্ণ দেখিছো যমুনা

হৰি মোৰ ঐ ৰৈ আছে কদমৰ তলে।

৩। ওলাই আহা ৰুক্মিণীয়ে

যাঁও যমুনালৈ

শুভক্ষণে যাত্ৰা কৰি জলে আনোগৈ।"

পানী তুলি অহাৰ পাছত পাঁচটা কল পুলিৰে বে-মাসী সজাই দৰা-কইনা নোওৱা হয়। মাকৰ আচলত ধৰি বে-সানী চাৰিওফালে পাঁচ পাক ঘূৰি ঘূৰি আমি ডালিৰে দৰা-কইনাৰ গা লৈ পানী চটিকাই দিয়া হয়। মাহ-হালধিৰে নোওৱা হয়। আয়তীসকলে দৰা-কইনা নোৱাওতে গায়—

১। ৰাম চন্দ্ৰৰ পদূলিতে মিঠা আমৰ পুলি

ৰাম চন্দ্ৰই গা ঐ ধুইছে ৰাম কৃষ্ণ বুলি।

২। আইদেউৰে পদূলিতে হালি আছে নল

কলহে কলহে ঢালে যমুনাৰে জল।

৩। গা ধুই উঠিয়ে মাকক সুধিলে

মা মই কিনো সাজ সলাব পাৰি হে

ছাতে শুকোৱা মুঠিতে লুকুৱা

সেই নো সাজ সলাব পাৰি হে।"

গা ধোৱা শেষ হোৱাৰ পাচত দৰা-কইনাৰ মূৰত চাউল দি

দাংকোলাকৈ বা বোকোচাত লৈ দাঙি আনি মড়লৰ ওচৰত ৰভা তলিত বহিবলৈ দিয়া হয়। দৰাৰ সমনীয়াই দৰাক সজাই আৰু আয়তীসকলে ঘৰৰ ভিতৰতে কইনাক বিভিন্ন প্ৰসাধন সানি বা সজাই-পৰাই তোলে। কইনা সজোৱাৰ সময়ত এনে ধৰণে আয়তীসকলে নাম গায় —

১। সৌখন ফুলনি নানা ফুলেৰে ভৰা
বাইদেউক সজাবলৈ আহে ক'ৰ পৰা
সেৰেঙা খৰাহী পিতলৰ বাঁও
বাইদেউক সজাবৰে নাজানা ভাঁও।

২। অ' মোৰ অমিয় সজাবৰ সময়ত
দৰাৰ সমনীয়া কেনি গ'ল এতিয়া
যাওঁতে ফুলিলে অ' মোৰ অমিয়া
মাধৈ মালতি ফুল অ' মোৰ অমিয়া
আহোতে পেলালে কলি
মোৰ অমিয়া
সজাব সময়ত
দৰাৰ সমনীয়া কেনি গ'ল এতিয়া।

দৰা যাত্ৰা কৰা সময়তো আয়তী, বোৱাৰী, জীয়ৰীসকলে বিভিন্ন ধৰণৰ নাম আৰু আনন্দৰে দূৰৈৰ দুৰ্গম পথছোৱাকো সুগম কৰি তোলে। যাত্ৰাৰ সময়ত আয়তীসকলে এনেধৰণে নাম গাই আনন্দ কৰে —

ধলং ধপং কৈ গাড়ীখন চলে
শহুৰৰ ঘৰলৈ কিমান দূৰ আছে
অৰণ্যৰ মাজে মাজে দীঘলীয়া বাট
শাহু আই দেখা পাই লগাবা মাত
আদৰি শাহু আই সাদৰি নিব
ৰভা তলত সুমুৱাই
কন্যা দান দিব।

আমাৰ অসমীয়াত কথা এষাৰ আছে দৰাক দেখি সুৱাগ জাৰা। ঠিক তেনেদৰে দৰা আহি কইনা ঘৰৰ পদূলিত উপস্থিত হোৱাৰ সময়তেই কইনাৰ মাকে এখন থালিত পাঁচগছি চাকি জ্বলাই চাউল, বগা সুতা, ৰঙা সুতা, পাঁচ ডাল খৰিকা পুতি লৈ পিঠা গুড়িৰে কুঁৱা বা নাদৰ পাৰত মণ্ডল পাত সুতা মেৰাই ভিতৰত পাণ-তামোল এযোৰ দি মংগল্য উৰুলি ধবনি দিয়ে। তেতিয়া আয়তীসকলে এনেধৰণে নাম গায় —

১। সুৱাগ তুলিবলৈ   ওলোৱা দৈৱকী
জোঁৱাই কলৰ গুৰিত থৈ
সুৱাগ তুলি আহি   আনোগৈ আদৰি
গন্ধ পুষ্প মালা লৈ।

২। কিনো বাচনৰে   কাচা হে দৈৱকী
কিনো বাচনৰে কাচা
জোঁৱাই কলৰ গুৰিত   ৰখাই থৈ দৈৱকী
ৰান্ধনি ঘৰতে নাচা।

আমাৰ সমাজত আন এটা লোকাচাৰ আছে কইনা ঘৰৰ পদূলিত ওচৰৰে গাঁৱৰ ডেকাসকলে দৰাক বাট ভেটা দি নানা ধৰণৰ হাস্যৰসৰ প্ৰশ্ন কৰে। দৰাই পাণ-তামোলৰ বঁটা দি ডেকাসকলৰ পৰা বিদায় লয় আৰু দাম্পত্য জীৱন সুখী হোৱাৰ আশীৰ্বাদেৰে পথ এৰি দিয়ে। তাৰে এটি প্ৰশ্ন এনেধৰণৰ —

কাৰ পো কাৰ নাতি কলৈ যোৱা দোভাগ ৰাতি
কাৰ চোতালত দিবা ভৰি কোনে দিব মালা ধাৰি।
ইত্যাদি।

বৰযাত্ৰী আহি পদূলিমুখ পোৱাৰ লগে লগে কইনাৰ মাকে আৰু কইনাৰ ভনীয়েকে ভৰি ধুৱাই বিচনীৰে বিচি বিচি ৰভাতললৈ লৈ আহে। তেতিয়া আয়তীসকলে এনে ধৰণে নাম গাই দৰাক আদৰি লৈ আহে।

১। শিব গোসাঁই আহিছে
ডম্বৰু বাজিছে
শহুৰৰ পদূলিত কইনা ভিক্ষা মাগিছে।

২। অ' মন তগৰ
কিয় ৰাম আহিলা জানকী নগৰ
ৰাতি বাৰ বজাত অ' মন তগৰ
জোৱাই আহি পালেহি অ' মন তগৰ
আছে পদূলিতে বৈ মন তগৰ
কিয় ৰাম আহিলা জানকী নগৰ।

দৰা আৰু বৰ মানীসকল ৰভা তলিত বহা পাছত পুৰোহিতে মাংগলিক কাৰ্য আৰম্ভ কৰে। পুৰোহিত নথকা বিবাহ সমূহত তেওঁলোকৰ সমাজে বিধি অনুযায়ী তেওঁলোকৰ মাংগলিক কাৰ্যবোৰ কৰে। আয়তীসকলেও কইনাক মাজত বহুৱাই কৰুণ সুৰেৰে নাম গায়। কিছু সময়ৰ পাচত ৰভা তলৰ পৰা নিৰ্দেশ আছে আৰু দৰাই জানকী যজ্ঞ লৈ ওলাই আহিব লাগে বুলি

আমন্ত্ৰণ জনায়। তেতিয়া আয়তীসকলে করুণ সুৰেৰে তলত দিয়া নাম কেই ফাকি গায় —

১। পাটিত বহি জানকীয়ে মনে মনে গুণে
অযোধ্যাৰ ৰাম আহি কাণ পাতি শুনে
দিন যুগ নাযায় মোৰ পাটিত বহি লৈ
কেতিয়া আহিব ৰাম ফুলৰ মালা লৈ।

২। টিন পাতৰ ৰভা নহয়
কল পাতৰ ৰভা
আমাৰ বাইদেউ নাহিল মানে
নুশুৱালে ৰভা।
গছো ৰঙা পাতো ৰঙা
ৰঙা গোলাপ ফুল
ওচৰ চাপি বহক ভিনদেউ
নেযায় জাতিকুল।

ৰভাৰ তলিত পৰা কইনাক আমন্ত্ৰণ জনোৱা কইনাৰ ভিনীয়েক বা কোনো আত্মীয়ই কোলাত তুলি দাঙি আনি হোমৰ গুৰিত বহুৱায়। তেতিয়া একেলগে দৰা-কইনাৰ যুগ্ম জীৱনৰ হোম-যজ্ঞ আৰু মাংগলিক কাৰ্য আৰম্ভ হয়। সেই সময়ত আয়তীসকলে এনেধৰণে মাংগলিক বিয়া নাম গায় —

১। কলা কলা তুলসীৰে চিৰলিয়া পাত
গুমাই পূজা কৰিবলৈ তুলসীয়ে ভাল।

২। ৰাম ৰাম সমাজ তুমি পাতিলা
ৰাম ৰাম হোমৰ গুৰিত বহিলা
ৰাম ৰাম এশ আঠ ডাল আম ডালিহে
ৰাম ৰাম হোমৰ অগ্নি জ্বলালে
ৰামে হে।

মাংগলিক হোম-যজ্ঞ সম্পাদন কৰা পুৰোহিতক ধেমালিতে উদ্দেশ্য কৰি আয়তীসকলে এনে ধৰণে গায় —

১। বামুণ বাপু বিধি পঢ়ে
মাজে মাজে এবে
ঘৰত আছে খালৈ পেৰি
তালৈকে মন কৰে।

২। বৰাহৰ মকুৱা
বামুন বৰ খকুৱা
সান্দহ খাওঁ পিঠা খাওঁ
কচে চাটি
বামুন বৰ ফাঁকি।

এখন ঘৰৰ পৰা এটা পৰিয়ালৰ পৰা যেতিয়া কুহ বা সম্বন্ধ ছিঙি এজনী অতি মৰমৰ জীয়াৰী উলিয়াই দিব লগা হয় তেতিয়া আয়তীসকলে ভায়েকৰ দ্বাৰা আখৈ তুলি দিয়া বিয়া নামটিৰে তাকেই উপস্থাপন কৰে। সেই সময়ত আয়তীসকলে এনে ধৰণে গায় —

১। আখৈ তোলা আখৈ তোলা
মৰমৰে ভাই
আজিৰ পৰা তোমাৰ বাইদেউ
গোত্ৰ চিঙি যায়।

২। আখৈ দিয়া আখৈ দিয়া
চেনেহৰে ভাই
আজিৰ পৰা তোমাৰ বাইদেউ
সম্বন্ধ ছিঙি যায়।

বিয়া নামৰ আন এটা বিশেষত্ব হৈছে যোৰা নাম। দৰা আৰু কইনা ঘৰৰ আয়তীসকলে ৰভা তলত বহি থকা সময়ত দুয়োটি দলে এটিয়ে আনটোক উদ্দেশ্য কৰি যোৰা নামৰ প্ৰতিযোগিতা পাতে তেতিয়া দুয়ো পক্ষই এনেধৰণে গায় —

১। কইনাৰ পক্ষ ঃ
ৰভা খুটা হেলেকা ৰভা খুটা হেলেকা
দৰা ঘৰৰ ডেকাহঁতৰ চকুকেইটা টেলেকা।

দৰাৰ পক্ষ ঃ
টেলেকা যদি টেলেকা
আমি খোৱা পাতবোৰ
তোমালোকে চেলেকা

২। কইনাৰ পক্ষ ঃ
বাৰীত আছে তেজপাত
দৰা ঘৰৰ নামতিৰ মুখ নহয় কচুপাত

দৰাৰ পক্ষ ঃ
মাছ মৰা জুলুকী
কচুপাত সানি দিম আমাক জোঁকাই নলবি।
বাৰী ঢাপৰ জেউৰা

কইনা ঘৰৰ মানুহবোৰ
ৰাতি মতা ফেঁউৰা।

এনেকৈয়ে যোৰা নাম আৰু মাংগলিক অনুষ্ঠানবোৰ হোম যজ্ঞৰে শেষ হোৱাৰ পাচত সমাজৰ আশীৰ্বাদ লৈ দৰা-কইনাক ভিতৰলৈ নিয়া হয়। বিয়াৰ দিনা গোটেই দিনটো যিমান আনন্দৰে পাৰ কৰা হয়, কইনা বিদায় দিয়া সময়খিনিত তাৰ বিপৰীত ছবি এখন দেখিবলৈ পোৱা যায়। চিৰজীৱনৰ বাবে এখন ঘৰ এৰি আন এখন ঘৰলৈ যোৱা পৰিবেশটো কিমান কাৰুণ্য হৈ পৰে সেয়া সকলোৰে জ্ঞাত। কইনাই পাণ-তামোলৰ বঁটা লৈ কান্দি কান্দি ঘৰৰ সকলোৰে পৰা বিদায় লোৱাৰ মুহূৰ্তত আয়তীসকলে কৰুণ সুৰেৰে এনেধৰণে বিয়াৰ বিদায় নাম ফাকি গায় —

১। হাতত পাণ বঁটা লৈ
মাৰাক মাতা গৈ
মৰমৰ মা ঐ যাব মই ওলালো।
যাবৰে সময়ত সেৱা হে জনালোঁ।

২। হাতত পাণ বঁটা লৈ
দেউতাবাক মাতা গৈ
মৰমৰ দেউতা ঐ যাব মই ওলালো
যাবৰে সময়ত সেৱাহে জনালোঁ।

বহু দুখ কষ্টৰে ঘৰখনৰ সকলোটি পৰিয়ালক চকুৰ পানী নিগৰাই চিৰদিনৰ বাবে এৰি থৈ যোৱা আৰু নিজৰ আলসুৱা জীয়ৰীজনী উলিয়াই দিয়াৰ কিমান যে দুখ-বেদনা তাক প্ৰকাশ কৰিব নোৱাৰি। কিন্তু দৰাঘৰৰ পৰিয়ালে আনন্দ মনেৰে ন কইনাক সজাই-পৰাই লৈ যায়। দৰাঘৰতো কিছু নীতি-নিয়মৰ মাজেৰে শাহু আইয়ে আদৰি-সাদৰি নিয়ে আৰু বিয়াৰ সমাপ্তি ঘটে।

ওপৰত পাৰ্যমানে মায়ঙৰ সমাজত প্ৰচলিত হৈ অহা এখন বিয়াৰ প্ৰয়োজনীয় বিয়া নাম কেইফাঁকি মান উপস্থাপন কৰিলো। তাতে যদি কিবা ভুল হৈছে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিলো। নব প্ৰজন্মলৈ মোৰ ফালৰ পৰা আহ্বান থাকিল যাতে বিয়া নামৰ দৰে অসমীয়া সংস্কৃতি ৰ অমূল্য সম্পদবোৰ কালৰ বুকুত লীন হৈ যাবলৈ নাপায়। ◆◆

# মায়ঙৰ উপভাষা ঃ এক দৃষ্টিপাত

চাৰু প্ৰভা চলিহা
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

মানুহ জীৱশ্ৰেষ্ঠ সামাজিক প্ৰাণী। ঈশ্বৰ প্ৰদত্ত এই ধুনীয়া পৃথিবীখন সৃষ্টিৰ দিনৰে পৰা মানুহ, সমাজ, জীৱন ধাৰণৰ প্ৰণালী, ৰীতি-নীতি, ভাব-ভাষা ইত্যাদি বিষয়বস্তুৰো প্ৰচলন হৈছে। আদিতে মানুহ বৰ্বৰ আছিল, কাপোৰ পিন্ধিব নাজানিছিল, খাব নাজানিছিল। এক কথাত ক'বলৈ হ'লে সংস্কৃতিৱান নাছিল। কিন্তু সময়ৰ গতিৰ লগে লগে এই সকলোবোৰ সলনি হ'ল। সভ্যতাৰ পোহৰে পোহৰাই তুলিলে জীৱন ধাৰণৰ প্ৰণালী। সমাজ পাতি বাস কৰিব জনা হ'ল। লগে লগে ভাব-ভাষা, নিয়ম-নীতি আদিৰ লগত তেওঁলোক পৰিচিত হ'ল। ক্ৰমশঃ ঠাই বিশেষে, জাতি বিশেষে, সংস্কৃতি বিশেষে সমাজ বিশেষে ভাষাৰ সৃষ্টি হ'ল। লাহে লাহে সভ্যতাৰ জখলাও ওপৰলৈ উঠি গৈ থাকিল আৰু ভাষা-সাহিত্য, সংস্কৃতিও পৰিবৰ্তন লাভ কৰি আহি আজি এই অৱস্থা প্ৰাপ্ত হৈছে। ভাব-অনুভূতিৰ গতিধাৰাৰ বিশেষত্ব আৰু প্ৰৱণতাই বহু সময়ত মানুহক নতুন কৰ্মৰ প্ৰতি ধাউতি জন্মায়। এই ধাউতিতে ভাষা আৰু সাহিত্যৰ নতুন চিন্তাচৰ্চাৰ উন্মেষ ঘটে। ভাষা আৰু সাহিত্য হ'ল এটা মুদ্ৰাৰ ইপিঠি সিপিঠি। জাতীয় জীৱনৰ লগত ভাষা-সাহিত্যৰ ওতঃপ্ৰোত সম্বন্ধ। পৃথিবীৰ প্ৰত্যেক জাতিৰে একোটা নিজস্ব ভাষা থকা দেখিবলৈ পোৱা যায় আৰু এই ভাষাতেই সেই জাতিৰ সাহিত্যই ঠন ধৰি উঠে। ড° সত্যেন্দ্ৰ নাথ শৰ্মাদেৱে তেখেতৰ 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' নামৰ গ্ৰন্থত কৈছে যে ভাষাবৃক্ষৰ সাহিত্য সৌৰভময় পুষ্পস্বৰূপ। জাতীয় সাহিত্য হ'ল সেই জাতিটোৰ সুখ-দুখ, হাঁহি-কান্দোন, উশাহ-নিশাহ, ভাব-কল্পনা, আশা-নিৰাশা আদিৰ প্ৰকাশৰ থল। সাহিত্য হ'ল এটা জাতিৰ দাপোনস্বৰূপ। দাপোনত নিজৰ প্ৰতিবিম্ব যেনেদৰে প্ৰতিফলিত হয় ঠিক তেনেদৰে জাতিটোৰ শিক্ষা-সংস্কৃতি, শাৰীৰিক, মানসিক, ৰাজনৈতিক, অৰ্থনৈতিক, ঐতিহাসিক, বৌদ্ধিক, সামাজিক, ধৰ্মীয় আদি সকলো দিশৰে প্ৰতিচ্ছবি প্ৰতিফলিত হয়। সংস্কৃতত এষাৰ কথা আছে— 'গোষ্পদে নভোমণ্ডলম্'— অৰ্থাৎ গৰুৰ খোজত জমা হোৱা পানীখিনিত গোটেই বিশ্ব ব্ৰহ্মাণ্ডখন দেখাৰ দৰে সাহিত্যত উন্মোচিত হয় এটা জাতিৰ সকলো দিশ, সকলো সপোন। সাহিত্য আগবাঢ়ি যাবলৈ ভাষাৰ নিতান্তই প্ৰয়োজন। ভাষা মানুহৰ আটাইতকৈ মূল্যৱান আৰু গুৰুত্বপূৰ্ণ সম্পদ। ভাষা হ'ল মানুহৰ এনে এক অনন্য সুলভ বৈশিষ্ট্য যি মানুহক আন প্ৰাণীৰ পৰা পৃথক কৰি এক উচ্চস্থান প্ৰদান কৰে। মনৰ ভাব আদান-প্ৰদানৰ অবিহনে মানুহৰ পাৰস্পৰিক সম্পৰ্ক গঢ়ি উঠা অসম্ভৱ।

'ভাষা' শব্দটো সংস্কৃত 'ভাষ' ধাতুৰ পৰা নিষ্পন্ন হৈছে। ইয়াৰ অৰ্থ হৈছে ব্যক্তবাণী। ব্যক্তবাণীৰ অৰ্থ হ'ল স্পষ্ট আৰু পূৰ্ণ অভিব্যঞ্জনা। গতিকে ক'ব পাৰি যে ভাষা শব্দৰ প্ৰয়োগ কেৱল মানুহৰ ক্ষেত্ৰতহে প্ৰযোজ্য। ভাৱ প্ৰকাশৰ আন মাধ্যমৰ ক্ষেত্ৰত নহয়। ভাষা হ'ল মানুহৰ ভাৱ আৰু অনুভূতিৰ প্ৰকাশৰ এক সুন্দৰ মাধ্যম। মানুহৰ বাক্ শক্তিৰ উপৰিও আৰু এটা শক্তি নিহিত হৈ আছে। সেইটো হ'ল ভবা শক্তি। ভাব নহ'লে কেতিয়াও ভাষা নোলায়। ভাষাই হ'ল একমাত্ৰ বলিষ্ঠ মাধ্যম যাৰ জৰিয়তে মানুহে মনৰ ভাব-অনুভূতি প্ৰকাশ কৰিব পাৰে। ভাষা হ'বলৈ হ'লে বাগ্‌যন্ত্ৰৰ দ্বাৰা উচ্চাৰিত ধ্বনি প্ৰতীক হ'ব লাগিব। সাধাৰণ অৰ্থত ভাষা বুলিলে আমি মনৰ ভাব প্ৰকাশৰ মাধ্যমকে বুজো যদিও ভাষা বৈজ্ঞানিক দৃষ্টিভংগীৰে চালে সেইটোকহে ভাষা বুলি কোৱা হয় যিটো বাগ্‌যন্ত্ৰৰ দ্বাৰা উচ্চাৰিত হয়। সি যিয়েই নহওঁক ভাষা মানুহৰ এক আচৰিত ক্ষমতা। সেই ক্ষমতাৰ অধিকাৰী কেতিয়াৰ পৰা

কেনেকৈ হ'ল তাৰ উত্তৰ কোনেও দিব নোৱাৰে। বোবাই কিবা বুজাব খুজিলে অংগী-ভংগীৰে বুজাববলৈ চেষ্টা কৰে। ইয়াৰ মানে বোবাৰ মগজুতো কিছু চিন্তাই ক্ৰিয়া কৰে। গতিকে ক'ব পাৰি আমি কথা কোৱাৰ আগতে আমাৰ মগজুৰ এনে চিন্তাই কাম কৰে তাকে আমি আয়ত্ত কৰা ভাষা ৰূপত ধ্বনিৰ মাধ্যমত প্ৰকাশ কৰো। শিশু এটাই জন্মতে ভাষা এটা শিকি নাহে। পিছত লাহে লাহে মাকৰ পৰাহে ভাষা আয়ত্ব কৰে। এনেদৰে পিছুৱাই গৈ গৈ আমি আদিম মানৱৰ ওচৰ পাওঁ। তাৰ পিছত কোনো উত্তৰ নাই। কেৱল মাত্ৰ উত্তৰবিহীন হেজাৰটা প্ৰশ্ন। সেইবাবে পণ্ডিতসকলে ধাৰণা কৰে যে মানুহে যিদিনাই নিজৰ মনৰ অনুভূতিক আনৰ আগত প্ৰকাশ কৰিবৰ বাবে প্ৰয়োজনবোধ কৰিলে আৰু তাৰ মাধ্যম হিচাপে বাগযন্ত্ৰৰ দ্বাৰা উচ্চাৰিত ধ্বনিৰ আশ্ৰয় ল'লে সিদিনাই ভাষাৰ জন্ম হৈছে।

প্ৰত্যেক ভাষাৰে আকৌ একোটা উপভাষা থাকে। যেতিয়া এটা ভাষা বিস্তৃত অঞ্চল বিয়পি পৰে, তেতিয়া সেই অঞ্চলৰ বিশাল জনসমষ্টিয়ে সেই ভাষাটো ব্যৱহাৰ কৰিবলৈ লয়। ফলত বিস্তৃত অঞ্চলত বিয়পি পৰা ভাষাটোৱে লাহে লাহে ৰূপ, ধ্বনি, শব্দৰ ক্ষেত্ৰত ভিন ভিন ৰূপ ল'বলৈ আৰম্ভ কৰে। মূল ভাষাটোৰ আলম লৈ ভিন ভিন অঞ্চলত ভাষাৰ ভিন্ন ৰূপ দেখা যায়। এনে ভিন্ন ৰূপেই হৈছে উপভাষা। উপভাষা সৃষ্টিৰ কাৰণ কেইবাটাও। জনবসতিৰ গঠন প্ৰক্ৰিয়া, যাতায়াত আৰু প্ৰব্ৰজনৰ পথ, ৰাজনৈতিক, বাণিজ্যিক, শৈক্ষিক, ভৌগোলিক আদি। উপভাষা সৃষ্টিত ঐতিহাসিক, ভৌগোলিক, ৰাজনৈতিক, সাংস্কৃতিক আৰু সামাজিক কাৰণ নিহিত হৈ আছে। ডাঙৰ নদী, ডাঙৰ হাবি, পাহাৰ আদিয়ে উপভাষা সৃষ্টিত সহায় কৰে। জনসংখ্যা বৃদ্ধিয়েও এইক্ষেত্ৰত সহায় কৰা দেখা যায়।

পূব ভাৰতৰ অন্যতম অসমীয়া ভাষাটো যথেষ্ট প্ৰাচীন। খ্ৰীষ্টীয় সপ্তম শতিকাৰ আগভাগত চীনা পৰিব্ৰাজক হিউৱেন চাঙে কৰা উক্তিয়ে ইয়াৰ সাক্ষী— 'Their speech different a little from that of mid-India.' ড° বাণীকান্ত কাকতিদেৱে আৰ্য ভাষা সম্ভূত অসমীয়া ভাষাটো মাগধী প্ৰাকৃতৰ পৰা উদ্ভৱ হৈছে বুলি কৈছে। ড° গ্ৰীয়াচনৰ মতেও মাগধী প্ৰাকৃতেই প্ৰাচ্য প্ৰাকৃতৰ মূল বুলি মন্তব্য কৰিছে। সি যিয়েই নহওঁক মাগধী প্ৰাকৃত কামৰূপত খ্ৰীষ্টীয় ষষ্ঠ-সপ্তম শতিকাৰ পৰাই সুকীয়া ৰূপ পৰিগ্ৰহ কৰি অসমীয়া ভাষাৰো মূল ভেটিটো গঢ় লোৱাত সহায় কৰিছিল। প্ৰায় দশম-একাদশ শতিকামানত এই মাগধী অপভ্ৰংশৰ পৰা বঙলা, অসমীয়া, উড়ীয়া ভাষাই স্বকীয়তা লাভ কৰিবলৈ সক্ষম হয়। চৰ্যাপদে অসমীয়া ভাষাৰ আদি নিদৰ্শন দাঙি ধৰাত সহায় কৰে।

অসমীয়া ভাষাৰ মূলতঃ দুটা উপভাষা পোৱা যায়। এটা হৈছে পূব অঞ্চলৰ অৰ্থাৎ উজনিৰ উপভাষা আৰু আনটো পশ্চিম অঞ্চলৰ বা নামনিৰ উপভাষা। নামনি অঞ্চলৰ আকৌ ক্ষুদ্ৰ ক্ষুদ্ৰ কেইবাটাও আঞ্চলিক ৰূপ পোৱা যায়। যেনে— নলবৰীয়া, বৰপেটীয়া, পলাশবৰীয়া, গুৱালকুছীয়া আদি। সেই দৃষ্টিৰে চালে মধ্য অসম অৰ্থাৎ নগাঁও আৰু মৰিগাঁও জিলাতো ভাষাৰ এনে ক্ষুদ্ৰ ক্ষুদ্ৰ ৰূপ দেখা যায়। মধ্য অসমৰ অন্তৰ্গত মৰিগাঁও জিলাৰ পশ্চিম প্ৰান্তত অৱস্থিত ব্ৰহ্মপুত্ৰ আৰু কলং সুঁতিৰ সঙ্গমস্থলিত অৱস্থিত মায়ং অঞ্চলৰ ভাষাৰ মাজতো এক সুকীয়া ৰূপ ফুটি উঠা দেখা যায়। ৰাজনৈতিক, সামাজিক আদি বিভিন্ন কাৰণবশতঃ এই অঞ্চলটো উজনি আৰু নামনি এই দুয়োটা অঞ্চলৰ পৰা বিচ্ছিন্ন হৈ আছিল। বোধহয় সেইবাবেই ইয়াত ভাষাৰ সুকীয়ত্ব পৰিলক্ষিত হয়। যাতায়াতৰ অসুবিধাৰ বাবে মায়ং অঞ্চল অন্য অঞ্চলৰ লগত সামাজিকভাবে মিলামিছা কৰিব পৰা নাছিল। উত্তৰে বিশাল ব্ৰহ্মপুত্ৰ, পৰ্বত-পাহাৰ আদিয়ে মানুহৰ মাজত যোগাযোগৰ প্ৰধান অন্তৰায় আছিল। ইয়াৰ উপৰি এই ভূখণ্ড দ আছিল বাবেও ইয়াৰ জনবসতি কিছু সেৰেঙা আছিল। বৰ্তমান অৱশ্যে মায়ঙৰ যাতায়াত ব্যৱস্থা সুচল হৈছে আৰু ভিন ভিন অঞ্চলৰ সৈতে যোগাযোগ সম্ভৱ হৈছে।

পুৰণি কালৰে পৰা মায়ং অঞ্চলত বিভিন্ন ৰজা যেনে কামৰূপৰ হিন্দু ৰজা, কছাৰী, জয়ন্তীয়া, লালুং, কোচ ৰজা আদিয়ে ৰাজত্ব কৰা বুলি জানিব পাৰি। মায়ং মৌজাৰ উল্লেখযোগ্য গাঁৱৰ ভিতৰত ৰজামায়ং, হাতীমূৰীয়া, লোণমাটি, সতীভেটি, ঔগুৰি, বুঢ়ামায়ং, হিলৈখুন্দা, হাতীগড়, বুঢ়াবুঢ়ী আদিয়ে প্ৰধান।

মায়ং অঞ্চলত জনজাতি অথবা অজনজাতি সকলো শ্ৰেণীৰ লোক বিভিন্ন সময়ত অসমৰ বিভিন্ন ঠাইৰ পৰা আহি বসতি কৰিছে। নগাঁও, কামৰূপ, দৰং আদি ঠাইৰ পৰা মানুহবোৰ আহি স্থায়ীভাৱে থাকিবলৈ ধৰিলে। কোঁচ, কলিতা, কেওঁট, নাথ, বিহাৰী, বঙালী, মুছলমান আদি ভিন ভিন সম্প্ৰদায়ৰ বাসস্থান মায়ং। সেয়ে প্ৰতিটো সম্প্ৰদায়ৰে কথাৰ সুৰৰ ভিন্নতা দৃষ্টিগোচৰ হয়। কামৰূপৰ হাজো ৰামদিয়া অঞ্চলৰ পৰা অহা লোকৰ মুখত কামৰূপী শব্দ, দৰঙৰ পৰা

অহা লোকৰ মুখত দৰঙী সুৰ, নমঃশুদ্ৰ মানুহখিনিৰ চিলেটীয়া আৰু অসমীয়া মিহলি ভাষা, বড়ো মানুহৰ ভাষা, সকলোৰে যেন এক ভিন্নতা চকুত পৰে। প্ৰত্যেকৰে নিজ নিজ ভাষা থাকিলেও কিন্তু সংযোগী ভাষা হিচাপে অসমীয়া ভাষা ব্যৱহাৰ কৰে। মায়ং অঞ্চলৰ বিভিন্ন ঠাইৰ লোকে উমৈহতীয়াভাৱে অসমীয়া ভাষা কয় বা লিখে যদিও তেওঁলোকৰ কথিত ভাষাত পাৰ্থক্য দেখা যায়।

এই অঞ্চলৰ প্ৰধান উল্লেখনীয় দিশটো হ'ল জনজাতীয় ভাষাৰ প্ৰভাৱ আৰু উপাদান। জনজাতীয় লোকৰ বসতিস্থল হিচাপে বড়ো, কাৰ্বি আদি লোকসকলৰ ভাষাৰ প্ৰভাৱ যথেষ্ট পৰিব লাগিছিল যদিও তেওঁলোকে অসমীয়া ভাষাকে ব্যৱহাৰ কৰাৰ ফলত কম পৰিমাণে পৰা দেখা যায়।

মায়ঙৰ ভাষাৰ আন এক বৈশিষ্ট্য হ'ল পুৰণি অসমীয়া ভাষাৰ বহু বৈশিষ্ট্য অবিকৃত ৰূপত পোৱা যায়। বিশেষকৈ বৈষ্ণৱ যুগৰ সাহিত্য, প্ৰাক্-বৈষ্ণৱ যুগৰ সাহিত্য, বুৰঞ্জী সাহিত্য আদিত থকা বহু শব্দ মায়ঙৰ উপভাষাত ব্যৱহৃত হৈ থকা দেখা যায়। যেনে— আতা, আপি, লুম, হালি, লৰু, কাথি ইত্যাদি।

এই অঞ্চলৰ ভাষাৰ আন এক উল্লেখযোগ্য বিশেষত্ব হ'ল— কামৰূপী আৰু দৰঙী ভাষাৰ প্ৰভাৱ। ধ্বনিৰ ক্ষেত্ৰত, ৰূপৰ ক্ষেত্ৰত, শব্দৰ ক্ষেত্ৰত কামৰূপী উপভাষাৰ স'তে যথেষ্ট মিল থকা দেখা যায়।

মায়ঙৰ উপভাষাটো আচলতে এটা মিশ্ৰ ভাষা। বঙলা, নেপালী, কাৰ্বি, তিৱা, বড়ো, কছাৰী, কামৰূপী আদি কথিত ভাষাৰ উপাদানে ইয়াৰ ভাষাক সমৃদ্ধিশালী তথা বৈচিত্ৰ্যপূৰ্ণ কৰি তুলিছে। সেইবাবেই এই উপভাষাটোৰ লগত মান্য অসমীয়া ভাষাৰ কিছুমান সুকীয়া পাৰ্থক্য দেখা যায়। এই পাৰ্থক্যবোৰ ধ্বনিতত্বৰ ক্ষেত্ৰত, ৰূপতত্ব, শব্দতত্ব, বাক্যতত্ব আদি দিশত দেখা যায়।

**ধ্বনিৰ ক্ষেত্ৰত ঃ**

১/ মায়ঙৰ উপভাষাত স্বৰধ্বনিৰ হ্ৰস্ব আৰু দীৰ্ঘ স্বৰৰ মাজত পাৰ্থক্য নাই। যেনে— উৰহী> উৰহি।

২/ মায়ঙৰ উপভাষাৰ মান্য ভাষাৰ দৰে বিশিষ্ট স্বৰধ্বনি আঠোটাই পোৱা যায়। কিন্তু মায়ঙৰ উপভাষাত প্ৰায়ে অ> আ, কিয়> কিয়া, এ> আ, ই, যেনে গ'ল নে> গলনা, এতিয়া> ইতিয়া, ঐ> অ, কৈছো> কছং, আ> ই, মেখেলা> মেখেলি, ও>অ, খাইছো> খাছং, ঔ> অ ঔষধ> অখুদ, যৌতুক> যতক, আদি হোৱা দেখা যায়।

৩/ মায়ঙৰ উপভাষাত দ্বিস্বৰ আৰু ত্ৰিস্বৰৰ প্ৰয়োগ আছে। যেনে শিপা> সিআ, বিয়ে> বিআই।

৪/ ব্যঞ্জন ধ্বনিৰ ক্ষেত্ৰত খ> স হয়। যেনে খালো> সালোং> সলেং।

**ৰূপতত্বৰ ক্ষেত্ৰত ঃ**

১/ প্ৰথম পুৰুষৰ বিভক্তি ওঁ, ঙ অঙ হোৱা দেখা যায়। যেনে যাওঁ> যাং, খাও> খাং।

২/ চতুৰ্থী বিভক্তি লৈ>ক। যেনে— কলেজলৈ যাওঁ> কলেজক যাং। তোলৈ আনিছো> তলাগি আনিছং।

৩/ পঞ্চমী বিভক্তি পৰা কেতিয়াবা পে, বা পেৰে হয়। যেনে তোৰ পৰা> তোৰ পে, তোৰ পেৰে।

৪/ মায়ঙীয়া উপভাষাত বহুবচনাত্মক শব্দ— গিলা, ঝাক, বাহা, মুহা, সপা, আদি সুকীয়া প্ৰত্যয়ৰ প্ৰয়োগ হোৱা দেখা যায়। যেনে— চনাসপা, মৌবাহা, মানুহগিলা, পাৰঝাক আদি।

৫/ মূল শব্দৰ পাছত নিৰ্দিষ্টতাবাচক প্ৰত্যয় টো> তু, জনী> জেনী, জনি ব্যৱহাৰ হয়। যেনে ল'ৰাটো> লৰাতু, মানুহজনী> মানুহজেনী, মানুহজনি।

৬/ অনিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ব্যৱহাৰ কম যদিও কেতিয়াবা দুই এটা প্ৰয়োগ মন কৰিবলগীয়া। যেনে মান> মন, কেইটামান> কেইটামন।

৭/ ধাতুৰ ক্ষেত্ৰতো দুই এটা সুকীয়া ধাতু পোৱা যায়। যেনে √ফিৰ, √ভুৰুকা, √ফেলা, √থেকেনা আদি।

মায়ঙৰ উপভাষাত শব্দৰ ক্ষেত্ৰতো সুকীয়া ৰূপ পৰিগ্ৰহণ কৰা দেখা যায়। শৰীৰৰ অংগ-প্ৰত্যংগ বুজোৱা, সম্বন্ধবাচক, শাক-পাচলি, ফল-ফুল সম্পৰ্কীয়, জীৱ-জন্তু, চৰাই-চিৰিকতি, পোক-পতংগ, গছ-গছনি, মাছ-সৰীসৃপ, ঘৰুৱা শব্দ, খাদ্য, কানি-কাপোৰ, বিশেষণ, ক্ৰিয়া বিশেষণ, অন্যান্য আদি শব্দৰ দিশত মায়ঙৰ ভাষাই এক সুকীয়ত্ব লাভ কৰিছে। যেনে— মাহী>মাহই, খুড়া>দদৌ, কিলাকুটি>কিলাকনি, থুঁতৰি>ধুতুৰি>ধেথুৰি, সৌঁহাত>আগহাত, খৰিচা>গাজটেঙা, মৰিছা>দাথা, ৰঙালাউ>ৰঙাকুমুৰা, আমলখি>আমলখু>তিফিলা, কুঁহিয়াৰ>কোহাৰ, মাছৰোকা>মাছলংকা, পোক>পক, কাৰৈ>কুৰাই, কেঁকোৰা>কাকৰ, নাৰ্জিফুল>কাকতিফুল, জবাফুল>দাৰিয়াফুল, ভৰাল>ভখাৰি>মেৰ, খীণ>কেলেঙা, এইফালে>ইদিগি, ইমান>ইমন, অসুবিধা>অচল, ধোৱা>ধঙা,

চকা>চাকা, গড়খাবৈ>খান্তা ইত্যাদি।

অৰ্থৰ দিশতো মায়ঙৰ উপভাষাত সুকীয়া বৈশিষ্ট্য বজাই ৰখা দেখা যায়। যেনে— মান্য ভাষাত 'বতৰ' শব্দই সামগ্ৰিক বতৰৰ অৱস্থা বুজায়। কিন্তু মায়ঙৰ ভাষাত 'বতৰ পৰা' মানে বৰষুণ দিয়া অৰ্থ প্ৰকাশ কৰে।

বাক্যতত্ত্বৰ ক্ষেত্ৰতো মায়ঙৰ উপভাষাই এক নিজস্ব গতি লোৱা দেখা যায়। যেনে গ'লো যদি গ'লো, তাকে কৈ ফুৰিব লাগেনে? (মান্য) গলং যদি গলং তাকে কৈ ফুৰিবা লাগে না (মায়ং)। ডংৰ পাৰত গোটেইবাহা ৰসি আছেই। গাঙখনৰ গোটেইবাহা মানুহ আহি নামঘৰত নাম ধৰিছিল আদি।

ওপৰৰ আলোচনাৰ পৰা এটা কথা প্ৰতীয়মান হ'ল যে মায়ং অঞ্চলৰ ভাষাত আন ভাষাৰ প্ৰভাৱ পৰিয়ে হওক বা এক সম্পূৰ্ণ নিজস্বতাৰে হওক এক সুকীয়া ৰূপ গ্ৰহণ কৰিবলৈ সক্ষম হৈছে। আন অঞ্চলত ব্যৱহাৰ হোৱা কিছুমান স্থানীয় সুকীয়া বিশেষত্ব থকাৰ দৰে ইয়াতো সুকীয়া ৰূপ লাভ কৰা পৰিলক্ষিত হয়। মায়ঙৰ ভাষাটোক এটা উপভাষা বুলি ক'ব পৰাকৈ আঞ্চলিক বৈশিষ্ট্য থকা দৃষ্টিগোচৰ হয়। মায়ং এখন পৃথিৱী বিখ্যাত যাদুৰ দেশ, পঞ্চগোসাঁইৰ দেশ, ৰজাৰ দেশ; এক ঐতিহ্যপূৰ্ণ ঠাই। চাৰিওফালে সৰু সৰু পাহাৰ, বিল, জলাশয়ৰ প্ৰাকৃতিক সৌন্দৰ্যৰে পৰিপূৰ্ণ মোহনীয় এই মায়ং এশিঙীয়া গঁড়ৰ বিচৰণভূমি পবিতৰা অভয়াৰণ্যই এক নান্দনিক সৌন্দৰ্য প্ৰদান কৰি আহিছে। সকলো দিশতে ইমান চহকী এই মায়ঙৰ যেন ভাষাটোৰ কথা কোনেও দৃষ্টিপাত কৰা নাই, দুই-এজন গৱেষকৰ বাহিৰে। বিশিষ্ট গৱেষকসকল এই দিশত আগবাঢ়ি আহিলেহে মায়ঙক আমি পূৰ্ণাঙ্গ ৰূপত পাব পাৰিম। এই আশাত আমি আশাবাদী। থোৰতে ক'বলৈ হ'লে মায়ঙৰ মাতকথা, মানুহৰ মৰম-চেনেহ, সৰলতাই অসমীয়া ভাষা-সাহিত্যৰ পথাৰখনত যথেষ্ট অৰিহণা যোগাই আহিছে। আগ্ৰহী গৱেষকসকলৰ বাবে যেন গভীৰ আশাৰে মায়ঙে বাট চাই আছে।◆


*সহায়ক গ্ৰন্থঃ*

*১। গোস্বামী ড° উপেন্দ্ৰ নাথ ঃ ভাষাবিজ্ঞান*

*২। পাটগিৰি ড° দীপ্তিফুকন (সম্পা.) ঃ অসমীয়া ভাষাৰ উপভাষা*

*৩। নাথ জীৱকান্ত ঃ মায়ঙীয়া উপভাষা*

# মায়ঙীয়া লোকভাষা

বৃষ্টি কলিতা
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

**অৱতৰণিকা ঃ** পৃথিৱীৰ আটাইবোৰ প্ৰাণীৰ ভিতৰত মানুহেই হৈছে বিচাৰ-বুদ্ধি-সম্পন্ন, বিবেকবান আৰু বাগিন্দ্ৰিয়ৰ দ্বাৰা ধ্বনি উচ্চাৰণ কৰিব পৰা জীৱশ্ৰেষ্ঠ প্ৰাণী। মানুহে নিজৰ মনৰ ভাব-অনুভূতি সুখ-দুখ,আনন্দ-বিষাদ, বিৰহ-বেদনা ইত্যাদি বিভিন্ন অনুভূতি প্ৰকাশ কৰিবলৈ ধ্বনিৰ সহায়ত বিভিন্ন শব্দৰ সহায়েৰে কিছুমান বাক্য গঠন কৰে ইজনে সিজনৰ মনৰ ভাব বুজাত সহায় হোৱাৰ উদ্দেশ্যে। এনেদৰেই জীৱশ্ৰেষ্ঠ মানুহৰ মুখত সৃষ্টি হয় ভাষাৰ । মানুহৰ বাহিৰে আন জীৱ জন্তুৰ ভাষা সৃষ্টি কৰাৰ প্ৰৱণতা দেখা নাযায়। অৱশ্যে জীৱ জন্তুৱে বিবিধ শব্দৰ সহায়ত নিজৰ ভাব-অনুভূতি প্ৰকাশ কৰিবলৈ চেষ্টা কৰে বুলি অনুমান হয়।

ভাষা বিষয়ক আলোচনাত সাম্প্ৰতিক সময়ছোৱাত 'লোকভাষা' বিষয়টোৱে ব্যাপক চৰ্চাৰ মাজলৈ অহা পৰিলক্ষিত হৈছে। লোকসাহিত্য যিদৰে সমাজৰ অনাখৰী গাঁৱলীয়া লোক-সমাজৰ দ্বাৰা সৃষ্ট ঠিক তেনেদৰে লোকভাষাও সমাজৰ সেই একে শ্ৰেণীৰ লোকৰ দ্বাৰাই সৃষ্ট বুলি ক'ব পাৰি। লোকভাষাৰ বিষয়টোৱে বহুতো দিশ সামৰি লয়। সহজ অৰ্থত ক'বলৈ গ'লে লোকভাষা লোক-সাহিত্যৰ সৈতে নিবিড়ভাৱে সংপিক্ত হৈ আছে। লোক-সাহিত্য, লোকভাষা, লোককথা এই আটাইকেইটাই পৰস্পৰৰ পৰস্পৰ সৈতে সাঙুৰ খাই আছে। ওপৰোক্ত আটাইকেইটা বিষয়ৰ লগতে সহজ সৰল অনাখৰী গাঁৱলীয়া মানুহৰ স্বাভাৱিক বচন-ভংগী বাক শৈলী জড়িত হৈ আছে। ই লোক-সমাজৰ মুখ নিঃ সৃত,আনুষ্ঠানিক শিক্ষাৰ দ্বাৰা ইয়াক পৰিমাৰ্জিত ৰূপ দিয়া নহয়। সেই গতিকে লোকভাষাত কোনোধৰণৰ আড়ম্বৰতা নাথাকে।

মায়াঙীয়া ভাষাত লোকভাষাৰ অজস্ৰ সমল ঠাঁই খাই আছে বুলি কলেও অত্যুক্তি কৰা নহ'ব। বিভিন্ন দিশত পৰ্যবেক্ষণ কৰিলে মায়ঙীয়া লোকভাষাৰ স্বকীয় বৈশিষ্ট্য সমূহ ফুটি উঠে। দৈনন্দিন জীৱনৰ প্ৰায়ভাগ দিশতে এই বৈশিষ্ট্য বিদ্যমান।

**অধ্যয়নৰ উদ্দেশ্য ঃ**

মায়ঙীয়া লোকভাষাৰ মাজেৰে মায়ং অঞ্চলত বাস কৰা জনসাধাৰণৰ সামাজিক সাংস্কৃতিক জীৱনবোধ প্ৰকাশিত হোৱাৰ লগতে মায়ঙীয়া সমাজখনৰ দৈনন্দিন জনজীৱনৰ বিভিন্ন দিশ উন্মোচিত হয়। সেই দিশসমূহ, যিসমূহে মায়ঙৰ সমাজ-সংস্কৃতিক প্ৰতিফলিত কৰিছে সেইসমূহ উলিয়াই অনাটো অতিকে আৱশ্যকীয়। যাদুৰ দেশ ৰূপে খ্যাত মায়ঙৰ লোকভাষাৰ সমলসমূহ উদ্ধাৰ কৰি উলিয়াই অনাৰ উদ্দেশ্যে এই গৱেষণা ধৰ্মী প্ৰবন্ধ লিখিবলৈ ক্ষুদ্ৰ প্ৰয়াস কৰা হৈছে।

**অধ্যয়নৰ পদ্ধতি ঃ**

মায়ঙীয়া লোকভাষাৰ বৈচিত্ৰ্য অধ্যয়নৰ ক্ষেত্ৰত সমাজ ভাষাবিজ্ঞান, ক্ষেত্ৰভিত্তিক অধ্যয়ন আৰু বিশ্লেষণমূলক পদ্ধতিৰ মাজেৰে বিষয়টো আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

**অধ্যয়নৰ পৰিসৰ ঃ** মায়ঙীয়া লোকভাষা অতিশয় বিশেষত্বপূৰ্ণ আৰু বৈচিত্ৰময়। এটা নিৰ্দিষ্ট গণ্ডীৰ ভিতৰত মায়ঙীয়া লোকভাষাক সামৰি ল'ব নোৱাৰি। পূৰ্বতে উল্লেখ কৰা হৈছে যে দৈনন্দিন জীৱনৰ বিভিন্ন দিশত লোকভাষাৰ বিষয়টো অন্তৰ্ভুক্ত হৈ আছে। এই আটাইবোৰ বৈচিত্ৰময় বিষয় উদাহৰণ সহকাৰে অধ্যয়নৰ মাজত সামৰি লোৱা হব। মায়ং বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি। বড়ো, কাৰ্বি ৰাভা, নেপালী, বঙালী আদি বিবিধ জাতি-সম্প্ৰদায়ে ইয়াত বাস কৰে। (লোকভাষাৰ দিশটো আমাৰ এই ক্ষুদ্ৰ লিখনিত সেই বিষয়যো এৰাই চলা হ'ব।) বিভিন্ন দিশৰ প্ৰতি লক্ষ্য ৰাখি লগতে ভৱিষ্যত আলোচনাৰ বাবে থল ৰাখি ক্ষুদ্ৰ পৰিসৰৰ ভিতৰতে বিষয়টি সামৰি লোৱাৰ চেষ্টা কৰা হ'ব।

**মূল বিষয়ৰ আলোচনা ঃ** এক বিশেষ আঞ্চলিক সীমাৰেখাত বাস কৰা কোনো এক ভাষা-সম্প্ৰদায়ৰ মাজত লোকভাষাৰ প্ৰচলন দেখা যায়। লোকভাষা মাৰ্জিত নহয় আৰু ইয়াৰ কোনো এক ভাষা-সম্প্ৰদায়ৰ মাজত লোকভাষাৰ প্ৰচলন

দেখা যায়। লোকভাষা মাৰ্জিত নহয় আৰু ইয়াৰ কোনো ব্যাকৰণিক নীতি-নিয়ম নাই। সাধাৰণতে গ্ৰাম্যাঞ্চলত স্বতন্ত্ৰভাৱে বাস কৰা শিক্ষা আৰু আধুনিকতাই স্পৰ্শ কৰিব নোৱাৰা বয়োজেষ্ঠ লোকসকলেই লোকভাষাৰ ধাৰক আৰু বাহক। লোকভাষৰা অন্যতম বৈশিষ্ট্য হ'ল ই একোটা আঞ্চলিক উপভাষাতে অঞ্চল বিশেষে ভিন ভিন ৰূপ ল'ব পাৰে। ইয়াৰ উপৰিও অন্য ক্ষেত্ৰতকৈ নিষিদ্ধ ভাষাৰক্ষেত্ৰত লোকভাষাৰ প্ৰভাৱ অতি স্পষ্ট। অৱশ্যে এইখিনিতে উল্লেখযোগ্য যে লোকভাষা কোনো আধুনিক বিশেষ অঞ্চলৰ উপভাষা নহয়। দুই এক আধুনিক ভাষা বিজ্ঞানীয়ে ইয়াক গ্ৰাম্যভাষা বুলিও অভিহিত কৰিব বিচাৰে।

লোক সাহিত্যৰ ভাষাই হৈছে লোকভাষা। বহুতে লোকভাষাক উপাভাষাৰ ৰূপ বুলি ক'ব খোজে। কিন্তু প্ৰকৃততে লোকভাষা উপভাষা নহয় আৰু উপভাষাও লোকভাষা নহয়। একোটো শব্দ বা বাক্যৰ সমান্তৰাল ভাৱে আন এটা (প্ৰাচীন) বা নৱনিৰ্মিত শব্দৰ সীমিত অৰ্থত প্ৰয়োগ হোৱা ৰূপে লোক-ভাষা।

লোক সমাজত প্ৰচলিত লোকোক্তি, লোকনাম, নাৰী পুৰুষৰ ভাষা, শিশুৰ ভাষা, গালি-শপনি, খাদ্য-বস্ত্ৰ, বিবিধ বিভূষণ, দেৱতাক আৰাধনা কৰা বিষয়, ফঁকৰা যোজনা ইত্যাদি বিভিন্ন বিষয়ত লোকভাষাৰ উপাদান অৰ্ন্তভুক্ত হৈ আছে।

লোকভাষাক সমাজ ভাষা বিজ্ঞানৰ দৃষ্টিৰেও আলোচনা কৰিব পাৰি। কোনো এটা ভাষিক অঞ্চলৰ বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত প্ৰচলিত কথিত ৰূপৰ বিজ্ঞানসন্মত আলোচনাই হৈছে সমাজ ভাষা বিজ্ঞান। সমাজ ভাষা বিজ্ঞানৰ আলোচনাত সমাজৰ বিভিন্ন বৃত্তিভেদে , শ্ৰেণীভেদে, ব্যক্তিভেদে, লিংগভেদে, স্তৰভেদে ইত্যাদি বিষয় সামৰি লোৱা হয় । যিবোৰ বিষয় লোকভাষাৰ ক্ষেত্ৰটো সমানেই প্ৰযোজ্য। সেয়ে লোকভাষাৰ অধ্যয়ন নকৰাকৈ সমাজ ভাষা বিজ্ঞানৰো অধ্যয়ন অসম্ভৱ। ভাষা বিজ্ঞানৰো অধ্যয়ন অসম্ভৱ।

মায়ঙীয়া লোকভাষাৰ পৰিসৰ অতি বিস্তৃত। লোক সমাজত প্ৰচলিত লোকোক্তি, ফঁকৰা-যোজনা, গালি-শপনি, চুপতা-চুপতি, নামকৰণ, নিষিদ্ধ অৰ্থ আৰু অন্যান্য বহুতো দিশত লোকভাষাৰ বিষয়তো আলোচনাৰ মাজলৈ আনিব পাৰি।

**মায়ঙীয়া লোকভাষাত লোকনাম ঃ**

মায়ঙীয়া লোকভাষাত লোকনামৰ সক্ৰিয়তা অতি গুৰুত্বপূৰ্ণ। মায়ঙীয়া লোকনামৰ ক্ষেত্ৰত বিভিন্ন কাৰকে প্ৰভাৱ পেলায়। কিছুমান নাম জন্মৰ দিন বাৰ লক্ষ্য কৰি, ব্যক্তিজনৰ চাল-চলন, স্বভাৱ-চৰিত্ৰৰ প্ৰতি লক্ষ্য ৰাখি নামকৰণ কৰা হয়। আকৌ লোকনামৰ ক্ষেত্ৰত কেতিয়াবা ব্যক্তিজনৰ অজ্ঞাতে কিছুমান উপকৰুৱা নাম দিয়া হয়। বংশ, পৰিয়ালৰ বৃত্তিক লৈও উপনাম কিছুমান প্ৰদান কৰা হয়। আকৌ অতিপাত মৰম-চেনেহৰ বাবেও শুভ নামতকৈ একোটা উপনাম দিয়া-লোৱা ৰীতি মায়ঙত প্ৰচলিত। ঠিক সেইদৰে জন্মৰ তিথি অনুসৰিও নামকৰণ কৰা ৰীতি মায়ঙত প্ৰচলিত। তদ্ৰুপ একেখন ঘৰৰে কেইবাটাও সন্তান থাকিলে জ্যেষ্ঠতাৰ ভিত্তিত পৰিয়াল তথা ওচৰ-চুবুৰীয়া লোকে বুজিব পৰাকৈ একোটা উপনাম দি লোৱা ৰীতিও মায়ঙত প্ৰচলিত।

**বাৰ লৈ প্ৰচলিত লোকনাম**

| | *পুৰুষৰ ক্ষেত্ৰত* | *মহিলাৰ ক্ষেত্ৰত* |
|---|---|---|
| সোমবাৰে জন্ম পোৱা | সোমবৰ, সোমেশ্বৰ | সোমৰবী, সোমেশ্বৰী |
| মঙ্গলবাৰে জন্ম পোৱা | মঙলু | মঙলী, মহেশ্বৰী |
| বুধবাৰে জন্ম পোৱা | বুধবৰ | বুধেশ্বৰী, বুধবৰী |
| শুকুৰবাৰে জন্ম পোৱা | শুকুৰবৰ | শুকুৰী |
| শনিবাৰে জন্ম পোৱা | শনিবৰ | শনিবৰী |
| দেওবাৰে জন্ম পোৱা | দেওবৰ | দেওবৰী |

বৃহস্পতিবাৰে জন্ম পোৱা মানুহৰ ক্ষেত্ৰত বিশেষ নামকৰণৰ প্ৰচলন নাই। অৱশ্যে বৃহস্পতি বাৰটো লক্ষ্মীৰ দিন ৰূপে মনা হয় বাবে স্ত্ৰী-পুৰুষ উভয়ৰে ক্ষেত্ৰত লক্ষী নামটোৰ প্ৰচলন দেখা যায়।

**জন্ম মাহকলৈ প্ৰচলিত লোকনাম ঃ**

| *মাহ* | *পুৰুষৰ ক্ষেত্ৰত* | *মহিলাৰ ক্ষেত্ৰত* |
|---|---|---|
| ব'হাগ | বিহুবৰ | ব'হাগী |
| আহাৰ | আষাৰো | আষাৰী |
| শাওন | শাওনা | শাওনী |
| ভাদ | ভদৌ, ভদ্ৰেশ্বৰ | ভাদৈ |
| আহিন | আহিনা | আহিনী |
| কাতি | কাতিয়া | কাতিদৈ |
| আঘোন | আঘোনা | আঘোনী |
| পুহ | পুহবৰ | পুহেশ্বৰী |
| মাঘ | মাঘুৱা | মাঘেশ্বৰী |
| ফাগুন | ফাগুনা | ফাগুনী |
| চ'ত | চতিবৰ | চ'তিমাই |

**সময়-তিথিলৈ প্ৰচলিত লোকনাম ঃ**

ৰাতিপুৱা সময়ত জন্ম পালে নাৰীৰ ক্ষেত্ৰত পূবালী নামে নামকৰণ কৰা হয়। আকৌ সন্ধিয়া সময়ত জন্ম পালে গধূলি আৰু সন্ধ্যাৰাণী নাম নামকৰণ কৰা হয়। সেইদৰে ৰাতি জন্ম হোৱা পুৰুষৰ ক্ষেত্ৰত ৰাতিবৰ আৰু মহিলাৰ ক্ষেত্ৰত ৰাতিদৈ শীৰ্ষক লোকনাম মায়ং অঞ্চলত প্ৰচলিত।

কোনো কোনো ক্ষেত্ৰত মৰম-চেনেহ সতি সন্ততিক কিছুমান নামেৰে নামকৰণ কৰা হয়। এনে নামক সাধাৰণতে উপনাম বুলি ক'ব পাৰি। এই ধৰণৰ উপনামসমূহ ইমানেই বেছি জনপ্ৰিয় হৈ পৰে যে পৰিয়াল কিম্বা ওচৰ-চুবুৰীয়া লোকে মৰমতে সম্বোধন কৰোঁতে আচল নাম হেৰাই গৈ এই উপনাম বা ডাকনামেৰে পৰিচিত হৈ উঠে। আইতু, আইমনি, আইজনী, আইকণ, মাইকণ ইত্যাদি ছোৱালীৰ ক্ষেত্ৰত প্ৰচলিত এনেধৰণৰ ডাকনাম। ঠিক সেইদৰে নতুনকৈ জন্ম পোৱা সন্তানক মৰমতে দেহা, দেহটো, জীৱটো আদি নামেৰে মতা হয়।

সাম্প্ৰতিক সময়ত মায়ং অঞ্চলত জ্যেষ্ঠ ভাতৃ বা জ্যেষ্ঠা ভগ্নীৰ নামৰ পিছত দা- কা- বাই- বা আদি ৰীতি সম্বোধনেৰে মতা ৰীতি প্ৰচলিত—

দা - কা ঃ জান্তিদা, উৎপলদা, ধ্ৰুবকা ইত্যাদি

বাই- বা ঃ ৰুনুবাই, দীপাবাই, শেৱালী বা ইত্যাদি।

মানুহৰ নাম বা উপাধিৰ সৈতে কিছুমান শব্দাংশ যোগ কৰি কেতিয়াবা ব্যক্তিজনক অধিক মান্যতা প্ৰদান কৰা হয়। তেনে শব্দাংশৰ ভিতৰত বাবু, দেও, প্ৰভু , বৰাদেও ইত্যাদি।

মান্যতা বুজাবলৈ শব্দাংশ ব্যৱহাৰ কৰাৰ দৰে হীন অৰ্থ সূচাবলৈও কিছুমান শব্দাংশ ব্যৱহাৰ কৰা হয়। যেনে-একো জ্ঞান নথকা ব্যক্তি এজনকো কেতিয়াবা (বৰ জ্ঞানী মহাপুৰুষ ওলাইছে একেবাৰে) মিছা কথা কোৱা লোক এজনকো ধৰ্ম যুধিষ্ঠিৰ, স্বভাৱ-চৰিত্ৰত দোষ থকা মহিলাক বৰ সতী সাবিত্ৰী ওলাইছে একেবাৰে, আকৌ এলেহুৱা , ফুটনী মাৰি ফুৰা মহিলাক লাট চাহাবৰ বেটি আদি বিভূষণ দিয়া হয় হীনতাসূচক মন্তব্যৰে। মায়ঙীয়া সমাজখনত ব্যক্তি বিশেষৰ স্বভাৱ চৰিত্ৰ বা বৃত্তিৰ লগত জড়িত কৰিও নামকৰণ কৰা হয়—

যেনে ঃ <u>ৰবিন মাষ্টৰৰ</u> ঘৰৰ পৰা অহিলং।

<u>নৱ তালভক</u> ৰাস্তাতে ধৰি পিতিলং।

<u>অকন মহাজনক</u> কথাকে ক'ব নোৱাৰি বৰ একা চেকা

অন্যান্য ব্যক্তিৰ নাম ঃ

কাণ্ডুৱা (সৰুতে বৰকৈ কান্দি থকা ল'ৰা)

ফেঁচা-ফেঁচী (নাক চেপেটা হৈ জন্ম লোৱা)

মুখ বেকী - বান্দৰী (মুখখন বান্দৰৰ নিচিনা)

বাঘ-বাঘিনী (বৰ দুষ্টাৰী কৰা ল'ৰা-ছোৱালী)

ডাংকাটি (দুষ্ট প্ৰকৃতিৰ)

ছাগলীমুৱা ( বেছিকৈ ছেল-ছেলাই কথা কোৱা)

থুপুকী-শামুকী ) চুটি চাপৰ সৰু মহিলা)

কাটিয়া (চুটি চাপৰ পুৰুষ)

বাওনা বাওনী(চাপৰ মানুহ)

শুকানী (স্বাস্থহীন ছোৱালী)

লেন্তুৰা লেন্তুৰী, খেদেলা খেদেলী, লেধেপী ইত্যাদি।

**স্থান নামী ঃ**

ধিঙালী ছোৱালী (ধিঙৰ পৰা বিয়া কৰায় অনা ছোৱালী)

কালশিলাপুৰানী (কালশিলাৰ পৰা বিয়া কৰায় অনা ছোৱালী)

মায়ঙীয়ানী (মায়ঙৰ পৰা বিয়া কৰায় অনা ছোৱালী)

হাতীমূৰীয়ানী ( মায়ঙৰ হাতীমূৰীয়াৰ পৰা বিয়া কৰায় অনা ছোৱালী)

ৰজামায়ঙনী (ৰজামায়ঙৰ পৰা বিয়া কৰায় অনা ছোৱালী)

**অন্যান্য ভাষাগত নাম ঃ**

শুভ, কলিমন, আঘোনা, কেৰেপা, কাটিয়া, মেদা, সাধুৰাম,ভগী, মেলেং, চেপা ইত্যাদি।

**নাৰীৰ ক্ষেত্ৰত ঃ**

চেংদৈ, ৰংদৈ, খংদৈ, পতি, ছেলমাই, পতেশ্বৰী, লাহেশ্বৰী, কাঁহেশ্বৰী, শুভেশ্বৰী, মহেশ্বৰী, পিৰিকি, পিতিকি, নমাই, ৰাতি বুঢ়ি, ভগি, এথেপি, নিশাৰী,কলিমাই, ৰতনী।

মায়ঙীয়া লোক ভাষাত কেতিয়াবা কেতিয়াবা সন্তান নামৰ উদাহৰণো দেখা যায় অৰ্থাৎ সন্তানৰ নাম ধৰি গিৰিয়েকে ঘৈণীয়েকক, ঘৈণীয়েকে গিৰিয়েক আৰু ওচৰ চুবুৰীয়াও ইজনে সিজনক মাত বোল কৰা দেখা যায়।

যেনে - ঐ ধ্ৰুৱৰ বাপেক ক'ত গৈছিলি একা ?

অ' বৰ্ণালীৰ মাক ক'ত নো মাকো মাৰি আছ?

আকৌ গিৰিয়েক ঘৈনীয়েকৰ কথা ক'লে আমাৰজনী আৰু ঘৈণীয়েকক গিৰিয়েকৰ কথা ক'লে আমাৰটো এনেদৰে শব্দ উচ্চাৰণ কৰে।

**মায়াঙীয়া লোকভাষাত গালি-শপনি ঃ**

অসমৰ অন্যান্য ভাষাৰ দৰে মায়ঙীয়া লোকভাষাতো অসংখ্য গালি-শপনিৰ প্ৰয়োগ হৈ আহিছে। এনে গালি-শপনিৰ ভিতৰত কিছুমান অতি প্ৰাচীন আৰু কিছুমান সম্প্ৰতিক সময়ৰ বুলি অনুমান কৰিব পাৰি। গালি-শপনিবোৰ লোকভাষাৰ অমূল্য

সম্পদ। অসমীয়া সাহিত্যিকসকলৰ ৰচনাতো গালি-গালাজ , শাও-শপনিৰ ব্যৱহাৰ অপৰ্যাপ্ত ৰূপত পোৱা যায়। মায়ং অঞ্চলত বাস কৰা বিভিন্ন জাতি বৰ্ণ সম্প্ৰদায় ভেদে গালি-শপনিবোৰো ভিন ভিন হয়। একেদৰে পুৰুষ স্ত্ৰী ভেদেও গালি-শপনিবোৰ ভিন ভিন হয়। ইয়াৰ কাৰণ হিচাপে পুৰুষ নাৰীৰ সুকীয়া মনস্তাত্বিক দিশটোৰ কথা অনুকীয়াব পাৰি। সেইবাবে মায়ঙীয়া লোকভাষাত নাৰী-পুৰুষ ভেদে প্ৰায় ক্ষেত্ৰত বিভিন্নতা দেখা যায়। পুৰুষে ব্যৱহাৰ কৰা গালি শপনিবোৰ নাৰীয়ে কাচিৎহে ব্যৱহাৰ কৰে। আকৌ নাৰীয়ে ব্যৱহাৰ কৰা গালি-শপনিবোৰ পুৰুষে খুব কমহে ব্যৱহাৰ কৰে । অৱশ্যে কিছুমান গালি - গালাজৰ ভাষা উমৈহতীয়া।

মায়ঙীয়া লোকভাষত ব্যৱহাৰ হোৱা গালি শপনিবোৰ তলত আলোচনা কৰা হ'ল—

পুৰুষৰ গালি-গালাজৰ ভাষা ঃ নাৰদীয়, টাটকীয়া

কেলা (সাম্প্ৰতিক সময়ত পুৰুষৰ মাজত বহুলভাবে চলিত)

মাৰপোহা , বে, আবে, চালা, পাষণ্ড, কুকুৰৰ জাত, চোঁৰৰৰ জাত, বেল বুং, গোলামৰ জাত, লাওমোৰা, বাঘৰমুখত চোৰা, লম্পট, কুৰ্ক, শগুনে খোৱা, মেখেলা গুঁজিব যোৱা, শিয়ান কুলি।

**নাৰীৰ মাজত প্ৰচলিত ঃ** পৈয়েৰৰ মূৰ খাইটি, মাকো মাৰতী, পেট পচইতী, জহৰী, বনৰী, নাককাটী, কাঙৰী,বেশ্যানী, মাউৰত যাইতী, কঠবাজী, নৰকী, তেজখাইটি, চুৰা খাইটি, মেখেলাৰ কোব খাইটি, বাঢ়নীৰ কোব খাইটি, কুকুৰণী, কলৰাত যাইটি, অবতলী, গজমুৰী, শাংখিনী, নাটেশৰী, ৰাৱনী, হস্তিনী, ডাইনী, শাখনী, ভূতুনী, ৰাক্ষহিনী, হাৰামী, বাঘৰ পিথল খাইটি, জাপৰী, ফেঁচানাকী।

**উভয়ৰ ক্ষেত্ৰত প্ৰযোজ্য ঃ** মদগৰ্বী, গুন্দ, মনৰা, বনৰী, বাবে বনৰা, বাৰেবনৰী, মাৰৰ মূৰ চোবোৱা, বাপেৰৰ মূৰ চোবোৱা, নিলাজৰ কঠিয়া, মূখত মুতি দিম, গাতত পেলা, নৰকত পচা হাগা গু খোৱা, মাৰৰ মুত খোৱা, মুটনী খোৱা, নিমখ হাৰামী, ভেটি উচন হোৱা, অধম, নাল যোৱা, বিষৰ গুটি, খাই পাট ফলাৰ জাত, ভেটিত শিয়ালে হাগিব, মাছ কটা দি, একে গুৰে পেট ভাঙিম, থিয়ই লেংটা কৰাম, একে চৰে দাঁত ভাঙি দিম, কলিজা, কাটি শিয়াল কুকুৰক খুৱাম, একে চৰে পাক পাক ঘূৰাই দিম, তপত তেলত দিম, টকনাৰ জাত, হতচিৰি যোৱা, চৰত মাৰ বাপেৰৰ বিয়া দেখুৱাই দিম ইত্যাদি।

নাৰীৰ তলতীয়া বা নাৰী সুলভ আচৰণক উপলুঙা কৰা, চপনীয়া, তিৰিসেৰোৱা, গভীৰা থাকা, তিৰীৰ মেখেলাৰ কোব খোৱা, মেখেলা ভাৰী, পোকগুহা, তিৰীৰ তলত থাকা, হিজিৰা (সাম্প্ৰতিক সময়ত প্ৰচলিত), মাইকীৰ পোক চেলেকা, তিৰীৰ কটিৰ পাছত লাগি ফুৰা ইত্যাদি।

**পৌৰাণিক বা ঐতিহাসিক চৰিত্ৰৰ নামেৰে ব্যংগাৰ্থত গালি পৰা ঃ**

শকুনি, নাৰদি, শূৰ্পণখা, কুজীবুঢ়ী, বিভীষণ, কুম্ভকৰ্ণ, ৰাৱন, লাট চাহাবৰ বেটি, সতি সাবিত্ৰী হ'ব আহিছ একা ইত্যাদি।

আকৌ বিভিন্ন গুপ্তাংগ বাচক বা অশ্লীল শব্দৰ প্ৰয়োগ কৰিও মায়ঙীয়া উপভাষাত গালি - শপনি ব্যৱহাৰ হোৱা দেখা যায়। এনে গুপ্তাংগবাচক গালি শপনিবোৰ নাৰী পুৰুষ উভয়ৰে ক্ষেত্ৰত ব্যৱহাৰ হোৱা দেখা যায়। সীমাৰ পৰিসৰ প্ৰতি লক্ষ ৰাখি এনে গালি-শপনি কিঞ্চিত মানো উল্লেখ কৰা হ'ল। সময়ত এনে বিষয়টো বহল গন্দীৰ ভিতৰত আলোচনা কৰাৰ থল থাকিব।

**নিষিদ্ধ অৰ্থবাচক লোকভাষা ঃ**

**গৰ্ভৱতী হোৱা বুজাবলৈ ব্যৱহৃত লোকভাষা**

পেট হোৱা/ গা ভাৰী হোৱা/ গাত লেঠা হোৱা।

গৰ্ভপাত কৰা অৰ্থত - গা খহা, গা খহুৱা, Wash (বাচ) কৰা (সম্প্ৰতিক সময়ত) বিনচ হোৱা (গৰু-ছাগলীৰ ক্ষেত্ৰত)

সন্তান জন্মা অৰ্থত ঃ কেঁচুৱা হোৱা/ গা খালাচ হোৱা অশোজীয়া হোৱা/ জন্ম পোৱা

তিৰোতাৰ ঋতুস্ৰাৱ অৰ্থত ঃ নীতিস্নান, চুৱা হোৱা, লাৰিব নোৱাৰা হোৱা, মাহেকীয়া হোৱা

প্ৰস্ৰাৱ কৰা অৰ্থত ঃ চুচু কৰা, ইচ্ কৰা (সৰু ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত)

শৌচ ত্যাগ কৰা অৰ্থত ঃ বহিৰ লাসাৰিব যোৱা, শৌচ কৰা

যৌন মিলন অৰ্থতি ঃ যোৱা পাতা, শালিকিদৰে জুট লগা, সহপাল কৰা, ৰাতি একেলগে থকা

**মায়াঙীয়া লোকভাষাত সম্বন্ধবাচক শব্দ ঃ**

জী/ জঙাই

বিয়াই/ বিয়ানী

আবু/ আতা

ককাই (দাদাক কৰা সম্বন্ধ)

ডাঙৰ পিতাই/ ডাঙৰ মাই

মাজু পিতাই/ মাজু মাই

সৰু পিতাই/ সৰু মাই

খুলহাল/ খুলহালী
বাই/ ভিনি, ভিনিহী
ননদ - আইকন/ মাকন/ সৰু (ননদক কৰা সম্বন্ধ)
বাপু (দেওৰেকক কৰা সম্বন্ধ)
নৈনাই (ভনীয়েকৰ গিৰিয়েক)
মহা/ মাহৈ
শালপতি
গিৰিয়েক/ মতাটো/ পৈয়েক
তিৰী/ মাইকী/ মাইকীটো/ ঘৈনীয়েক

**৫.০ কুসংস্কাৰ অন্ধবিশ্বাসৰ লগতে সম্পৃক্ত লোকভাষাঃ**

বিভিন্ন বিশ্বাস হওক বা অন্ধবিশ্বাস হক, কুসংস্কাৰেই হওক মায়ঙীয়া লোকভাষাত কিছুমান শব্দৰ এটা নাম প্ৰচলিত। এনে বিকল্পনামবোৰ সাধাৰণতে গধূলি পৰত বা নিশাৰ ভাগত হে উচ্চাৰিত হয়। উদাহৰণ স্বৰূপে - চূণক বগা, হালধীক ৰঙ গুৰা, বেজীক কাপোৰ সীয়োৰাটো, শিয়ালক ডেকাৰজা, বসন্তক আই, এলাৰ্জীক কচুলি আই, সাপক দীঘল লেজীয়া আদি।

**৬.০ সমাজত প্ৰচলিত লোকভাষাগত খিতাপ ঃ**

**পুৰুষৰ ক্ষেত্ৰত ঃ** ডঙুৰা (বিয়া নপতাকৈ থকা), বৰলা (পত্নীৰ মৃত্যু হোৱা লোক), জীয়ত বৰলা (পত্নী থকাৰ পিছতো পত্নীক এৰি যোৱা পুৰুষ/ বিবাহ বিশ্বেদি পুৰুষ) কঙৰা (বহুপত্নীক), জহৰা, গজমূৰা, তিহুলৰ বুকুত যোৱা, বনৰা ইত্যাদি।

নাৰীৰ ক্ষেত্ৰত ঃ ডাংকাটী, কাঙৰী, জহৰী, বেশ্যানী, নাটেশ্বৰী, জীয়ত বাৰী, শাখিনী, হস্তিনী, গছ মুৰী, অবতলী (কাপোৰ বৱ নজনা, চিলাই কৰিব নজনা, ফুলতুলিব নজনা ছোৱালী), কাঠবাজী (সন্তান নোহোৱা বোৱাৰী), ফুলবাৰী, নিলাজী, নিমাতী, শোৱাগী, ঘৰবুঢ়ী

**৭.০লোকভাষাগত বিবিধ শব্দ ঃ** মায়ঙীয়া লোকভাষাত কিছুমান শব্দৰ যোগেদি পুংলিঙ্গ স্ত্ৰীলিংগৰ ধাৰণা দিয়া হয়। এনে শব্দবোৰ স্থান নাম, বস্তু নাম, প্ৰাণী নাম আদি বিভিন্ন ধৰণৰ হ'ব পাৰে যেনে -

বুঢ়ামায়ং, বুঢ়া তামোল, মৰাণ আদা, নৰা বগৰী, কছাৰী গাঁও, ৰজামায়ং, বৰদিয়া

**স্ত্ৰী লিংগৰ ধাৰণা** - কাজলী, বিহুৱতী, কাণীপুঠি, ভেবেলী লতা, কুজী থেকেৰা, চালকুৰ্বৰী, তৰামাছ ইত্যাদি।

**৮.০ মায়ঙীয়া লোকভাষাত লোকোক্তি বা ফঁকৰাৰ ব্যৱহাৰ ঃ**

মায়ঙীয়া জনজীৱনৰ মাজত কিছুমান লোকোক্তি, ফঁকৰা, প্ৰবাদ আদিৰ প্ৰচলন দেখা যায়। এই ধৰণৰ লোকোক্তিবোৰে মায়ঙীয়া জনজীৱনৰ সমাজ-সংস্কৃতিৰ প্ৰতিচ্ছবি এখন আমাৰ আগত তুলি ধৰে। জনজীৱনত প্ৰচলিত এইসমূহ দিশো লোকভাষাৰ সমলৰ অন্তৰ্ভুক্ত। যেনে -

(ক) মুখে কৰে হাও হাও
হাতেৰে নাহে ভাও।

(খ) জি নাতি ঢকুনা কাতি
পো নাতি মজিয়া বাটি।

(গ) সতিনীৰ ফেৰত
মৰা হাড়েও টনটনায়।

(ঘ) কাট যদি কাট
একে ঘাপে কাট
তথাপকিতো নামাতিবি
সাজেলীয়া মাত।

(ঙ) আগে আছিলো থিয়া
বাটৰ মানুহে ক'ব
এফুৰা দিয়া
এতিয়া গ'লো হালি
বাটৰ মানুহে
পাৰিব গালি।

(চ) কোমল ঘাঁহ দেখিলি
বলধৰ উঠে বল
যুৱতী দেখিলি
পুৰুষ পাগল।

(ছ) অঞ্জা মচলা শিল
তিৰিৰ মচলা কিল।

(জ) মাটি কিনিবা
দপনা দপনি
গৰু কিনিবা গাই
ছোৱালী আনিবা
হেৰেকি ফেৰেকি
চহকী কৰিব তাই।

(ঝ) তপত ভাত খালি
জিভাত যায় ছাল
ঠাণ্ডা কৰি খালি
পেটত লাগে ভাল।

(ঞ) চৰণে হওঁক ৰথৰ ঘোঁৰা
শয়নে হওঁক আকাশৰ তৰা

হস্তীয়ে কৰে গুৰু সেৱা।

এইবাৰী লোকোক্তি আইসকল/ ভকতসকলৰ মাজতহে প্ৰচলিত। আইসকলে বা ভকতসকলে কৰবালৈ খাবলৈ ওলোৱাৰ আগমুহূৰ্তত দুৱাৰমুখতে উক্ত বচনফাঁকি আওঁৰায়। নেদেখাজনৰ চৰণ চিন্তা কৰিলে এনে ধৰণে বচন আওঁৰায় বুলি ভকত সমাজত এটি পৰম্পৰা প্ৰচলিত।

**৯.০ মায়ঙীয়া লোকভাষাত জীৱ-জন্তু খেদিবলৈ ব্যৱহাৰ কৰা শব্দ ঃ**

জীৱ-জন্তুৰে ভৰা পৰিপূৰ্ণ গৃহস্থী এখন মায়ঙত সততে লক্ষ্য কৰা যায়। জীৱ-জন্তুৰ পৰা বিৰক্তি অনুভূত হ'লে খেদিবৰ অৰ্থে কিছুমান শব্দ প্ৰয়োগ কৰা হয়। তেনে শব্দবোৰ নিৰ্দিষ্টকৈ বিশেষ-বিশেষ জন্তুৰ লগতহে ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে-

কুকুৰে মাতিলে - চেই চেই চেই
চুচু চুচু — মকুৰীক মতা মাত
দৌ দৌ/ কুট কুট/ চৈ চৈ — কুকুৰক খেদিলে
পাৰৈ আহ আহ — পাৰক মাতে
টি টি — হাহক মতা মাত
ঘুৰ ঘুৰ — গৰুক মতা মাত
হেই হেই — পাৰ/ ছাগলী খেদা মাত
বইত বইত — মাউতে হাতীক মতা মাত
পিলু পিলু — হাঁহৰ পোৱালীক মতা মাত

**১০.০ মায়ঙীয়া লোকভাষাত শিশুমাত ঃ**

ইচ্ কৰা/ চি চি কৰা — প্ৰস্ৰাব কৰা
অক কৰা/ একৰা — শৌচ কৰা
মাম খোৱা — ভাত খোৱা
টুপু যোৱা/ হামুদিয়া — টোপনি যোৱা
ফু ফু যোৱা — ফুৰিব যোৱা
দিগ দিয়া — থিয় দিয়া
নেন খোৱা — চেনি খোৱা
আপান খোৱা — জলপান খোৱা
টি টি মাম খোৱা — মাছ খোৱা
ক্ ক্ খোৱা — মাংস খোৱা

**১১.০ মায়ঙীয়া লোকভাষাত ঘৰ-দুৱাৰ, খাদ্য বস্তু, সা-সামগ্ৰী ঃ**

ভখাৰী/ ভাখেৰী — ভঁৰাল ঘৰ
বৰ ঘৰ — মূল ঘৰ
চ'ৰা ঘৰ — চ'ৰা ঘৰ
বগটি — পিৰালী
গুঠালী/ গুলী ঘৰ — গোহালী
মুধা
মণিকূট — নামঘৰ
পানী দিয়া ভাত/ পনতা ভাত — পইতা ভাত

ঘিলা পিঠা, শুখন পিঠা, খোলাচাপৰি পিঠা, কেটলী মুখত দিয়া পিঠা, পানী পিঠা, গুৰগুৰী পিঠা, মহুৰা পিঠা, ভকুৱা অঞ্জা (তৰকাৰী), জাতি জালুক/ গোল মৰিছ (জালুক), জালুক (জলকীয়াৰ পূৰ্বতে প্ৰচলিত নাম), ভিজলুক, ভোল (ভুল), বগৰী থেঙীয়া শাক, হাঁহ থেঙীয়া শাক, মৈটফল শাক, বিট পালং (বঙালী পালেং), ডেঙ্গাশাক (মৰিছা), সঁফুৰাম (মধুৰীআম), , দুৱাৰৰ কণটো (দুৱাৰৰ চুকটো), চাতা-জাপী (জাপী), শোৱালী জাল, ডলা জাল, চীপ জাল, সুখুৰী (খৰাহী) মিট দা, কপি দা, পাংখা, চৰী বাৰী, লৰু (এছাৰী), টিঙা (নাৱৰ টিঙা), বৈথা (বথা), নলী (মহুৰা), চিঁৰী (চিৰি), কুকুৰ খুটী (তাত শালত ব্যৱহৃত গৰকা লগুৱা খুঁটী), কৰখন (কোৰখন), খদা, ভাৰ পাচী, ওখনী/ ওখন, বাংকা গাৰী/ দহটনী (তাঁতশালৰ সঁজুলি), বেৰা (বেৰ, জপনা), হৰকলা (নঙলা), বোৱন দিয়া (কঠীয়া বোৱা), মাটি চাহ দিয়া (চহদিয়া), উঙুৱা (সিজোৱা), জাখই (জাকৈ) ইত্যাদি।

**১২.০ মায়ঙীয়া লোকভাষাত যুৰীয়া শব্দ/ ঋণাত্মক/ প্ৰতি ধ্বন্যাত্মক শব্দ ঃ** তায়ি তুয়ি (চাফ চিকুণকৈ থকা), চেলেং-চেপেং, চেলবেল, জলৈ-জপৌ, আতুৰ-বিতুৰ, যুৰাই-সুতাই, ঘটোও-ঘটোও, ঘটোও ঘটোও, কাও বগও কৰা, উদুল মুদুল লগা, তেৰিয়া তেৰি (অসমান), তল ওপৰ লগা (ইফাল সিফাল ঘূৰি ফুৰা) ইত্যাদিষ

**১৩.০ মায়াঙীয়া গদ্যশৈলী**

* ক'ত গৈছিলি একা
  যকেবা নগলং তোক কিয় লাগে
  ইমাননো ঘটো ঘটোকে কিয় ফুৰিবা লাগে?
* এনেনো সিয়ান কুলি হৈ থাকংনা তই,
  পৈয়েৰক কৰা নাছিলংনা মই
* তইনো এমানটো ভীমকলৰ গছ (শকত-আৱত মানুহ) হবা লাগেনা?
* ৰতনীহঁতৰ ঘৰত নাম ডাকিবা মাতিছিল একা, যাবিনা?
* ঐ জহৰাহঁত, আলু উঠাহঁত, গাঁতত গেলাহঁত পাবি মজা। তোৰ মই মুখখনহে গুড়া (গুড়া) কৰিমগৈ ৰহ। এমাননো মুখখন চলেনা।

* তাক লগ ধৰবা আহিছ্লিং, কতনো গ'ল একা?

* আল খাং, বাল খাং কে কিয়া আছা?

ওপৰত মায়ঙীয়া লোকভাষাৰ যিমানবোৰ বিষয় আলোচনা কৰা হ'ল সেইখিনিৰেই মায়ঙীয়া লোকভাষাৰ পৰিসৰ সামৰি থ'ব নোৱাৰি। মায়ঙীয়া জনজীৱনত এনে অসংখ্য উপাদান আছে যিবোৰক লোকভাষাৰ দিশটোৱে সামৰি ল'ব পাৰে। এইখিনিতে উল্লেখযোগ্য যে, লোকভাষা আৰু উপভাষা একে নহয়। ড° নগেন শইকীয়াৰ ভাষাত, "লোকভাষাৰ বিশিষ্ট্যতাৰ লগত উপভাষাৰ বিশিষ্টতাক একেলগে কৰি পেলাব নোৱাৰি। উপভাষাবোৰ আকৌ লোকভাষা থাকিব পাৰে। এই ধাৰণা স্বাভাবিকভাৱেই হ'ব পাৰে যে উপভাষাবিলাকতো লোকভাষাই; এতেকে ইয়াৰ মান্য ভাষাৰ ৰূপটোৰ ই এটা স্থানীয় লোকৰূপ বুলিব পাৰি। যদি সেয়ে হয় উপভাষা আৰু লোকভাষাৰ পাৰ্থক্য ক'ত? পাৰ্থক্যটো ইয়াতেই যে উপভাষাৰো এক অলিখিত ব্যাকৰণ আছে। লোকভাষাৰ তেনে ব্যাকৰণ নাই। দ্বিতীয়তে, লোকভাষাত ব্যৱহৃত অনেক শব্দ মূলৰ, অৰ্থাৎ মান্য বা উপভাষাৰ পৰা ৰূপ আৰু ভাঁৱত আঁতৰি অহা চকুত পৰে।"

লোকভাষাসমূহ সাধাৰণতে লিখা ভাষাতকৈ অধিক হৃদয়গ্ৰাহী হয়। লোকভাষাসমূহ লোকজীৱনৰ মুখেৰে যেতিয়া নিঃসৃত হয়, তেতিয়া ই অধিক হৃদয়গ্ৰাহী হয়। শুনিবলৈ শুৱলা হয়। দৈহিক অংগী ভংগীয়ে লোকভাষাৰ প্ৰতি থকা আকৰ্ষণ শক্তি বঢ়াই তোলে।

পূৰ্বতে উল্লেখ কৰা হৈছে যে নিৰ্দিষ্ট এটা গণ্ডীৰ ভিতৰত লোকভাষাৰ সমলৰাজিক সামৰি থ'ব নোৱাৰি। মায়ঙীয়া লোকভাষাৰ ক্ষেত্ৰতো এই কথা এশ শতাংশই প্ৰযোজ্য। কম পৰিসৰত অন্তৰ্ভুক্ত কৰিব লগা হোৱাত লগতে ক্ষেত্ৰ অধ্যয়নৰ বাবে পৰ্যাপ্ত সময় নোপোৱা হেতুকে বহুতো লোকভাষাগত সমল লিখনিৰ পৰা বাদ পৰি গৈছে। ভৱিষ্যতে সেইসমূহ উদ্ধাৰ কৰি উপযুক্ত গৱেষণালব্ধ অধ্যয়নৰ যথেষ্ট থল আছে। প্ৰণালীবদ্ধ অধ্যয়নৰ যোগেদি আটাইবোৰ সমল উলিয়াই আনিব পাৰিলেহে মায়ঙীয়া লোকভাষাৰ যথোপযুক্ত চৰ্চা হ'ব বুলি আশা কৰিব পাৰি। ♦

*সংবাদ দাতা ঃ অনন্ত মেধি (৭০) তুলমাই ডেকা (৫৫), ভদ্ৰাৱতী বিষয়া (৭৫), পদ্ম ডেকা (৬০), সুশীলা ডেকা (৫০), বিমল নাথ (৫০), আইকণ (৬০), জীৱন শইকীয়া (৭০), ৰেণু ডেকা (৬৫), নিৰু বিষয়া (৬০)*

**পাদটিকা আৰু প্ৰসঙ্গঃ**

১। **নবীন চন্দ্ৰ শৰ্মা** ঃ অসমীয়া লোকসংস্কৃতিৰ আভাস, ২০০৭, পৃ. ৯০

২। **পৱিত্ৰ সৰকাৰ** ঃ লোকভাষা - লোকসংস্কৃতি, ১৯৯৭, পৃ.১৩৭

৩। **ড° উপেন ৰাভা হাকাচাম** ঃ লোকভাষাৰ প্ৰকৃতি বিচাৰ

♦♦

# অসমীয়া লোক-সমাজত নিচুকণি গীত আৰু কিছু প্ৰাসঙ্গিক চিন্তা

ৰাতুল ডেকা
লেখক-সাংবাদিক, মৰিগাঁও

নিচুকণি গীতৰ বিষয়ে আলোচনা কৰাৰ সময়তে ছাত্ৰাৱস্থাৰ অধ্যয়ন কৰা শ্ৰী ধৰ কন্দলিৰ দ্বাৰা বিৰচিত 'কাণখোৱা' নামৰ নিচুকণি গীত কবিতা ফাঁকি মানস পটত উদ্ভাসিত হৈছে - বালক কৃষ্ণৰ মাতৃ যশোদাই নিচুকাই কোনোবা কানখোৱা আহিব বুলি ভয় খোৱাৰ টোপনি নিয়াবৰ বাবে এক প্ৰয়াস কৰে। তাৰে সুন্দৰ আৰু ছন্দোবদ্ধভাৱে গাইছে - "ঘুমটি যাওৰে ওৰে কানাই/ হুৰে কানখোৱা আসে/ সকল শিশুৰ কান খাই খাই/ আসয় তোহাৰ পাসে।'

ভাৰতীয় দৰ্শনৰ মতে স্বয়ং ভগবান শ্ৰীকৃষ্ণই টোপনি যাবৰ কামত বিভিন্ন শ্ৰেণীৰ নিচুকণি গীত শুনি শুনি নিদ্ৰাদেৱীৰ কোলাত ঢলি পৰে। গতিকে আপুনি মই সাধাৰণ নৰমনিচ বিলাকে নিচুকণি গীত নুশুনিমেইবা কিয়। বোধহয় ভাৰতীয় সনাতন ধৰ্মৰ প্ৰথম গৰাকী নমস্য পৰমপুৰুষ বালকৃষ্ণ দ্বাপৰ যুগৰ পৰা ধৰি আজি একবিংশ শতিকালৈ নিচুকনি গীতৰ কৰ্দ্দৰ কমা নাই। বৰঞ্চ আজিকালি স্বকীয় সাহিত্য-সংস্কৃতিৰ প্ৰতি অনুগত্যশীল লোক সমস্তই ইয়াৰ সামাজিক গুৰুত্বলৈ লক্ষ্য ৰাখি ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰতাৰ বাবে যথেষ্ট আগৰণুৱা হৈ পৰিছে। ই অসমীয়া ঐতিহ্যমণ্ডিত সংস্কৃতিবান সমাজ সংস্কৃতিৰ বাবে আদৰণীয়। দৰাচলতে অসমীয়া লোকজীৱনৰ পৰা অসমীয়া লোক সাহিত্যলৈ এই চোৰা বৰ্ণিল বাটত অসমীয়া নিচুকণি গীতৰ অৱদানৰ কোনেও অস্বীকাৰ কৰিব নোৱাৰে। সেয়ে কোনো কোনোৱে ক'ব খোজে যিসকলে মাতৃ, বুঢ়ীমাক বা আন কোনোবা আত্মীয়-স্বজনৰ নিচুকণি গীত শুনিবলৈ টোপনি যোৱাৰ সৌভাগ্য হোৱা নাই, তেওঁতকৈ আন কোনো দুৰ্ভগীয়া থাকিব নোৱাৰে। অৰ্থাৎ নিচুকনি বা নিন্দানী গীত শুনি নিদ্ৰাত পৰা সকল সৌভাগ্যবান আৰু নিচুকনি গীত শুনাৰ পৰা বঞ্চিত সকল দুৰ্কপলীয়া।

অসমীয়া লোক জীৱনত বিশেষতঃ অসমীয়া মৌলিক সাহিত্য গীত সাহিত্যৰ নিচুকনি গীতৰ এক আচুতীয়া আসন আছে। যি আসন আন কোনো সাহিত্যৰ উপাদানে পূৰাব নোৱাৰে। ক'বলৈ গ'লে অসমীয়া জনজীৱনতেই যে নিচুকনি গীতৰ সীমাবদ্ধতা সেয়া শুদ্ধ নহয়। নিচুকনি গীতৰ প্ৰসাৰতা আৰু বিষয়বস্তুৰ গভীৰতাৰ দিশৰ পৰা অসমীয়া সাহিত্যৰ ই এক অবিচ্ছেদ্য অংগ ৰূপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। অসমৰ জীয়ৰী-বোৱাৰী, লৰা-ছোৱালী, পুৰুষ-মহিলা (পিতৃ-মাতৃ) বৃদ্ধ-বৃদ্ধাৰ আটাইৰ মুখে মুখে প্ৰচলিত কালজয়ী তথা জনপ্ৰিয় নিচুকনি গীত ফাঁকি - "আমাৰে মইনা শুব এ/ বাৰীতে বগৰী ৰুব এ/ বাৰীৰে বগৰী পকী সৰিব/ মইনাই বুটলি খাব।" উপৰুক্ত এই নিচুকনি গীতফাঁকি ৰচনাৰ কোনো নিৰ্দিষ্ট দিন বাৰ চন তাৰিখ নাই। মৌখিক সাহিত্য। সেইবোৰ যিয়েই নহওঁক এই ফাঁকি নিচুকনি গীতৰ স্ৰষ্টা যে কোনো অনাখৰী মমতাময়ী , স্নেহজয়ী মাতৃৰ কণ্ঠৰ পৰা স্বতঃস্ফুতঃ ভাবে নিগৰি আহিছিল সেয়া খাটাং। মুখ বাগৰি অহা এইফাঁকি নিচুকনি গীতৰ মাজৰে অনাখৰী গীতি কবিয়ে এখন সুন্দৰ ছবি অংকন কৰাত সফল হৈছে। নিজৰ সন্তানৰ টোপনি নিয়াবৰ বাবে কোলা, বুকুত বা পিঠিত বোকাচা লৈ মৰম আলফুলকৈ পিঠিত ঢপিয়াই ঢপিয়াই বিভিন্ন নামেৰে নামাংকৃত কৰা ভৱিষ্যত দিনত ঘৰ বাৰীত ফল-ফলাহাৰৰ পুলি ৰোৱা আৰু সেইকণ সন্তানে সোৱাদ ল'ব পৰা যি ছবি সেই ছবি সততে আন গীতি কবিতাত কমেই পোৱা যায়। কিন্তু তাৰ বিপৰীতে ৰাজ্যখনৰ গ্ৰাম্য সমাজৰ কোনোবা ৰোৱনী-দাৱনীয়ে মাতৃ হোৱাৰ পাছত কোলাত কেঁচুৱা লৈ ঘৰুৱা কাম বন কৰাৰ যি অসুবিধা সেয়া সহজেই অনুমেয়। সেয়ে অকলশৰীয়া মাতৃয়ে যিমান পাৰে সোনকালে সন্তানক গাখীৰ পানী অথবা লুথৰী জাতীয় খাদ্য খুৱাই শুৱাবৰ প্ৰয়াস কৰে।

মাকৰ দৰে ব্যঞ্জনাময় কল্পচিত্ৰৰে পৰিপূৰ্ণ নিচুকণি গীতৰ ছন্দত দুলি দুলি যেতিয়া সন্তানে সুখনিদ্ৰা যায় তেতিয়া অন্ততঃ দুই তিনিঘন্টা মাতৃতে ঘৰুৱা কাম কাজ খিনি কৰি লোৱাত সহায় হয়। সেয়ে সকলো মাতৃয়েই নিজ সন্তানক ডাঙৰ-দীঘল কৰোতে এনেদৰে বিভিন্ন ধৰণৰ নিচুকনি গীতৰ আশ্ৰয় লোৱা দেখা যায়। এক শ্ৰেণীৰ গীতি কবিতাৰ জৰিয়তে শিশুটিৰ এক কাল্পনিক ভাৱৰ সৈতে মাকে বা গাওঁতা গৰাকীয়ে গীতি কবিতা সমূহৰ মাজেৰে নি দেৱশিশুটিৰ মনো জগতত এক সুদুৰ প্ৰসাৰী প্ৰভাৱ পেলাবলৈ সক্ষম হয়। সেয়ে পৰাপক্ষত শিশুৰে ভিতিগ্ৰস্ত হোৱা শ্ৰেণীৰ গীতি কবিতাবোৰ পৰিবেশন নকৰাটোৱেই শ্ৰেয় বুলি শিশু বিজ্ঞানী সকলে দাবী কৰে। নিচুকণি গীতি কবিতাৰ জৰিয়তে শিশুৰ শিশুসুলভ মানসিকতাত যাতে বেয়া প্ৰভাৱ নপৰে তাৰ প্ৰতি নজৰ ৰখোটো গাঁওতাগৰাকীৰ দায়িত্ব। কাৰণ শিশু মানে একে শ্ৰেণীৰ কাণখোৱা বা "শিয়ালী এ নাহিবি ৰাতি" গীতি কবিতাৰ দ্বাৰা শিশু মনত ভয় ভাৱ সোমালে টোপনিটো শিশুটিয়ে ভয়ত উচপ খাই উঠিব পাৰে আৰু টোপনিত ভয় বা উচপ খালে শিশুসকলৰ ভাল টোপনি নহয়। পৰিপ্ৰেক্ষিত বেছি আমনি কৰিবলৈ ধৰে বা কান্দিবলৈ ধৰে। সেইবোৰ যি কি নহওক নিম্নোলিখিত গীতিকবিতা ফাঁকি মন কৰিবলগীয়া -

"লাই হালে জালে আবেলি বতাহে
লফা হালে জালে পাতে
আমাৰে মইনা হালিছে জালিছে
কালি দুপৰৰে ভাতে।"

ইয়াৰ নিজৰ সন্তানক মাতৃয়ে প্ৰকৃতিৰ সুন্দৰ তুলনা আৰু উপমাৰে এক অন্যন্য নৈসৰ্গিক চিত্ৰণৰ জৰিয়তে শিশুটিক টোপনি নিয়াৰ বাবে প্ৰয়াস কৰিছে। আবেলিৰ বতাহত বাৰীৰ লাই শাকে মোক খা, মোক খা কৰা যি আকৰ্ষিত দৃশ্যপট তাকে সুন্দৰভাৱে বৰ্ণনা কৰিছে। ইয়াৰ উপৰি বাৰীৰ লাই শাক ডৰা ফুলাৰ সময়ত সোণোৱালী দলিচা যেন লগা যি দৃশ্য সেই নৈসৰ্গিক দৃশ্য দেখি সন্তানক বুকুৰ উম দি মমতাময়ী মাতৃৰ মুখৰ পৰা এনে গীতি কবিতা নিগৰাটোৱে স্বাভাৱিক। একেদৰে লফাৰ দীঘলীয়া পাত বিলাকো আবেলিৰ ফাগুনী বতাহজাকত নাচি থকাৰ যি প্ৰাকৃতিক বৰ্ণন সেয়া সচাঁ অৰ্থত অদ্বিতীয়। ইয়াৰ সাহিত্যিক বৈশিষ্ট্য। এই গীতি কবিতাই যদি শ্যেলী, কীটছ, বাইৰণৰ কাপৰ পৰা বাহিৰ হ'লহেতেন তাক হয়তো বিশ্ববিদ্যালয় গবেষণাৰ বিষয় বস্তু হ'লহেঁতেন। আনহাতে গীতি কবিতাফাঁকিৰ দ্বিতীয় চয়নত উল্লেখ কৰা "আমাৰে মইনা হালিছে জালিছে, কালি দুপৰৰে ভাতে"- শীৰ্ষক গীতি কবিতাফাঁকি শিশুটিয়ে যোৱাকালি দুপৰীয়াৰ ভাতৰে আজিলৈকে আছে আৰু ইয়াৰ বাবে সি কান্দিছে। ইয়াকে অন্যান্য সুন্দৰ মনৰ চিৰ চেনেহী মাতৃৰ মনে সহ্য কৰিব নোৱাৰি মুখেৰে নিগৰি বাহিৰ হৈছে জন্মদাত্ৰী মাতৃমনৰ অভিব্যক্তি।

ইয়াৰোপৰি শিশুৰ কল্পনাপ্ৰৱন মনত আল্পনাৰ আৰ্কিটোক আৰম্ভ কৰিব পৰা আন কেইফাঁকিমান গীতি কবিতা তলত উল্লেখ আৰু ইয়াৰ প্ৰাকৃতিক চিত্ৰণ বৰ্ণনাৰ বিষয়ে ব্যাখ্যা দাঙি ধৰাৰ বাবে প্ৰয়াস কৰা হৈছে —

"জোনবাই এ এটি বেজি দিয়া
এটি তৰা নালাগে, দুটি তৰা দিয়া
পাত নাই, চাত নাই কিহতকৈ দিম।"

এই ফাঁকি নিচুকনি গীতৰ মাজৰে শিশুমনৰ বাবে ৰহস্যঘন তৰা ভৰা আকাশৰ এক নিভাজ চিত্ৰ দাঙি ধৰাৰ প্ৰয়াস অনাখৰী মাতৃৰ। জোনৰ আজন্ম লগৰী তৰা বিচৰা হৈছে শিশুৰ বাবে। দহ নমাহ দহ দিন গৰ্ভত লৈ লালন-পালন কৰা জননী মাতৃৰ সন্তানক যে পৃথিৱী সমগ্ৰ উপাচাৰে উপচাই দিয়াৰ যি মাতৃমনৰ আদিম ইচ্ছা তাকে বুজোৱা হৈছে। মুকুতা সদৃশ এটা তৰা বিচাৰিছে জোনক। এটাতে সন্তুষ্ট নহয় মাতৃ মন। সেয়ে এইবাবে দুটি তৰা বিচাৰিছে। কাৰণ মাতৃয়ে জানে যে সকলো শিশুৰে এখন হাতৰ সামগ্ৰীৰে মন সন্তুষ্ট নহয়। দুয়োখন হাত ভৰাই দিব পাৰিলেই সিশু সকল সন্তুষ্ট হৈ পৰে। সেয়ে প্ৰথমে এটা বিচাৰিছিল লগতে এটাই কি হ'ব দুটা দিয়া বুলি গীতত গাইছে। আনহাতে কোমলতা স্নিগ্ধতাৰ প্ৰতীকী জোনবাইৰো দিয়াত আপত্তি নাই। ইমান তৰা তাৰ ভিতৰৰ যিমান লাগে নিয়া কিন্তু দিবলৈ পাত্ৰ নাই বুলি প্ৰকাশ কৰা আদি বাক্যাংশই মাতৃমনৰ কল্পনাৰ জগতখনে শিশুমনকো প্ৰভাৱিত কৰে।

ওপৰুল্লেখিত নিচুকনি গীত কবিতাসমূহ যে অসমীয়া মান্যভাষাতহে প্ৰচলিত তেনে নহয় অঞ্চলভেদে বিভিন্ন উপভাষাতো পৰিবেশন কৰা দেখা যায়। অসমত এই ক্ষেত্ৰত গোৱালপৰীয়া লোকসংস্কৃতি তথা লোক জীৱনত প্ৰচলিত নিচুকনি বা নিন্দালী গীত উল্লেখযোগ্য। গোৱালপৰীয়া লোক সংস্কৃতি অন্যান্য সামাজিক লোকাচাৰ সমূহে বিশেষ আসন দখল কৰাৰ লেখীয়া অধুনালুপ্ত বা অস্তিত্বৰ সংকটত পৰা নিন্দালী গীত বা নিচুকনি গীতি-কবিতাই অসমীয়া লোক সাহিত্যৰ ভৰাঁল টনকীয়াল কৰিবলৈ সক্ষম হৈছে। বিশেষতঃ অসমীয়া কৃষ্টি-সংস্কৃতিত টোপনিক নিদ্ৰাদেৱী আখ্যা দিয়াৰ বিপৰীতে নামনি অসমৰ অবিভক্ত গোৱালপাৰাত 'ঘুমাটি মাসী'

টোপনিৰ গৰাকী বুলি লোক বিশ্বাস প্ৰচলিত। বিভিন্ন নামৰ বিপৰীতে একে অৰ্থ যে বহন কৰাৰ লেখীয়া গোৱালপৰীয়া নিন্দালীগীত সমূহেও প্ৰকৃতি, চৰাই-চিৰিকতি, পশু-পক্ষীক আধাৰ ৰূপে লৈ ৰচনা হোৱা বুলি ঠাৱৰ কৰিব পাৰি। তলত দুফাঁকি নিচুকনি গীতৰ সহায়ত ইয়াৰ দ্বাৰা শিশুৰ কোমল মনত অংকন হোৱা চিত্ৰপটৰ বিষয়ে ব্যাখ্যা আগবঢ়োৱাৰ বাবে প্ৰয়াস কৰা হৈছে — "চোকেয়াৰ বেটী চোকেয়া/ ধান নাখাবি চোকেয়া/ ধান চাইলে নাখাইলে চিৰা দিম/ ডালত পৰি খাবি/ তেলি দিব তেলগামোছা/ মালি দিব ফুল/ যাৰখিনি বিয়া হয়/ বুঢ়ী কোবাব ঢোল।"অসমীয়া কৃষিজীৱি সমাজৰ এই সকল চহা মাতৃয়ে টোকোৰা চৰাইৰ পোৱালীক ধান নাখাবলৈ কৈ ধান নাখালে চিৰা দিম, গামোছা, ফুলাদি দিয়াৰ যি প্ৰাকৃতিক বৰ্ণনা সেয়া নিশ্চিতভাৱে নিচুকনি সাহিত্যৰ অনান্যা মাত্ৰা প্ৰদান কৰিছে। কেৱল যে প্ৰকৃতিৰ পক্ষীকুল বা পুষ্প, তেল-তামোল পান (সুপাৰী) কথাকে ঘুমানি মাসীক আক্ৰমৰ বাবে গীতৰ তালমানৰে গাইছে তেনে নহয় নদী বিল, খাল, মাছৰ উল্লেখ মন কৰিবলগীয়া—

নদীৰ উদয় কিকৰং
ভুজুৰ ভুজুৰ ডুব পাৰং
মাছ কায়া গা ঝাৰং
বালা বাবাৰ গা ধাৰং। ইত্যাদি।

অসমীয়া লোক সমাজত প্ৰচলিত নিচুকনি গীতি কবিতাৰ আন এক উল্লেখযোগ্য বিশিষ্ট্য হ'ল ইয়াৰ গঠন ৰীতি সহজ সৰল ভাব ভাষাৰ প্ৰয়োগ। যেনে - "শিয়ালী এ নাহিবি ৰাতি, তোৰে কাণে কাটি লগামে বাতি। একেদৰে গোৱালপৰীয়া নিচুকনি গীত সমূহতো একেই ৰীতি ব্যৱহাৰ হোৱা দেখা যায়। ইয়াৰ উদাহৰণ ৰূপে - নিম্নোলিখিত স্তবকটি উল্লেখ কৰিব পাৰি - আমাৰ বাবা ভাল/ পিন্ধে ফাটা জাল/ ঘৰে ঘৰে বিচাৰি ফুৰে/ কোন বুঢ়াটো ভাল।" একেদৰে আন এফাঁকি গীতৰ সৰল ৰীতি মন কৰিবলগীয়া। "…. ডল কমাৰেৰ ঘাটে/ বগীলাই বেচে পান/ কৰ্তা বাবুই হুকুম দিছে/ বগীলাক ধৰি আন।"

এনেদৰে আলোচনা কৰিলে দেখা যায় যে অসমীয়া জাতীয় জীৱনত এনেধৰণৰ বহু জনা নজনা নিচুকনি গীতৰে চহকী অসমীয়া সাহিত্য সংস্কৃতি। মুখ্যত ঃ এনেকুৱা বিভিন্ন মুখ বাগৰা নিচুকনি গীতৰ প্ৰাচুৰ্যৰে টনকিয়াল অসমীয়া মৌখিক সাহিত্যক আনবোৰ উপাদানৰ দৰেই কিছু নিচুকনি বা নিন্দনী গীতৰ প্ৰচলন হৈ আহিছে। দৰাচলতে অস্তিত্বৰ সংকটৰ পৰা এইবিধ সাহিত্যৰ যিধৰণে গবেষণৰ দ্বাৰা ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰতা লাভ কৰিব লাগিছিল কাৰ্যত সেয়া আজিলৈকে হৈ উঠা চকুত পৰা নপৰে। সেয়ে এই চমু আলোচনাৰ জৰিয়তে ৰাজ্যৰ সাহিত্য -সংস্কৃতিৰ গৱেষক সাধক সকললৈ আহ্বান নিচুকনি গীতি-কবিতাৰ ওপৰত বিজ্ঞানসন্মত অধ্যয়ন কৰাৰ বাবে সকলোপক্ষই আগবাঢ়ি আহক। ◆◆

# অসমৰ বৈচিত্ৰ্যপূৰ্ণ লোক পৰিৱেশ্য কলা

অসীম কুমাৰ নাথ
প্ৰাক্তন ছাত্ৰ

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ সাতখন ৰাজ্যৰ মাজত ঐতিহাসিক, ভৌগোলিক, সাংস্কৃতিক, সামাজিক, সংস্থানিক (topographical), অৰ্থনৈতিক আৰু ৰাজনৈতিক সমস্যাৰ প্ৰসংগত আচৰিত ধৰণে সাদৃশ্য পৰিলক্ষিত হয়। ৰাজনৈতিক কাৰণবশতঃ বৰ অসম সাতোটা খণ্ডত বিভক্ত হ'লেও এই সাত ৰাজ্যৰ পৰম্পৰাগত সমাজ আৰু সংস্কৃতিয়ে পৰস্পৰক চেনেহ জৰীৰে বান্ধি ৰাখিছে। পৰিৱেশ্য কলাৰ ক্ষেত্ৰতো এই ৰাজ্যকেইখনৰ মাজত সাদৃশ্য বিক্ষিত হৈ আহিছে।

সংস্কৃতি মানুহৰ অভিনৱ বৈভৱ। সমগ্ৰ বিশ্বত একমাত্ৰ মানুহ হৈছে সংস্কৃতিসম্পন্ন প্ৰাণী। সংস্কৃতিসম্পন্ন হোৱাৰ বাবেই মানুহে বিশ্ব চৰাচৰৰ সমস্ত প্ৰাণীকে পৰাভূত কৰি নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ সমৰ্থ হৈছে। পৃথিৱীত মানৱৰ আৱিৰ্ভাৱৰ লগে লগে সংস্কৃতিৰো উন্মেষ ঘটে। সংস্কৃতিৰ পৰিধি ইমানেই বিশাল যে চমুকৈ ইয়াৰ বিষয়ে সহজবোধ্য আলোচনা কৰা দুৰূহ।

লোক-সংস্কৃতি সংস্কৃতিৰ এটা ভাগ। জনসাধাৰণৰ জীৱনধাৰা প্ৰকাশক আচাৰ-ব্যৱহাৰ, গীত-মাত, নৃত্য, সাধুকথা, আখ্যান, সাজপাৰ, আ-অলংকাৰ, খোৱাবোৱা, পূজা-পাতল, খেতিবাতি, বিশ্বাস, জনবিশ্বাস, অন্ধবিশ্বাস আদিৰ সামাজিক সমন্বয়ে হৈছে লোক-সংস্কৃতি বা জনসংস্কৃতি। অসমীয়া লোক-সংস্কৃতিক চাৰিটা ভাগত ভাগ কৰা হৈছে। ভাগকেইটা হৈছে— (ক) মৌখিক লোক-বিদ্যা বা লোক-সংস্কৃতি, (খ) সামাজিক লোক প্ৰথা বা লোকাচাৰ, (গ) ভৌতিক সংস্কৃতি আৰু (ঘ) লোক পৰিৱেশ্য কলা।

মৌখিক লোক বিদ্যাৰ ভিতৰত বিশেষকৈ লোক কবিতা, লোক কাহিনী, লোকোক্তি, লোক ভাষা আদি অন্তৰ্গত। লোক কবিতাৰ ক্ষেত্ৰত অসমৰ লোক সংস্কৃতি চহকী। বিহুগীত, হুঁচৰি, বিয়ানাম, চট্কা, ভাৱইয়া, মৈষালগীত, মাউত গীত, বন্দনা বা স্তুতিগীত, দেহ বিচাৰৰ গীত, জিকিৰ, নিচুকনি গীত আদি লোক কবিতাৰ ভিতৰত পৰে। জনজাতীয় ভাষা-ভাষী লোকৰ ক্ষেত্ৰত মিচিংসকলৰ ঐনিতম, কবান-নতম, দয়িংনিতম, মিদাং নিতম, ডিমাছাৰ প্ৰাৰ্থনা গীত, বিসুগী, প্ৰেম প্ৰণয়মূলক গীত, বিয়াগীত, বিশেষকৈ ডিমাছা লোকগীত বেলাডৰ ক্ষেত্ৰত চহকী। ডিব্ৰু, স্নেহদুৰী, অমল লুহ-ডিমল লুহ আদি বেলাডে, ডিমাছা সংস্কৃতিক বেলাডে বিশেষত্ব প্ৰদান কৰিছে। বড়ো-কছাৰীসকলৰ বৈশাগু গীত, প্ৰেম প্ৰণয়মূলক গীত, প্ৰাৰ্থনা, দাৰ্শনিক গীত, বেলাড, সোণোৱালসকলৰ হাইদাং গীত আদি উল্লেখযোগ্য। তেনেদৰে ৰাভাসকলৰ মৌখিক সাহিত্য বিভিন্ন গীতৰ বাবে প্ৰসিদ্ধ।

লোক কাহিনীৰ ক্ষেত্ৰত অসমীয়া লোক সংস্কৃতি চহকী। জনশ্ৰুতি, মিথ আৰু সাধুকথা আদি এইবোৰ লোক কাহিনীৰ অন্তৰ্গত। সাধুকথাৰ প্ৰসংগত জনজাতীয় সংস্কৃতি আৰু অজনজাতীয় লোক সংস্কৃতিৰ মাজত নিয়মিতভাৱে চলি অহা অন্যান্য ক্ৰিয়াৰ নিদৰ্শন পোৱা যায়। তদুপৰি ফকৰা-যোজনা, পটন্তৰ, সাঁথৰ, নিচুকনি গীত, ধাইনাম আদিও অসমৰ জনজাতীয় আৰু অজনজাতীয় লোক সংস্কৃতিৰ উল্লেখযোগ্য সমল।

সামাজিক লোক প্ৰথা বা লোকাচাৰৰ পৰিসীমাত উৎসৱ-অনুষ্ঠান, খেল-ধেমালি, লোক ঔষধ, লোকধৰ্ম আদি অন্তৰ্ভুক্ত। অসমৰ সকলো জনগোষ্ঠীয়ে বছৰটোৰ ভিতৰত বিভিন্ন উৎসৱ পালন কৰি আহিছে। উৎসৱসমূহ প্ৰধানকৈ বিহু, বৈসাগু, বিসু, ভঠেলি, বায়খু, পচতি, তুচু পূজা মথনী, দেউল, হুদুম পূজা, ভেকুলি বিয়া, আমতি আদি উৰ্ব্বৰা উৎসৱ। অসমত অতি প্ৰাচীন কালৰে পৰা পৰম্পৰাগতভাৱে বিভিন্ন

খেল-ধেমালি চলি আহিছে। এইবোৰৰ ভিতৰত টাংগুটি, চিউ-উ, ভেল কুট-কুট, ধোপ বা ভাণ্টা, লুকাভাকু, বাঘগৰু, কুকুৰা যুঁজ আদি। পৰম্পৰা ৰক্ষা কৰি চলি অহা থলুৱাভাৱে পোৱা ঔষধ জাতীয় উদ্ভিদৰে জৰা-ফুকা, মন্ত্ৰ আদিৰে ৰোগীক ৰোগমুক্ত কৰা কাৰ্য বৰ্তমানো চলিআহিছে। বিশেষকৈ মায়ং তন্ত্ৰ-মন্ত্ৰৰ বাবে আজিও খ্যাত হৈ আহিছে। যাৰ ফলত দেশী-বিদেশী বহু পৰ্যবেক্ষকে (পৰ্যটকে) চাবলৈ বা ঘৰুৱা অসুখ-বিসুখ, অশান্তি, ৰোগ-ব্যাধি আদি নিৰাময়ৰ বাবে আগমন কৰি আহিছে। বেজ বা ওজাই মন্ত্ৰৰ সহায়ত ৰোগ নিৰাময় কৰিবলৈ প্ৰয়াস কৰে।

ভৌতিক সংস্কৃতিৰ পৰিসীমাত প্ৰাত্যাহিক জীৱনৰ প্ৰয়োজনীয় বস্তুবোৰ সামৰিব পাৰি। বাচন-বৰ্তমান, ঘৰ-দুৱাৰ, আ-অলংকাৰ, স্থপতিবিদ্যা, ৰন্ধন প্ৰণালী, চিত্ৰকলা আদি ভৌতিক সংস্কৃতিৰ ভিতৰত পৰে।

লোক কলা বালোক পৰিৱেশ্য কলাত অসমৰ লোক সংস্কৃতিৰ এটা অন্যতম ভাগ। লোক পৰিৱেশ্য কলা যাক ইংৰাজীত Performing art form বুলি কোৱা হয়। নিৰ্বাহিকাসকলে যি কলা-ৰূপৰ পৰম্পৰাগত সাংগীতিক বা অভিনয়িক বৈশিষ্ট্যৰাজি সম্পূৰ্ণভাৱে অক্ষত ৰূপত পৰিৱেশন কৰে সেই কলাৰূপক পৰিৱেশ্য কলা আখ্যা দিয়া হয়। পৰিৱেশ্য কলাৰ পৰিসৰে গীত-নৃত্য আৰু নাটকক সামৰে। গীত গাঁওতে বা আবৃত্তি কৰোতেও অভিনয় সম্পৃক্ত হৈ উঠে। তেনেদৰে নৃত্ত/নৃত্যত অভিনয়ৰ লক্ষণ সম্পূৰ্ণৰূপে প্ৰকাশ পায়। অভিনয়ত সামগ্ৰিক দিশটো (আহাৰ্য, আংগিক, বাচিক, সাত্বিক) প্ৰকাশ পায়। সেইফালৰ পৰা বহল অৰ্থত অভিনয় বা অভিনয়কৰণকেই পৰিৱেশ্য কলা ৰূপ আখ্যা দিব পাৰি। অসমৰ পৰিৱেশ্য কলাৰ পৰম্পৰা অতিকৈ প্ৰাচীন। আধুনিকতাৰ গ্ৰাসত পৰি বহুতো পৰিৱেশ্য কলা বিকলাংগ হোৱাৰ লগতে বিলুপ্তিৰ গ্ৰাসত পৰিছে। সেয়েহে অসমৰ প্ৰতিজন অসমবাসীৰে দায়িত্ব আৰু কৰ্তব্য আছে যাতে অৱশিষ্ট থকা পৰিৱেশ্য কলাক সঠিক ৰূপত সজীৱ কৰি ৰাখিব পাৰো। গৱেষকসকলেও এই প্ৰসংগত তাৎপৰ্যপূৰ্ণভাৱে আগবাঢ়ি আহিব লাগে।

**পৰিৱেশ্য কলাৰ পৰিচয় ঃ** পৰিৱেশ্য কলাই নিৰ্দিষ্ট ৰূপৰ মাজেদি স্বৰূপাৰ্থত বাচিক বা লিখিত কলাক চাক্ষুষ ৰূপ দিয়ে। পৰিৱেশ্য কলাৰ মাধ্যমেৰে গীত-পদ, বচন-প্ৰবচন, লোকোক্তি-প্ৰাজ্ঞোক্তি, শ্ৰুতি-জনশ্ৰুতি, মালিতা বা কাহিনী-গীত, বাচিক-লিখিত নাট-নাটক আদিয়ে সংগীত, নৃত্য আৰু নাট্য আদিৰ মাজেৰে দৃশ্য-শ্ৰব্য ৰূপ পৰিগ্ৰহ কৰে। অসমৰ বিভিন্ন জনগোষ্ঠীৰ ঢোল, কালি, পেঁপা, ম'হৰি আদিত সুকীয়াকৈ সংগীত সৃষ্টি কৰা হয় যদিও সৰহভাগ ক্ষেত্ৰতে গীতৰ লগতহে সংগীত যুক্ত হৈ থাকে। বিহুগীত, আইনাম, বিয়ানাম অথবা বিভিন্ন জনজাতীয় লোকগীতৰ অকল কথা অংশ লোক সাহিত্যৰ সম্পদ কিন্তু সুৰখিনি লৈহে সেয়া লোক-সংগীতৰ বস্তু হৈ পৰে আৰু পৰিৱেশ্য কলাৰ ক্ষেত্ৰলৈ আহে। অসমত বিহু নাচ, দেওধনী নাচ, কাতি পূজাৰ নাচ আদিৰ উপৰি বিভিন্ন জনজাতীয় গোষ্ঠীৰ সুন্দৰ সুন্দৰ লোক-নৃত্য আছে। বড়োসকলৰ বাগুৰুম্বা, বৈসাগু (বৈহাগু) নৃত্য, ৰাভাসকলৰ ফাৰকান্তি নৃত্য, কাৰ্বিসকলৰ চোমাংকান উৎসৱ নৃত্য ইত্যাদি। অসমৰ লোক-নাট্য অনুষ্ঠানৰ ভিতৰত প্ৰধান হ'ল ওজাপালি, কুশান গান, ভাৰীগান ইত্যাদি— যিবোৰত গীত, নৃত্য আৰু অভিনয়ৰ সমাৱেশ ঘটে। ক্ষেত্ৰবিশেষে ভাওনাকো লোক-নাট্যৰ চৰিত্ৰ আহি পৰে। কামৰূপীয়া ঢুলীয়াৰ দলে বাদ্য-সংগীতৰ লগত শাৰীৰিক কৌশলৰ প্ৰদৰ্শন কৰে আৰু তাৰ উপৰি চং নামৰ ধেমেলীয়া নাট্যানুষ্ঠানো উপস্থাপিত কৰে।

**সংস্কৃতিৰ আন আন দিশৰ সৈতে পৰিৱেশ্য কলাৰ সম্পৰ্ক ঃ** লোক পৰিৱেশ্য কলাই হওক বা পৰিৱেশ্য কলাই হওক— ই সংস্কৃতিৰ আন তিনিটা ক্ষেত্ৰৰ সৈতে অংগাংগী সম্পৰ্ক ৰক্ষা কৰি আহিছে। বাচিক বা লিখিত গীত-পদ আদি শ্ৰব্য সমলে দৃশ্যৰূপ লাভ কৰে পৰিৱেশ্য কলাৰ মাজেৰে। সামাজিক আচাৰ-অনুষ্ঠানৰ চাৰিটা উপ-বিভাগ যেনে— বিশ্বাস-ধৰ্ম, উৎসৱ-অনুষ্ঠান, ঔষধ-চিকিৎসা, অৱসৰ-বিনোদন তথা খেল-ধেমালিৰ লগত গীত-নৃত্য-অভিনয়ৰ সম্পৰ্ক অতিকৈ নিবিড়। বিশ্বাস আৰু ধৰ্মীয় কৃত্যৰ লগত মিথ বা পুৰাণকথাৰ সম্পৰ্ক গভীৰ। ধৰ্মীয় অনুষংগতেই বিবিধ গীত-নৃত্য-অভিনয় আদিৰ জন্ম। ৰুদ্ৰ অৰ্থাৎ শিৱৰ তাণ্ডৱ নৃত্যৰ পৰাই উদ্ভৱ হৈছে ভাৰতীয় নাটকৰ। পূজা-উপাসনা, সভা-সবাহ, গোন্ধ, অধিবাস আদিৰ প্ৰসংগত ওজাপালিৰ দৰে দৃশ্য-শ্ৰব্য কলাশৈলীয়ে গীত-নৃত্য-অভিনয়-নাটক প্ৰদৰ্শন কৰে। উৎসৱ-অনুষ্ঠানৰ প্ৰসংগত বিশেষকৈ ঋতুমূলক উৎসৱ-অনুষ্ঠান বা কৃষিমূলক উৎসৱৰ অনুষংগত ধৰ্মনিৰপেক্ষ নৃত্য-গীত-অভিনয় অনুষ্ঠিত হয়। লোক ঔষধৰ লগতে লোক পৰিৱেশ্য কলাৰ সম্পৰ্ক যথেষ্ট আছে। ৰোগ-ব্যাধিৰ আৰোগ্য কামনা কৰি উদ্‌যাপন কৰা গোসাঁনী সেৱা, বিষহৰি পূজা, মাৰৈ পূজা, বৰমানী পূজা, কালীপূজা, বাথৌ পূজা, বাইথ'

পূজা আদিৰ প্ৰসংগত গীত-নৃত্য অনুষ্ঠিত হয় বাদ্য-বাজানাসহ।

ভৌতিক সংস্কৃতিৰ অন্তৰ্গত লোককলা বা লোকশিল্পৰ সৈতে গীত-নৃত্য-অভিনয়ৰ সম্পূৰ্ণ ৰক্ষিত হৈ আহিছে। লোক নাটক আৰু লোক নৃত্যত মুখাৰ স্থান অস্বীকাৰ কৰিব নোৱাৰি। নৰ্তকে ব্যৱহাৰ কৰা মুখা, ভাৰীগান, ঢুলীয়া নাটক, খুলীয়া ভাউৰীয়াৰ বিভিন্ন চৰিত্ৰই ব্যৱহাৰ কৰা মুখাবোৰ লোকশিল্প আৰু লোককলাৰ নিদৰ্শন। সেইদৰে লোকগীত, লোকনৃত্য, লোকনাটক অভিনয়ৰ অনুষংগত সংগত কৰা বাদ্যযন্ত্ৰসমূহ লোকশিল্প আৰু লোককলাৰ পৰিচায়ক ভাৱৰীয়াসকলে ব্যৱহাৰ কৰা অস্ত্ৰ-শস্ত্ৰ, বেশ-ভূষা, আ-অলংকাৰ আদিয়েও লোকশিল্প আৰু লোককলাৰ প্ৰতিনিধিত্ব কৰিব পাৰে। লোকসমাজত লোকগীত, লোকনৃত্য, লোকনাট আদি অনুষ্ঠিত হয় নামঘৰ, গোসাঁইঘৰ, কীৰ্তনঘৰ নাইবা ৰভাতলৰ মুকলি খলাত— যিবোৰে লোক স্থাপত্য কলাৰ পৰিচয় দিব পাৰে। পৰিধান কৰা পোছাক-পৰিচ্ছদ, আ-অলংকাৰ, প্ৰসাধন সামগ্ৰী আদিৰ জৰিয়তে লোক আভৰণৰ নিদৰ্শন পোৱা যায়। ৰন্ধন সামগ্ৰীৰ সৈতেও গীত-নৃত্য, বাদ্য-বাজানা সম্পৰ্কান্বিত লোক ৰন্ধন প্ৰণালী। ৰন্ধন সামগ্ৰী উৎপাদন, সংগ্ৰহ, প্ৰস্তুতকৰণ, ৰন্ধনৰ বাবে দেৱ-দেৱী উদ্দেশ্যে খাদ্য-দ্ৰব্য নিবেদন আদি বিভিন্ন প্ৰসংগত গীত-নৃত্য অনুষ্ঠিত হয়। এই তিনিটা দিশৰ সৈতে অৰ্থনৈতিক দিশৰ সম্পৰ্ক অতি সুদৃঢ়। এইফালৰ পৰা পৰিৱেশ্য কলাৰ লগত ব্যক্তি আৰু সমাজৰ অৰ্থনৈতিক দিশটো জড়িত হৈ থাকে।

**পৰিৱেশ্য কলাৰ শ্ৰেণী বিভাজন ঃ** পৰিৱেশ্য কলা সাধাৰণভাৱে তিনিটা শ্ৰেণীত বিভক্ত। এই তিনিটা শ্ৰেণী হৈছে— (ক) গীত, (খ) নৃত্ত/নৃত্য আৰু (গ) নাটক। গীতৰ বিষয়বস্তুৰ চাক্ষুষ ৰূপায়ণেই নৃত্ত আৰু নৃত্তৰ পৰিশীলিত ৰূপৰ নামেই নৃত্য আৰু নৃত্যৰ পৰাই নাট বা নাটকৰ জন্ম। সেয়েহে গীত-নৃত্ত/নৃত্য আৰু নাট বা নাটকৰ মাজত এক গভীৰ সম্পৰ্ক অন্তৰ্নিহিত হৈ আছে।

**বাদ্যযন্ত্ৰ ঃ** গীত-নৃত্য-নাটৰ সৈতে বাদ্যযন্ত্ৰৰ সম্পৰ্ক অতি গুৰুত্বপূৰ্ণ। বাদ্যযন্ত্ৰ অবিহনে গীত-নৃত্য-(অভিনয়) নাট আদিয়ে প্ৰাণ পাই নুঠে। সেইবাবে ঢোল, তাল, বেণু, বংশী আদিক বহিঃপ্ৰাণ আখ্যা দিয়া হয়। বাদ্যযন্ত্ৰৰ তত্ব সম্পৰ্কে জনাৰ প্ৰয়োজন আছে। বাদ্যযন্ত্ৰৰ তত্ব জনাৰ পিছতহে সংগীততত্ব জনা দৰকাৰ।

সংগীতৰ প্ৰসংগত ধ্বনি সৃষ্টি কৰিবৰ বাবে ব্যৱহাৰ কৰা যিকোনো উপাদানকেই বাদ্যযন্ত্ৰ বোলাত বাধা নাই। মানৱ দেহকো বিশেষকৈ মাত বা ধ্বনিক বাদ্যযন্ত্ৰ আখ্যা দিব পাৰি। পৃথিৱীৰ বিভিন্ন সংস্কৃতিত বাদ্যযন্ত্ৰসমূহৰ ভিতৰত ঘনবাদ্যযন্ত্ৰই (তালজাতীয়) প্ৰাচীনতম। মানৱ দেহৰ অন্যতম অংগ হাত অৰ্থাৎ হাতৰ তলুৱাৰ সাদৃশ্যত ঘন বাদ্যযন্ত্ৰসমূহ নিৰ্মিত। বাদ্যযন্ত্ৰৰ আছে এক সুদীৰ্ঘ ইতিহাস, কিন্তু ইয়াৰ ভৌগোলিক সীমাৰেখা নাই। বাদ্যযন্ত্ৰসমূহকো লোক, জনজাতীয় আৰু মাৰ্গী বা শাস্ত্ৰীয় উচ্চাংগ তিনিটা ভাগত ভাগ কৰিব পাৰি।

বাদ্যযন্ত্ৰসমূহ তলত দিয়াৰ দৰে ভাগ কৰিব পাৰি—

(ক) প্ৰজাতিগত শ্ৰেণী বিভাজন— যেনে ঃ বড়োসকলৰ খ্ৰাম বা খাম (ঢোল), (খ) অনুষংগগত শ্ৰেণী বিভাজন ঃ বিহুত বজোৱা ঢোল, (গ) আঞ্চলিক শ্ৰেণী বিভাজন ঃ দৰঙৰ ঢেপা ঢোল, (ঘ) প্ৰকাৰ্যাত্মক শ্ৰেণী বিভাজন ঃ ডগৰ কৰতাল, (ঙ) তাত্ত্বিক শ্ৰেণী বিভাজন ঃ বংশী, মৃদং, বীণা ইত্যাদি।

ভৰত মুনিয়ে প্ৰকাৰ্যাত্মক দিশৰ প্ৰতি লক্ষ্য কৰি বাদ্যযন্ত্ৰসমূহ চাৰিটা শ্ৰেণীত বিভক্ত কৰিছে। (ক) তত, (খ) আৱনদ্ধ, (ঘ) ঘন আৰু (ঘ) সুষিৰ।

তত বাদ্যযন্ত্ৰ তন্ত্ৰ বা তাঁ প্ৰধান। বীণা, চেৰেঙা, টোকাৰী, লাউটোকাৰী, দোতোৰা, একতাৰা, খমক আদি তত বাদ্যযন্ত্ৰ।

আৱনদ্ধ বাদ্যযন্ত্ৰবোৰ হৈছে বৰঢোল, ঢেপাঢোল, ৰাজাঢোল, জয়ঢোল, দাহিঢোল, মাদল, খাম, খ্ৰাম, ছেং, দুম দুম ইত্যাদি। বড়োসকলৰ খ্ৰাম বা মাদল লালুংসকলৰ খম্বুৰ বা খ্ৰাম, গাৰোসকলৰ খ্ৰাম, কাৰবিসকলৰ ছেং আৰু ছেংব্ৰুপ আদি ৰূপে জনাজাত। উজনি অসমত প্ৰচলিত বিহুঢোল, নক্টেৰ থাম আদিও ঢোলৰ পৰিসীমাই সামৰে। ইয়াৰ বাহিৰেও খোল, মৃদংগ, নাগাৰা, ঢাক, ডবা, ডমৰু, ঢোলক, ডগৰ আদিও আৱনদ্ধ বাদ্য।

ঘন বাদ্যযন্ত্ৰবোৰ হৈছে টকা, গগনা, নেপুৰ, কাঁহ, বৰকাঁহ, নানাবিধ তাল, ঘণ্টা আদিৰ লগতে হাত চাপৰিয়েও ঘন বাদ্যৰ কাম কৰে।

সুষিৰ বাদ্যযন্ত্ৰ বায়ুপ্ৰধান। সুষিৰ শব্দৰ অৰ্থ হৈছে বিন্ধা বা ফুটা। ফুটাৰে মুখৰ বায়ু ভৰাই কৰা ধ্বনিক সুষিৰ বাদ্যযন্ত্ৰ বোলা হয়। ম'হৰ শিঙৰ পেঁপা, বাঁহী, কালি, পেঁপা, শংখ, সুতুলী, বেণু আদি এই বাদ্যযন্ত্ৰবোৰ সুষিৰ বাদ্যযন্ত্ৰ।

গীত, নৃত্য, নাটক আদিৰ পৰিৱেশনৰ প্ৰসংগত এই চাৰিও শ্ৰেণীৰ বাদ্যযন্ত্ৰ সংগত কৰা হয়।

গীত ঃ যাক গোৱা হয় সেয়ে গীত। সুৰ-সঞ্চাৰ-তাল-মান ৰক্ষা কৰি যি কবিতা বা পদ্য গোৱা হয় তাকেই গীত বোলে। গীতৰ ভাগ চাৰিটা— অস্থায়ী (প্ৰথম চৰণ), অন্তৰা (দ্বিতীয় চৰণ), সঞ্চাৰী (তৃতীয় চৰণ) আৰু আভোগ (সমাপ্তি)। গীতৰ আন নাম পদ। পদো সুৰ-তাল-লয় আদিৰ সহায়ত বাদ্যযন্ত্ৰ আদি সংগত কৰি গোৱা হয়।

গীতসমূহ প্ৰধানকৈ লোকগীত, লোকসংগীত, শাস্ত্ৰীয় সংগীত, জিকিৰ গীত, জাৰী গীত, গৰখীয়া, ম'হৰখীয়া, হাতীৰখীয়া বা মাউতৰ গীত, কামৰূপী লোকগীত, পাঁচালী গীত, বৰগীত, লোক-নাটৰ গীত, সত্ৰীয়া গীত, বিহুগীত, আধুনিক গীত, বিহুসুৰীয়া গীত, বনগীতৰ লগতে বৰষুণৰ সৈতে জড়িত গীত, নিচুকনি গীত আদি। ইয়াৰ উপৰি বিভিন্ন পুথিৰ গীত— কীৰ্তন ঘোষাৰ গীত, নামঘোষাৰ গীত, ভটিমা আদিৰ লগতে ওজাপালি আদিৰো গীতৰ লগত বিশেষ সম্পৰ্ক আছে।

কামৰূপী লোকগীত আৰু গোৱালপৰীয়া লোকগীতৰ মাজত পাৰ্থক্য আছে। বিশেষ সুৰ-তাল-মানৰ ক্ষেত্ৰত কামৰূপী লোকগীতত ভক্তিভাৱৰ গভীৰতা লক্ষ্য কৰিব পাৰি। এই জাতীয় গীত বিশেষভাৱে কামৰূপ আৰু দৰং অঞ্চলত জনপ্ৰিয়। দৰঙত প্ৰধানকৈ ওজাপালিয়ে তাল যন্ত্ৰ সংগত কৰি গায়। কামৰূপত দোতোৰা, খুঞ্জুৰী, তাল বাদ্যযন্ত্ৰ সংগত কৰি এজন বা একাধিক গায়কে গায়। কাব্যিক গুণৰ গভীৰতা অধিক এই গীতত।

নৃত্য ঃ পৰম্পৰাগত গীতৰ দৰে পৰম্পৰাগত নৃত্যত পৰিবেশ্য কলা অতিকৈ প্ৰয়োজনীয় অংগ। নৃত্য বা নাচৰ সৈতে গীতৰ এৰাব নোৱাৰা সম্পৰ্ক যদিও কিছুমান নৃত্য-গীতৰ কোনো সম্পৰ্ক নাথাকে। উদাহৰণস্বৰূপে বড়োসকলৰ বাথৌপূজা প্ৰসংগত খেৰাই নাচৰ সৈতে গীত জড়িত নাই। তথাপি বেছিভাগ নাচ বা নৃত্যত গীতৰ সম্পৰ্ক আছে। নৃত্যসমূহ হৈছে— লোকনৃত্য, শাস্ত্ৰীয় নৃত্য, ঢুলীয়া নাচ, আদিম নৃত্য আদি। দেহাৱয়বত হোৱা তালান্বিত অংগী-ভংগীৰ নাম নৃত্য। ৰস আৰু ভাৱৰ সৈতে গভীৰভাৱে সম্পৃক্ত নটনৰ নাম নৃত্য।

নাট্য ঃ নাট্য হৈছে নাচ। নাচৰ সৈতে একোটা কাহিনী জড়িত হৈ আছে। নাট্য-গীত-নৃত্য আৰু নৃত্যৰ সমন্বয়।

অভিনয় ঃ অভিনয় আৰু নাট্যৰ সম্পৰ্কৰ গুৰিতে আছে নৃত্য আৰু অভিনয়ৰ সম্বন্ধৰ পৰম্পৰা। সংস্কৃত পৰম্পৰামতে অভিনয় চাৰিবিধ। যেনে— (ক) আংগিক অভিনয়, (খ) বাচিক অভিনয়, (গ) আহাৰ্য অভিনয় আৰু (ঘ) সাত্বিক অভিনয়।

আংগিক অভিনয়ত অংগী-ভংগীমাৰে দেখুওৱা কাৰ্য। বাচিক অভিনয়ত ভাৱৰীয়াসকলে সংলাপ বা কথোপকথনৰ জৰিয়তে কৰা অভিনয়। আহাৰ্য অভিনয়ত পোছাক, আ-অলংকাৰ, তিলক, ৰং, মুখা আদিৰ মাধ্যমেৰে কৰা অভিনয়। সাত্বিক অভিনয়ত ভাৱৰীয়া মানসিক অৱস্থাৰ সৈতে জড়িত। মানসিক অৱস্থাৰ লগত দৈহিক ভাৱৰ সৈতে নিবিড় সম্পৰ্কযুক্ত। মন আৰু দেহৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক নিশ্চলতা, ঘৰ্মযুক্ত, ৰোমাঞ্চ, স্বৰভংগ, কম্পন, বিবৰ্ণ, মূৰ্ছা আৰু নয়ন বাষ্পাকুলতা এই আঠোটা অৱস্থাৰ সমষ্টিয়েই সাত্বিক অভিনয়।

ঢুলীয়া নাচ ঃ লোকনৃত্য আৰু লোক অভিনয় উভয়ৰে দাবী পূৰণ কৰি অহা ঢুলীয়া নাচ পৰম্পৰাগতভাৱে অতি প্ৰাচীনকালৰে পৰা বৰ্তমানলৈকে অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত সমাদৃত হৈ আহিছে। ঢুলীয়া দলে সভা-মেলা, বিয়া-বাৰু, অনুষ্ঠান-প্ৰতিষ্ঠানৰ উৎসৱত নৃত্য-গীতসহ ঢোল বজোৱাৰ উপৰি চাৰ্কাচ, কুষ্টি আদি প্ৰদৰ্শন কৰে আৰু কামৰূপীয়া ঢুলীয়া দলে অভিনয় কৰিও দেখুৱায়।

দৰং, পাতিদৰং আদি অঞ্চলত প্ৰচলিত ঢেপা বা চুঙা ঢুলীয়াই গীত-পদৰ লগত বিভিন্ন নৃত্যভংগী প্ৰদৰ্শন কৰে। এই ভংগীমাসমূহৰ ভিতৰত বোৰনী, ৰোৱনী, ভুমুকি, নেউল ভুমুকি, বহিনাচন, চকোৱাপাক, বোন্দাপাক আদি নাচ উল্লেখযোগ্য। নাচৰ লগতে ঢুলীয়াই ঢোলত বিভিন্ন বাদীৰো সৃষ্টি কৰে। উদাহৰণস্বৰূপে বাদীবোৰ হৈছে— দেৱীবাদী, গোৰবাদী, পাতালবাদী, খৰবাদী, খেদাবাদী, খুন্দাবাদী, গলমোচৰাবাদী, নাককটাবাদী, কাণকটাবাদী ইত্যাদি। কামৰূপৰ ঢুলীয়াৰ দৰে দৰঙৰ ঢুলীয়াই অভিনয় বা ছং নেদেখুৱায়।

ওজাপালি পৰিবেশ্য কলাৰ লগত জড়িত বিশ্বাস-জনশ্ৰুতি ঃ

ওজাপালি অনুষ্ঠানৰ জন্মৰ সৈতে দৈৱিক মতবাদ সংপৃক্ত। এই মতবাদ অনুসৰি ওজাপালি সংগীতৰ উদ্ভৱ হৈছে দেৱতাৰ অনুগ্ৰহত।

ওজাপালিসদৃশ পৰিবেশ্য কলা ভাৰতৰ বিভিন্ন ঠাইত বৰ্তমানো প্ৰচলিত হৈ আছে। দক্ষিণ ভাৰতত হৰিকথা, অন্ধ্ৰপ্ৰদেশত বুৰা-কথা, উৰিষ্যাত দাস কঠিয়া, পালাগান, পশ্চিমবংগৰ পাঞ্চালী গান, মহাৰাষ্ট্ৰৰ পাৱাড়া, ৰাধা বিলাস, মহাৰাষ্ট্ৰ আৰু মধ্য প্ৰদেশত আলহা, উত্তৰ প্ৰদেশত ভৰথৰী, অহিৰ, জম্মু-কাশ্মীৰ আৰু পাঞ্জাৱত ভগু-পাথৰ, উত্তৰ ভাৰতৰ

ৰামলীলা, কৰ্ণাটকত যক্ষগান, পশ্চিমবংগত ৰামায়ণ গান, মণিপুৰত মেইতেই জগই, অসমত কুশান গান, নেপালত গন্ধৰ্ব গান বা বালুন আদিৰ নাম উল্লেখ কৰিব পাৰি।

ওজাপালি পাঠ, প্ৰসংগ, সংযুতি, পৰিবেশনা প্ৰণালী আদি বিভিন্ন দিশৰ ফালৰ পৰা কেইটামান শ্ৰেণীত বিভক্ত কৰিব পাৰি। কাহিনী কথন আৰু গীত-পদ-আবৃত্তি ওজাপালিৰ অন্যতম লক্ষ্য। প্ৰসংগৰ বিভিন্নতাত কাহিনী কথন, গীত-পদ-আবৃত্তি আৰু পৰিবেশনা শৈলী আদিও বিভিন্ন হোৱা স্বাভাৱিক।

সামগ্ৰিকভাৱে দুটা বহল ভাগত ভগাব পাৰি— (১) মহাকাব্য আশ্ৰয়ী ওজাপালি আৰু (২) মহাকাব্য অনাশ্ৰয়ী ওজাপালি। আকৌ অনুষংগৰ ফালৰ পৰাও ওজাপালি পৰিৱেশ্য কলাক স্থূলভাৱে দুটা ভাগত ভগাব পাৰি— (১) বৈষ্ণৱ অনুষংগৰ লগত জড়িত ওজাপালি আৰু (২) শাক্ত অনুষংগ বা দেৱী পূজাৰ সৈতে জড়িত ওজাপালি।

দুটা শব্দৰ সমষ্টি ওজা আৰু পালি। ওজা শব্দটো আহিছে সংস্কৃত শব্দ উপাধ্যায়ৰ পৰা আৰু পালি শব্দটোৰ অৰ্থ সহায়কাৰী। ওজাক যিসকলে সহায় কৰে তেওঁলোকেই পালি। পালিসমূহ হৈছে ডাইনাপালি, গোৰপালি আৰু আগপালি।

ওজাপালিৰ স্বকীয় বৈশিষ্ট্য আছে পোছাক-পাতিৰ ক্ষেত্ৰত। ওজাই জামা আৰু চাপকন চোলা পিন্ধে, মূৰত নাৱৰ টিঙৰ দৰে পাগুৰী ব্যৱহাৰ কৰে আৰু দুয়ো ভৰিৰ পতাত নেপুৰ পৰিধান কৰে। পালিসকলে বাতিৰ নিচিনা তাল দুয়োহাতে বজায়।

ওজাপালি সংগীত পঞ্চ অংগযুক্ত। পোনতে আলাপ, তাৰ পিছত গুৰুবন্দনা, ইয়াৰ পিছত বিন্দুপদ, পিছত সংগীতালাপ আৰু শেষত ঝুনা বা জুনা বা পুৰলিগীত বা পুৰেলি গীত। আলাপ বা স্বৰত ৰাগ বা সুৰ দি হা-তা-না-ৰি (ঋ)-ৰিতা (ঋতা) আদি সাংকেতিক অক্ষৰৰ সহায়ত সাংগীতিক প্ৰতিবাদন কৰা হয়। আলাপৰ জৰিয়তে দেৱতাসকলক বন্দনা কৰা হয়। যেনে—

হা-ৰ অৰ্থ গণপতি,
তা-ৰ অৰ্থ সদাশিব,
না-ৰ অৰ্থ মহামায়া,
ৰি-ৰ অৰ্থ কৃষ্ণ
আৰু ৰিতা-ৰ অৰ্থ গন্ধৰ্ব।

গুৰুবন্দনা এটি বন্দনা, যিহেতু গুৰুৰ কৃপাতহে সংগীতবিদ্যা আয়ত্ব কৰিব পাৰি। গুৰুৰ স্থান লাভ কৰি আহিছে— বিষ্ণু, বাসুদেৱ, শিৱ আদি দেৱতাই। গুৰুবন্দনা যিহেতু আৰম্ভণিত গোৱা হয় সেয়েহে ইয়াক পাতনি গীতো বোলে। গুৰুবন্দনাৰ শুভাৰম্ভ হয় এটি শ্লোকেৰে—

শ্ৰীকৃষ্ণায় বাসুদেৱায় দৈৱকী নন্দনায় চ।
নন্দ গোপ কুমাৰায় গোবিন্দয়ে নমো নমঃ।

ইয়াৰ পিছত গোৱা বন্দনা-স্তুৱত কেইবাটাও বন্দনা গীত থাকিব পাৰে। গীত-পদৰ ক্ৰম আৰু বৈশিষ্ট্যৰ ফালৰ পৰা সংগীতালাপক পাঁচভাগত বিভক্ত কৰিব পাৰি। যেনে— (ক) মালিতা, (খ) ৰাগ, (গ) বানা, (ঘ) দিহা আৰু (ঙ) পদ বা ঘোষা। মালিতাৰ অৰ্থ কাহিনী গীত। ৰাগ সাতটা স্বৰ সাধনা আৰু সুৰ প্ৰতিপাদন, উপস্থাপন বা ঘুন্নি, স্বৰৰ আৰোহীক্ৰম বা তোলনি, মালিতা বা ৰাগৰ জন্মালাপ, চৰণ বা মূৰ্চ্ছনা, অৱৰোহ বা ধ্ৰুৱা আৰু সঞ্চাৰী বা দিহা আৰোহী আৰু অৱৰোহী স্বৰৰ সমলয়।

শ্ৰেষ্ঠ ওজা হ'বলৈ হ'লে নাচন, কাচন, বচন আৰু মোচন— এই চাৰি বিষয়ত যিজন ওজা দক্ষ তেৱেঁই শ্ৰেষ্ঠ ওজা। সেয়েহে কোৱা হয়— 'নাচন, কাচন, মোচন আৰু বচন, এই চাৰিবস্তু ওজাৰ প্ৰয়োজন।' আকৌ কোৱা হয়— ময়ূৰ (গৰুড়)সদৃশ নাচে (ভ্ৰমে) সেহি ওজা ভাল।'

**খুলীয়া ভাউৰীয়া ঃ**

অসমৰ বিভিন্ন অঞ্চলত প্ৰচলিত লোকনাটসমূহৰ ভিতৰত দৰং জিলাৰ 'খুলীয়া ভাউৰীয়া' নিশ্চিতভাৱে উল্লেখযোগ্য। ভাউৰীয়া পদটোৰ উদ্ভৱ হৈছে সংস্কৃত ভূ ধাতুৰ পৰা। ভাৱৰ ঘনত্ব বা গভীৰতাই হৈছে ৰস। ভাৱৰ প্ৰকাশক কাৰ্যৰ সংযোগতহে ৰসৰ সৃষ্টি হয়। এই কথাষিনি কিৰাতাৰ্জুনীয়ম্ নাটত এইদৰে কোৱা হৈছে, যেনে— 'অভিনয় ৰস ভাৱাদি ব্যঞ্জক চেষ্টাবিশেষঃ।' যিজনে নানা কথা-বতৰা আৰু অংগী-ভংগীৰে ভাৱ প্ৰকাশ কৰি দৰ্শকৰ অন্তৰত নৱৰস সৃষ্টি কৰি প্ৰদান কৰে তেৱেঁই ভাৱৰীয়া বা ভাউৰীয়া।

খোল শব্দৰ পিছত ঈয়া প্ৰত্যয় যোগ কৰি খুলীয়া পদটো নিষ্পন্ন কৰা হৈছে। খোল যিয়ে বজায় তেৱেঁই খুলীয়া। খুলীয়া ভাউৰীয়াবিলাকে ৰাম, লক্ষ্মণ, ভৰত, শত্ৰুঘ্ন, দশৰথ, ৰাৱণ, বিভীষণ, কৌশল্যা, সীতা, যুধিষ্ঠিৰ, ভীম, অৰ্জুন, নকুল, সহদেৱ, ভীষ্ম, দ্ৰোণ, দুৰ্যোধন, বিৰাট, দ্ৰৌপদী, কুন্তী, সুভদ্ৰা, খটাসুৰ, বধাসুৰ, লৱ-কুশ, বালি, সুগ্ৰীৱ, বাল্মীকী, বিশ্বামিত্ৰ, নাৰদ আদি চৰিত্ৰৰ ভাও দিয়ে।

খুলীয়া ভাউৰীয়া এসময়ত সমগ্ৰ নামনি অসমতেই

সন্চালনিভাৱে প্ৰচলিত হৈছিল। পৰৱৰ্তী কালত এইবিধ ভাউৰীয়া গৈ ঢুলীয়া পৰৱিশ্যে কলাত নিমজ্জিত হৈ পৰে। কিন্তু দৰং আৰু পূব কামৰূপ অঞ্চলত এইবিধ পৰিৱেশ্য কলা স্বয়ংসম্পূৰ্ণ অনুষ্ঠানস্বৰূপে ৰক্ষিত হৈ আহিছে। খুলীয়া ভাউৰীয়াৰ প্ৰভাৱ বাঢ়িবলৈহে ধৰিছে।

ভাৱৰীয়াসকলৰ প্ৰয়োজনীয় পোছাক, প্ৰসাধন সামগ্ৰী স্থানীয়ভাৱেই সংগ্ৰহ কৰে। পিঠাগুৰি, হালধীগুৰি, ছাই, সেন্দুৰ, ফাকুগুৰি, বিভিন্ন ৰং আদি মুখ, বাহু আদিত সানে। খুলীয়া অভিনয়ৰ বাবে স্থায়ী মঞ্চ বা খলাৰ প্ৰয়োজন নাই। উৎসৱ-অনুষ্ঠান, পূজা-উপাসনা, সংস্কাৰমূলক কৃত্য আদিৰ বাবে মুকলি পথাৰত বা গোসাঁইঘৰ, নামঘৰ আদিৰ সন্মুখভাগ, ঘৰৰ চোতাল বা ঘৰৰ কাষত থকা মুকলি ঠাইত ডাঙৰ ৰভা হয়। অভিনয় খলাৰ চাৰিওফালে দৰ্শকসকল বহে। ওচৰতে এটা ছোঁঘৰ সাজে, য'ত পোছাক-পাতি, প্ৰসাধন সামগ্ৰী, অস্ত্ৰ-শস্ত্ৰ ৰাখে। ভাৱৰীয়াসকল যতে ছোঁঘৰলৈ অহা-যোৱা কৰিব পাৰে তাৰ বাবে ৰভাতলীৰ পৰা ছোঁঘৰলৈ এটি পথ তৈয়াৰ কৰে। অস্ত্ৰ-শস্ত্ৰসমূহ হৈছে ধেনু, কাঁড়, তৰোৱাল, গদা, যাঠী আদি। এইবোৰ কাঠ-বাঁহ আদিৰে তৈয়াৰ কৰি চূণ, হালধী সানি ৰঙীণ কৰে।

খুলীয়া নাটৰ ক্ষেত্ৰত জাতি, বৰ্ণ, ধৰ্ম কোনো পাৰ্থক্য নাই। এই পৰিৱেশ্য কলাৰ ভাও দিব পৰা অৰ্হতাসম্পন্ন ব্যক্তিক অগ্ৰাধিকাৰ দিয়া হয়। পুৰুষসকলেই মহিলাৰ ভাও দিবলৈ দীঘল চুলি, চাদৰ-মেখেলা-ব্লাউজ আদি পৰিধান কৰি সম্পূৰ্ণ মহিলাসদৃশ হৈ স্ত্ৰী চৰিত্ৰৰ অভিনয় কৰে।

গঞা ৰাইজৰ মাজত এইবিধ পৰিৱেশ্য কলা অতি প্ৰিয়। কাৰণ ধৰ্মমূলক খুলীয়া ভাউৰীয়াৰ অভিনয়ত হাঁহি-কান্দোন সংমিশ্ৰণৰ লগতে অতি সহজে হৃদয়ঙ্গম কৰিব পাৰে। এই অভিনয় ৰাতিহে হয়। যাৰ বাবে গাঁৱ কোনো লোকে এই নিশাটো অথলে নেখেদাই প্ৰিয় এই অভিনয় দৰ্শন কৰিবলৈ গধুলিৰে পৰা ৰভাতলিত ঢাৰি, চতিয়া, বস্তা, খেৰ আদি পাৰি ঠাইখিনি আবদ্ধ কৰি ৰাখে নিজৰ নিজৰ মানুহখিনি বহিবলৈ।

এইবিধ নাটৰ লিখিত ৰূপ নাছিল, মুখে মুখে চলিছিল। ৰামায়ণ, মহাভাৰতৰ একোটি বৈশিষ্ট্যপূৰ্ণ কাহিনী বা ঘটনাৰ বৰ্ণনাৰ আধাৰত নাটক ৰচনা কৰা হয়। সমাজৰ পৰিৱৰ্তনৰ লগে লগে ভাষৰো পৰিৱৰ্তন ঘটে। সেয়েহে ভাষাৰ পৰিৱৰ্তনৰ আধাৰত পৰিৱেশ্য কলাৰ সময় নিৰ্ণয় কৰিব নোৱাৰি।

**পুতলাভিনয় ঃ**

লোক নাট্যানুষ্ঠানৰ দাবী সম্পূৰ্ণভাৱে পূৰণ কৰিব পৰা অনুষ্ঠানসমূহৰ ভিতৰত পুতলা নাচ অন্যতম। লোকনাট্যৰ বিভিন্ন ৰূপৰ ভিতৰত পুতলা নাচেই আটাইতকৈ প্ৰাচীন। পুতলা নিৰ্জীৱ বস্তু বা পদাৰ্থ, যাক মানুহে সূতা, লাঠিৰে কোনো কাহিনীৰ আলমত পৰিচালনা কৰে। পুতলাৰ মাধ্যমেৰে অনুষ্ঠিত অভিনয়েই পুতলা নাচ। পুতলাই কথা ক'ব নোৱাৰে, সেয়েহে সূত্ৰধাৰৰ সহায়ত নাট্য চৰিত্ৰ বা কাহিনী ভাৱেৰে কথাবোৰ বুজি পোৱা হয়।

পুতলা অৰ্থাৎ ইংৰাজীত Doll লেটিন পদ Pupa (Puppet) ইয়াৰ অৰ্থ Doll-Doll ৰ পৰা পুতলা। সংস্কৃতত পুত্তলিকা বা পুত্তিকা, তাৰ অৰ্থ কনিষ্ঠ পুত্ৰ (Little son)। দাৰ্শনিকভাৱে মানৱৰূপক পুতলাৰূপী হিচাপে ধৰিলে ভগৱন্তই সূত্ৰধাৰৰূপে পৰিচালনা কৰে বুলি অনুমেয় হয়।

পুতলা-ভাওনাক চাৰি ভাগত ভাগ কৰা হৈছে— (ক) সূতাৰে পৰিচালনা কৰা পুতলা, (খ) ছায়া-পুতলা, (গ) লাঠিৰে পৰিচালনা কৰা পুতলা আৰু (ঘ) হাতেৰে পৰিচালনা কৰা পুতলা। পুতলা-ভাওনা সাধাৰণতে ৰাতি অনুষ্ঠিত হয় আৰু ২ বা ২$^{১}/_{২}$ ঘণ্টাৰ ভিতৰত সমাপ্ত হয়।

আধুনিক যুগত পুৰণি পৰম্পৰা আৰু অভিনয়শৈলী আদিৰ পৰিৱৰ্তন ঘটিছে। তাহানিৰ পানীকুলা বা কুহিলা, ওডাল কাঠ, বাঁহৰ দৈ, তমাল আদিৰে পুতলাৰ কঁকালৰ ওপৰৰ অংশহে নিৰ্মাণ কৰা হৈছিল। তলৰ অংশ কেৱল কাপোৰ বা পোছাক-পাতি সযতনে সংযোগ কৰি দিয়ে। পুতলাবিলাক হাতৰ আঙুলিৰে ক'লা সূতাৰে সূক্ষ্ম কিটিপ বা কাৰিকৰীৰ সহায়ত নচুওৱা হৈছিল। নাটকৰ কাহিনীৰ আলমত অৱস্থা অনুসৰি ভংগীমাৰে নচুৱাইছিল। আজিকালি বাঁহৰ কামি বা দৈ বা তমাল আদিৰে পুতলাৰ জকাটো নিৰ্মাণ কৰা হয়। ওখ মঞ্চৰ তলৰ পৰা লাঠিৰে সূত্ৰধাৰে বা শিল্পীয়ে পৰিচালনা কৰে। এনেবিধৰ পুতলা অভিনয় বৰ্তমানো অবিভক্ত দৰং জিলাৰ কলাইগাঁৱত আছে।

**সামৰণি ঃ**

অসমৰ পৰিৱেশ্য কলাৰ পৰিসৰ আৰু বিস্তৃতি অত্যন্ত বিশাল। পৰিৱেশ্য কলাই জাতি এটাৰ মানসিক আধেয়ৰ সন্ধান দিয়াৰ বাহিৰেও জাতিটোৰ নান্দনিক দৃষ্টিভংগীৰ পৰিচয় সুন্দৰভাৱে দিব পাৰে। জীৱন আৰু সমাজৰ সৈতে পৰিৱেশ্য কলাৰ সম্পৰ্ক নিবিড়।

প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ পৰিণতিত সমাজ জীৱনৰ পৰিৱৰ্তন সংঘটিত হোৱা স্বাভাৱিক আৰু তাৰ প্ৰভাৱত

পৰম্পৰা আশ্ৰয়ী সমাজ জীৱনৰ বিভিন্ন দিশত পৰিবৰ্তনে দেখা দিয়ে, আনকি এনে পৰিবৰ্তনৰ ফলত পৰিৱেশ্য কলাৰ ক্ষেত্ৰতো পৰিবৰ্তন আহি পৰে। এনে পৰিবৰ্তনৰ বাবে পৰিৱেশ্য কলাৰ বিভিন্ন উপশ্ৰেণীয়ে পৰম্পৰাৰ পৰা আঁতৰি আহি আৰ্ট-কৰ্মৰূপত অৰ্থাৎ কলাৰূপত জীয়াই থাকিবলৈ বাধ্য হয়। এনেদৰে পৰিৱেশ্য কলাৰ অন্তৰ্গত গীত-পদ, নৃত্ত-নৃত্য, নাট-নাটক আদিয়ে পৰিবৰ্তিত বা ৰূপায়তি অৱস্থাতহে জীয়াই থাকিবলৈ বাধ্য হয়। দুৰদৰ্শন, আকাশবাণী, কেছেট, চিডি আদিৰ মাধ্যমেৰে ৰূপায়িত হৈছে পৰিৱেশ্য কলাসমূহ।

পৰম্পৰা শিলৰ ৰেখাৰ দৰে অলৰ-অচৰ নহয়। ই পৰিবৰ্তনশীল। সময়ৰ পৰিবৰ্তন, যুগৰ পৰিবৰ্তন, সমাজৰ পৰিবৰ্তন আদি বিভিন্ন পৰিবৰ্তনে পৰম্পৰা কায়াতো পৰিবৰ্তন সঞ্চাৰ কৰে।

আমাৰ সমাজত বিশেষকৈ নতুন প্ৰজন্মৰ সমাজত প্ৰচলিত পৰম্পৰা পৰিৱেশ্য কলাৰ প্ৰতি অনীহাভাৱ প্ৰকাশ পাইছে। তেওঁলোকে জনা উচিত যে যদি পৰিৱেশ্য কলাৰাজি ৰক্ষিত নহয় তেন্তে আমাৰ জাতিগত পৰিচয় হেৰাই নাযাবনে? আমি জীয়াই থাকিবলৈ পৰিৱেশ্য কলাসমূহ সতেজ ৰূপত ৰক্ষা কৰিবই লাগিব। পৰিৱেশ্য কলাই যাতে বিকৃত ৰূপ নলয় তাৰ প্ৰতিও আমাৰ প্ৰতিজন ব্যক্তিৰে দায়িত্ব আৰু কৰ্তব্য থকা উচিত। লগতে চৰকাৰৰ দৃষ্টিভংগী পৰিৱেশ্য কলাৰ প্ৰতি সু-আস্থাৰে অনুপ্ৰাণিত হৈ মানৱৰ হিত সাধনৰ প্ৰতি সুস্পষ্ট হ'ব লাগিব যাতে পৰিৱেশ্য কলা ৰক্ষিত হৈ থাকে। ♦

**গ্ৰন্থপঞ্জী ঃ**

১/ ড° শৰ্মা, নবীন চন্দ্ৰ ঃ ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ পৰিৱেশ্য কলা, গুবাহাটী, ২০১৩ আগষ্ট।

২/ বৰুৱা, তুলতুল, সম্পাদনা ঃ অসমীয়া ৰচনা সংকলন, ২০১৩ ফেব্ৰুৱাৰী।

৩/ Hazarika, Bina Kanta _ Pya Pung, North east cultural meet, Guwahati, 2011, January. ♦♦